● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

প্ৰতিশোধ ল'বলৈ অগ্ৰসৰ হোৱাৰ পূৰ্বে তুমি দুটা কবৰ খান্দি লোৱা। এটা তোমাৰ নিজৰ বাবে।

কনফুছিয়াছ
*চীনা দাৰ্শনিক*



www.dainikagradoot.in

৭ ১৯০ গোচৰৰ শুনানিৰে অভিলেখ ন্যায়াধীশ শিণ্ডেৰ
১৫ আইটা চেম্পিয়নশ্বিপত ত্ৰিমুকুট তানিয়াৰ
৪ কথাছবি নিৰ্মাণত কাৰিকৰী মানসিকতা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৪১তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ২৭ জেঠ ১৪২৯ ভাস্কৰাব্দ ১১ জুন ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 11 June 2022 মূল্য ঃ ৯.০০ টকা

■ অহা জুলাইৰ পৰা দেশত কাৰ্যকৰী হ'ব পাৰে নতুন শ্ৰম আইন

২০২০তে গৃহীত কৰিছিল মোদী চৰকাৰে ■ ব্যাপক সালসলনি আসন্ন

## ভাৰততো আৰম্ভ হ'ব সপ্তাহত তিনিদিন ছুটী, দৈনিক ১২ ঘণ্টা কাম

■ **নিউজ ব্যুৰ'**

**নতুন দিল্লী, ১০ জুন ঃ** অহা পহিলা জুলাইত দেশজুৰি নতুন শ্ৰম আইন বলৱৎ কৰিব নৰেন্দ্ৰ মোদী চৰকাৰে। এই নতুন আইন কাৰ্যকৰী হ'লে কৰ্মচাৰীসকলৰ দৰমহা, সামাজিক সুৰক্ষা প্ৰকল্প যেনে ইপিএফ, পেঞ্চন আৰু গ্ৰেচ্যুইটীৰ লগতে স্বাস্থ্য নিৰাপত্তা সংক্ৰান্তীয় বিধি আনকি কামৰ সময় বহু পৰিমাণে সালসলনি হ'ব। ইতিমধ্যে এই আইন সংসদত গৃহীত হৈছে। ২০২০ৰ *১০ পৃষ্ঠাত চাওক*




■ সন্ধান দিওঁতালৈ ১০ লাখ টকাৰ পুৰস্কাৰ ঘোষণা এনআইএৰ ■ সশস্ত্ৰ প্ৰশিক্ষণ-মানসিকতা পৰিৱৰ্তনত বিশেষ দক্ষতা 'কিশোৰদা'ৰ ■ ঝাৰখণ্ডৰ পৰা আহি অসমত বাহৰ

## অসমত সক্ৰিয় দুৰ্ধৰ্ষ মাওবাদী সব্যসাচী

দেশৰ বিভিন্ন প্ৰান্তত সক্ৰিয় মাওবাদী উগ্ৰপন্থীক পৰিচালনা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১০ জুন ঃ** দুৰ্ধৰ্ষ মাওবাদী নেতা তথা চি পি আই-মাওবাদীৰ কেন্দ্ৰীয় সমিতিৰ সদস্য সব্যসাচী গোস্বামী ওৰফে কিশোৰদা ওৰফে বাবু ওৰফে পংকজ ওৰফে অজয়ে দীৰ্ঘদিন অসমত আত্মগোপন কৰি ইয়াৰ পৰাই দেশজুৰি সাংগঠনিক কাম-কাজ চলাই আহিছে। এই তথ্য হাতত থাকিও কোনো চোৰাংচোৰা সংস্থাই মাওবাদী নেতাজনৰ সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাই। ইয়াৰ পৰিপ্ৰেক্ষিতত গোস্বামীৰ সন্ধান দিওঁতালৈ ১০ লাখ টকাৰ পুৰস্কাৰ



ঘোষণা কৰিছে ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা (এন আই এ)ই। সংস্থাটোৰ গুৱাহাটীৰ কাৰ্যালয়ক তেনে তথ্য দিবলৈ আহ্বান জনোৱা হৈছে। চি পি আই-মাওবাদীৰ অন্যতম কৰ্ণধাৰৰূপে পৰিচিত সব্যসাচী গোস্বামীৰ ঘৰৰ প্ৰকৃত ঠিকনাক লৈও বিভ্ৰান্তি আছে। অৱশ্যে উগ্ৰপন্থী নেতাজনৰ ঘৰ পশ্চিমবংগত বুলি এন আই এৰ হাতত তথ্য আছে। ইপিনে, গোস্বামীৰ বিৰুদ্ধে অসমৰ কাছাৰ আৰক্ষী থানাত এটি গোচৰ ৰুজু হৈ আছে। ইয়াৰ পূৰ্বে তেওঁ কে'বাবাৰো আৰক্ষী আৰু *১০ পৃষ্ঠাত চাওক*

ব্যৱসায়ীক গুলিবৰ্ষণৰ ঘটনাত ধৃত ছয় অভিযুক্তক মুক্তিৰ দাবী

## আলোচনাত ব্যাঘাত জন্মাই ছিণ্ডিকেট চলাবলৈ ষড়যন্ত্ৰ কে এল অ' নেতাৰ

দাবী আৰক্ষী অধীক্ষকৰ



**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ১০ জুন ঃ** কমতাপুৰ লিবাৰেছন অৰ্গেনাইজেচন (কে এল অ')ৰ এটা পক্ষই সংগঠনটোৰে চৰকাৰৰ লগত শান্তি আলোচনাত বহিবলৈ অব্যাহত ৰখাৰ চেষ্টাত বিঘ্নিত ঘটোৱাৰ ষড়যন্ত্ৰত লিপ্ত হৈছে বুলি আজি ইয়াত এক *১০ পৃষ্ঠাত চাওক*

■ জন্মদাত্ৰী মাতৃ বনাম পোহপাল দিয়া মাতৃ ■ বৰপেটা আদালতৰ বৃহৎ ৰায় ■ মৃত সন্তানৰ পৰিৱৰ্তে আদালতে পিতৃ-মাতৃক গতাই দিলে জীৱিত সন্তান ■ নামৰ সাদৃশ্যৰ বাবেই ঘটিল অঘটন


# তিনি বছৰ পাছত ঘূৰাই দিলে সন্তানক

হাস্পতাল কৰ্মী-নাৰ্ছৰ অসাৱধানতাৰ পৰিণতি ■ পুনৰ ডিএনএ পৰীক্ষাৰ দাবী পুত্ৰহাৰাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ/বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**গুৱাহাটী/বৰপেটা/শ্ৰীৰামপুৰ, ১০ জুন ঃ** বৰপেটা জিলাত সংঘটিত এক চৰম দায়িত্বজ্ঞানহীন আচৰণৰ বাবে এগৰাকী জন্মদাত্ৰী মাতৃয়ে তিনি বছৰৰ পাছত দেখিলে সন্তানৰ মুখ। এয়া সম্ভৱ হ'ল ন্যায়ালয়ৰ নিৰ্দেশত। বৰপেটা চিকিৎসা মহাবিদ্যালয়ৰ একাংশ কৰ্মচাৰী আৰু নাৰ্ছৰ ভুলৰ বাবেই মাতৃগৰাকীয়ে তিনি বছৰ ধৰি জন্ম





দিয়া সন্তানৰ মুখ নেদেখাকৈ থাকিবলগীয়া হ'ল। বৰপেটাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে আজি এক ৰায়যোগে মহিলাগৰাকীক তিনি বছৰ পাছত মৃত সন্তানৰ পৰিৱৰ্তে ওভতাই দিলে জীৱিত পুত্ৰ সন্তানটি। ইপিনে, তিনি বছৰ ধৰি এই কণমানি শিশুটিক লালন-পালন কৰি অহা পৰিয়ালটোত এক অতি শোকাকুল আৰু হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। *১০ পৃষ্ঠাত চাওক*



*ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠক অনুষ্ঠিত হ'বলগীয়া নৱনিৰ্মিত কনভেনচন চেণ্টাৰ, তেজপুৰত শুকুৰবাৰে।*

■ মুকলিৰ পূৰ্বে কনভেনচন চেণ্টাৰৰ চিলিঙৰ পৰা পৰিল পানী

## আজি তেজপুৰত কেবিনেট বৈঠক, কৃত্ৰিম বানৰ কবলত বিভিন্ন পথ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১০ জুন ঃ** প্ৰায় এবছৰীয়া অপেক্ষাৰ অন্তত কাইলৈ তেজপুৰত অনুষ্ঠিত হ'ব ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠক। এই উদ্দেশ্যে নিৰ্মাণ কৰা কনভেনচন চেণ্টাৰৰ কাম ইতিমধ্যে সম্পূৰ্ণ হ'লেও গড়কাপ্তানী বিভাগৰ অধীনত নিৰ্মিত ইয়াৰ প্ৰৱেশ পথৰ কাম আজি পৰ্যন্ত সম্পূৰ্ণ হোৱা নাই। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেজপুৰৰ বাটমাৰীত নৱনিৰ্মিত কনভেনচন চেণ্টাৰ কাইলৈ মুকলি কৰিব। ইপিনে, এই চেণ্টাৰৰ সন্মিলন কক্ষৰ ৮১১-৮১৩ টেবুলৰ ওপৰত আজি চিলিঙৰ পৰা পানী পৰে। এই বিষয়টো সাংবাদিকে দৃষ্টিগোচৰ কৰোৱাত উপস্থিত সদৰ ৰাজহ চক্ৰ বিষয়া তৎপৰ হৈ পৰে। তেওঁ এই সমস্যা তৎকালে সমাধানৰ বাবে নিৰ্দেশ দিয়ে যদিও কৰ্মৰত শ্ৰমিকসকলে কয় যে এয়া বৰষুণ নহয় বাতানুকূল যন্ত্ৰৰ পৰা নিগৰা পানীহে। বিগত সময়ছোৱাত যান্ত্ৰিক বিসংগতি *১০ পৃষ্ঠাত চাওক*

■ ছয় জনজাতিকৰণৰ প্ৰসংগত জনগোষ্ঠীসমূহৰ প্ৰকৃত জনসংখ্যা নিৰ্ধাৰণৰ কৌশল চৰকাৰৰ ■ জিলা উপায়ুক্তৰ তত্ত্বাৱধানত মণ্ডল-স্বায়ত্তশাসিত, উন্নয়ন পৰিষদসমূহে চলাব জৰীপ

## ৰাজ্যত শীঘ্ৰে জনগোষ্ঠীয় জনসংখ্যাৰ জৰীপ

ছয় জনগোষ্ঠীয় ঐক্যমঞ্চৰ পৰা সংগঠন হ্ৰাস পোৱাৰ সম্ভাৱনা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১০ জুন ঃ** অসম চৰকাৰে শীঘ্ৰে আৰম্ভ কৰিব জনগোষ্ঠীসমূহৰ জনসংখ্যাৰ জৰীপ। জনজাতি কল্যাণ বিভাগৰ অধীনত আৰম্ভ হ'বলগীয়া এই জৰীপৰ বাবে ইতিমধ্যে প্ৰয়োজনীয় প্ৰ-পত্ৰ আজি প্ৰস্তুত কৰা হৈছে। দিছপুৰৰ শীৰ্ষ সূত্ৰই সদৰী কৰা অনুসৰি, ৰাজ্য চৰকাৰৰ হাতত বৰ্তমানলৈকে জনগোষ্ঠী বিশেষে জনসংখ্যাৰ কোনো তথ্য নাই। সংশ্লিষ্ট জনগোষ্ঠীৰ সংগঠনসমূহে দাবী কৰি অহা সংখ্যাৰ ওপৰত ভিত্তি কৰিয়েই কেতিয়াবা বিভিন্ন কাম-কাজ কৰিবলগীয়া হয়। ফলত প্ৰতিটো জনগোষ্ঠীৰ পৃথকে পৃথকে প্ৰকৃত জনসংখ্যাৰ তথ্য সংগ্ৰহৰ কাৰণে এই চৰকাৰে কাম হাতত লৈছে। উল্লেখ্য যে ৰাজ্যত কোনটো জনগোষ্ঠীৰ জনসংখ্যা কিমান তাৰ প্ৰকৃত তথ্য নথকাৰ ফলত সময়ে সময়ে কেতবোৰ আঁচনি গ্ৰহণৰ সময়ত চৰকাৰ সমস্যাৰ সন্মুখীন হৈ আহিছে। ইয়াৰ উপৰি নিৰ্বাচনৰ সময়ত ৰাজনৈতিক দলসমূহে প্ৰাৰ্থিত্ব *১০ পৃষ্ঠাত চাওক*

## ৰহস্যজনক মৃত্যু যুৱকৰ ঃ পত্নীসহ প্ৰতিবেশী দুই মহিলা ধৃত

**ষ্টাফ ৰিপ'ৰ্টাৰ**


**গুৱাহাটী, ১০ জুন ঃ** মহানগৰীৰ হাতীগাঁৱত কালি অনুপম নাথ নামৰ এজন জমেট'-ছুইগীত কৰ্মৰত যুৱকৰ মৃতদেহ চিপ লোৱা অৱস্থাত নিজৰ ভাড়াঘৰৰ কোঠাত ৰহস্যজনকভাৱে উদ্ধাৰৰ ঘটনাত পত্নীসহ তিনিগৰাকী মহিলাক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। যুৱকজনৰ *১০ পৃষ্ঠাত চাওক*

## স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তৰ ভ্ৰাতৃৰ অকাল বিয়োগ



**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ১০ জুন ঃ** স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তৰ ভ্ৰাতৃ তথা সমাজকৰ্মী ৰাতুল মহন্ত (৪৫)ৰ আজি পুৱা ৮.৩০ বজাত তেজপুৰৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৯° | ২৫° |
| ডিব্ৰুগড় | ২৮° | ২৪° |
| দিল্লী | ৪৩° | ৩১° |
| কলকাতা | ৩৪° | ২৮° |
| মুম্বাই | ৩৩° | ২৮° |
| চেন্নাই | ৩৯° | ২৯° |
| বাংগালুৰু | ২৯° | ২০° |
| শ্বিলং | ২৪° | ১৮° |

১০ জুন, ২০২২

**চেঙা তেল**




*পৰিৱেশ দিৱসৰ ভাষণ দি আহি ছাৰৰ মনত পৰিল যে যোৱাবাৰ দিয়া ভাষণটোকে এইবাৰো পঢ়িলে!*

## পিপিই কিট কেলেংকাৰিক নস্যাৎ কৰিলে মন্ত্ৰী পীযুষে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১০ জুন ঃ** 'কাইলৈ মুখ্যমন্ত্ৰীৰ মুখেৰে এই অঞ্চলৰ



উন্নয়ন সন্দৰ্ভত বহু ভাল কথা শুনিবলৈ পাব।' আজি তেজপুৰৰ আৰৰ্ত ভৱনত এইদৰে মন্তব্য কৰে বিত্তমন্ত্ৰী অজন্তা *১০ পৃষ্ঠাত চাওক*

■ সফলতা ৰাইজে মূল্যাংকন কৰিব ঃ পুৰণি আৰু নতুন বিজেপি বুলি কোনো কথা নাই

## মুখ্যমন্ত্ৰীয়ে কৰ্তন কৰা বন বিভাগৰ সফলতাক লৈ সৰৱ মন্ত্ৰী পৰিমল শুক্লবৈদ্য

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১০ জুন ঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মন্ত্ৰীসভা সম্প্ৰসাৰণৰ লগতে একাংশ মন্ত্ৰীৰ বিভাগৰো সালসলনি কৰাক লৈ প্ৰতিক্ৰিয়া অব্যাহত আছে। বিভাগ হেৰুওৱা মন্ত্ৰীৰ ভিতৰত অন্যতম হ'ল পৰিমল শুক্লবৈদ্য। বন বিভাগটো শুক্লবৈদ্যৰ পৰা কৰ্তন কৰা হয়। বিভাগ কৰ্তনৰ সময়ত কাইলৈৰ কেবিনেট বৈঠকত অংশগ্ৰহণৰ বাবে তেজপুৰত উপস্থিত হোৱা *১০ পৃষ্ঠাত চাওক*



## বাওবাৰীত তিনিটা খুঁটা বহিল ৰেলৰ দলঙৰ



**অগ্ৰদূত বাৰ্তা/অগ্ৰদূত ব্যুৰ'**

**কাজলগাঁও/বঙাইগাঁও, ১০ জুন ঃ** চিৰাং জিলাৰ বিজনী মহকুমাৰ বিজনী আৰু পাতিলাদহা ৰেল ষ্টেচনৰ মাজৰ কুশলাইগুৰী বাওবাৰীত আজি এখন ৰেলৰ দলঙৰ খুঁটা বহি যোৱাত উজনি আৰু নামনিমুৱা *১০ পৃষ্ঠাত চাওক*

■ ট্ৰাইবেল সংঘৰ উদ্যোগত মহানগৰীত জনজাতি অভিৱৰ্তন সম্পন্ন

■ জনজাতিক লক্ষ্য কৰি উচ্ছেদ বন্ধ কৰি পট্টা প্ৰদানৰ দাবী উত্থাপন

## জনজাতিৰ ভূমি সংৰক্ষণ-বেদখল উচ্ছেদৰ দাবীত আন্দোলন ঘোষণা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১০ জুন ঃ** ৰাজ্যৰ খিলঞ্জীয়া ভূমিপুত্ৰ তথা জনজাতিসকলৰ ভূমি সুৰক্ষাৰ লগতে টাইবেল বেল্ট এণ্ড ব্লকত সংঘটিত বেদখল উচ্ছেদৰ দাবীত আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰিছে বিশেষ জনজাতি অভিৱৰ্তনে। সদৌ অসম ট্ৰাইবেল সংঘৰ উদ্যোগত আজি মহানগৰীৰ মাছখোৱাস্থিত অসম সাংস্কৃতিক ন্যাসত অনুষ্ঠিত 'বিশেষ জনজাতি অভিৱৰ্তন'ত এই কাৰ্যসূচী গ্ৰহণ কৰে ৰাজ্যৰ জনজাতীয় *১০ পৃষ্ঠাত চাওক*



■ ঠায়ে ঠায়ে আৰক্ষীলৈ শিল দলিয়ালে প্ৰতিবাদকাৰীয়ে ■ আৰক্ষীৰ শূন্যলৈ গুলিচালনা-কন্দুৱা গেছ নিক্ষেপ ■ দিল্লী জামা মছজিদৰ সন্মুখত প্ৰতিবাদ ■ ৰাঁচিত সান্ধ্য আইন ■ প্ৰতিবাদকাৰীয়ে জ্বলালে যানবাহন-আৰক্ষী আহত

## পয়গম্বৰৰ সন্দৰ্ভত অসন্মানজনক মন্তব্যৰ বিৰুদ্ধে প্ৰতিবাদ-উত্তেজনা





■ **নিউজ ব্যুৰ'**

**নতুন দিল্লী, ১০ জুন ঃ** হজৰত মহম্মদ সন্দৰ্ভত বিজেপিৰ নিলম্বিত মুখপাত্ৰ নূপুৰ শৰ্মা আৰু দলৰ বহিষ্কৃত নেতা নবীন জিন্দালৰ অসন্মানজনক মন্তব্যক লৈ আন্তৰ্জাতিক পৰ্যায়ত ক্ষোভ অব্যাহত থকাৰ সময়তে দিল্লী, ৰাঁচি আৰু উত্তৰ প্ৰদেশৰ কেতবোৰ চহৰত আজি ব্যাপক প্ৰতিবাদ সাব্যস্ত হয়। দিল্লীত জামা মছজিদৰ বাহিৰত শুকুৰবৰীয়া জুম্মা নামাজৰ অন্তত প্ৰতিবাদ সাব্যস্ত কৰি প্ৰতিবাদকাৰীয়ে শৰ্মাক গ্ৰেপ্তাৰৰ দাবী তোলে। প্ৰায় এঘণ্টা পাছত প্ৰতিবাদী কাৰ্যসূচীৰ সামৰণি পৰে। জামা মছজিদৰ শ্বাহী ইমামে কৰ্তৃপক্ষক জনোৱা মতে, তেওঁলোকে এই প্ৰতিবাদী কাৰ্যসূচীৰ আহ্বান জনোৱা নাছিল। তেওঁ কয়, 'কোনে আৰম্ভ কৰিলে আমি নাজানো। কিছুমান মানুহে নামাজৰ পাছত শ্ল'গান দি চিঞৰিবলৈ ধৰে আৰু বৃহৎ সংখ্যক লোক জমা হয়। অৱশ্যে *১০ পৃষ্ঠাত চাওক*

কেন্দ্ৰীয় চৰকাৰৰ বিভাগ-নিৰপেক্ষ সংস্থাৰ দ্বাৰা প্ৰত্যক্ষ পৰ্যবেক্ষণ

■ প্ৰত্যাশাপূৰ্ণ জিলাৰ অগ্ৰগতিক লৈ বিশেষভাৱে তৎপৰ চৰকাৰ

## উন্নয়নৰ ভুৱা ছবি! কেন্দ্ৰীয় মন্ত্ৰীৰ প্ৰতিবেদনৰ লগত মিল নাই ৰাজ্যৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১০ জুন ঃ** নৰেন্দ্ৰ মোদী চৰকাৰৰ অষ্টম বৰ্ষপূৰ্তি আৰু আগন্তুক লোকসভা নিৰ্বাচনলৈ মাজত মাত্ৰ দুবছৰ থকাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যবোৰৰ আঁচনি ৰূপায়ণৰ কাম-কাজ কেন্দ্ৰই নিজে পৰ্যবেক্ষণৰ দায়িত্ব লৈছে। প্ৰধানকৈ কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহ প্ৰকৃততে কিদৰে ৰাজ্যবোৰে ৰূপায়ণ কৰিছে, জনসাধাৰণ এইবোৰৰ দ্বাৰা প্ৰকৃততে কিমান লাভৱান হৈছে, সেই সকলোবোৰৰ পুংখানুপুংখ পৰ্যবেক্ষণ কৰিবলৈ দিল্লীয়ে ইতিমধ্যে প্ৰক্ৰিয়া ক্ষিপ্ৰতৰ কৰি তুলিছে। এই সন্দৰ্ভত অসম চৰকাৰৰ উচ্চস্তৰীয় সূত্ৰই সদৰী কৰা অনুসৰি, কেৱল ৰাজ্যবোৰৰ তথ্যৰ ওপৰতে কেন্দ্ৰই আস্থা ৰাখিব বিচৰা নাই। কাৰণ বহু সময়ত ৰাজ্যই ভুল তথ্য কেন্দ্ৰক দাখিল কৰি আহিছে। বিশেষকৈ আঁচনি ৰূপায়ণ আৰু সেইবোৰে জনসাধাৰণৰ ওপৰত পেলোৱা ইতিবাচক প্ৰভাৱৰ তথ্য বহু সময়ত ৰাজ্যই অতিৰঞ্জিতভাৱে কেন্দ্ৰক দাখিল কৰে। তাৰ বিপৰীতে বিভিন্ন *১০ পৃষ্ঠাত চাওক*

## সকলো সদস্যৰ বিধায়ক পুঁজিৰ ধনৰ ব্যৱহাৰ পৰীক্ষাৰ দাবী ৰূপজ্যোতিৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১০ জুন ঃ** বিধায়ক পুঁজিৰ ধনৰ সদ্ব্যৱহাৰক লৈ প্ৰতিজন বিধায়কৰ কাম-কাজ পৰীক্ষাৰ দাবী উত্থাপন কৰিছে মৰিয়নিৰ বিজেপি বিধায়ক *১০ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী শনিবাৰ ২৭ জেঠ ১৪২৯ ভাস্কৰাব্দ ১১ জুন ২০২২

# পথ ব্যৱসায়ীক উচ্ছেদ

গুৱাহাটী পৌৰ নিগমে পদপথৰ ব্যৱসায়ৰ বিৰুদ্ধে অভিযান চলাব বুলি ঘোষণা কৰাৰ পাছত ক্ষুদ্ৰ ব্যৱসায়ীসকলে ইয়াৰ তীব্ৰ বিৰোধিতা কৰিছে। পথ ব্যৱসায়ী সংস্থা, অসমে অভিযোগ কৰিছে যে পুৱাৰে পৰা কঠোৰ পৰিশ্ৰম কৰি দৈনিক জীৱন সংগ্ৰাম চলাই অহা পদপথৰ ব্যৱসায়ীসকলৰ জীৱিকাৰ অন্তিম সম্বলকণো পৌৰ নিগমে কাঢ়ি নিব বিচাৰিছে। পদপথৰ ব্যৱসায়ীৰ সংস্থাটোৱে প্ৰথমে পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিহে পথৰ কাষৰ ব্যৱসায়ীক উচ্ছেদ কৰিবলৈ নিগমক দাবী জনাইছে। মেয়ৰ মৃগেন শৰণীয়াৰ নেতৃত্বত নতুনকৈ পৌৰ নিগম গঠনৰ পাছতে নিগমে ঘোষণা কৰিছিল যে গুৱাহাটীৰ পথ আৰু পদপথসমূহক ব্যৱসায়ীৰ দখলমুক্ত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। সেই অনুসৰি ইতিমধ্যে নিগমে মহানগৰীৰ অঞ্চলবিশেষে পথ আৰু পদপথত থকা অবৈধ বিপণীসমূহ উচ্ছেদৰ অভিযান আৰম্ভ কৰিছে। পৌৰ নিগমৰ এই পদক্ষেপৰ পাছতে মহানগৰীৰ ক্ষুদ্ৰ ব্যৱসায়ীসকলে প্ৰতিবাদ আৰম্ভ কৰিছে। পথ ব্যৱসায়ী সংস্থাই কৈছে যে নিগমে নীতি বহিৰ্ভূতভাৱে ক্ষুদ্ৰ ব্যৱসায়ীৰ দোকান-পোহাৰসমূহ ভাঙি দিছে আৰু এই অভিযান বন্ধ নকৰিলে তেওঁলোকে জীৱিকাৰ অধিকাৰৰ দাবীত আন্দোলন ব্যাপক কৰি তুলিব। এইদৰে এতিয়া পথ আৰু পদপথত ব্যৱসায় কৰাক লৈ পৌৰ নিগম আৰু ক্ষুদ্ৰ ব্যৱসায়ীৰ মাজত এক সংঘাতে দেখা দিছে।

পদপথৰ ব্যৱসায়ক লৈ উদ্ভৱ হোৱা সমস্যাটো গুৱাহাটীৰ বাবে নতুন নহয়। পূৰ্বৰে পৰা সময়ে সময়ে এই সমস্যাটোৱে বিতৰ্কৰ সৃষ্টি কৰি আহিছে। দৰাচলতে যেতিয়াই প্ৰশাসনে পথ আৰু পদপথসমূহক দখলমুক্ত কৰাৰ পদক্ষেপ গ্ৰহণ কৰে, তেতিয়াই এই বিতৰ্কৰ সৃষ্টি হয়। সম্প্ৰতি গুৱাহাটীৰ প্ৰায়বোৰ পথ আৰু পদপথ ব্যৱসায়ীয়ে দখল কৰাটো সকলোৱে প্ৰত্যক্ষ কৰি আহিছে। ব্যস্ত পদপথ দখল কৰি একাংশ ব্যৱসায়ীয়ে বজাৰ বা বিপণী মুকলি কৰিছে আৰু ৰাইজেও এনেবোৰ বিপণীত ভিৰ কৰি আহিছে। ফলত পদপথৰ লগতে পথত যাতায়াতৰ ক্ষেত্ৰত নানা আহুকালে দেখা দিছে। মহানগৰীত এতিয়া এনে বহু পদপথ আছে যিসমূহ ব্যৱসায়ীয়ে সম্পূৰ্ণকৈ দখল কৰাত ৰাইজে মূল পথত বিপজ্জনকভাৱে খোজ কাঢ়িবলৈ বাধ্য হৈছে। ফাঁচী বজাৰ, পল্টন বজাৰ, গণেশগুৰি, বেলতলা, লালগণেশ প্ৰভৃতি অঞ্চলত এতিয়া নামতহে পদপথসমূহ আছে, ব্যৱসায়ীৰ অবৈধ দখলৰ ফলত পদপথেদি যাত্ৰা কৰাটো প্ৰায় অসম্ভৱ হৈছে। কেৱল পদপথে নহয়, মহানগৰীৰ প্ৰায়বোৰ অঞ্চলৰ ব্যস্ত মূলপথৰ দুয়ো কাষৰ এক বৃহৎ অংশ এতিয়া ক্ষুদ্ৰ ব্যৱসায়ীয়ে দখল কৰাত যান-জঁটৰ সমস্যাটোৱে দিনক দিনে অধিক ভয়াৱহ ৰূপ ধাৰণ কৰিছে। এনে এক বিশৃংখল পৰিস্থিতিত পৌৰ নিগমে পথ আৰু পদপথ অবৈধ দখল মুক্ত কৰাৰ পদক্ষেপ গ্ৰহণ কৰাটো নিতান্তই এক সঠিক সিদ্ধান্ত। অৱশ্যে একে সময়তে ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ পুনৰ সংস্থাপন আৰু বজাৰ ব্যৱস্থাপনাৰ দিশটোৰ প্ৰতিও নিগমে গুৰুত্ব আৰোপ কৰিব লাগিব।

দৰাচলতে মহানগৰীত বজাৰ ব্যৱস্থাপনাৰ ক্ষেত্ৰত পৌৰ নিগমে কোনো বাস্তৱসন্মত সুপৰিকল্পনা আজিলৈকে গ্ৰহণ নকৰাৰ পৰিণতিতে ব্যৱসায়ৰ স্থানৰ অভাৱত ব্যৱসায়ীয়ে পথ আৰু পদপথতে বজাৰ মুকলি কৰাৰ সুযোগ লাভ কৰিছে। নিগমে আজিলৈকে একোখন সুনিৰ্দিষ্ট বজাৰ মহানগৰবাসীক দিবলৈ সক্ষম নোহোৱাৰ কাৰণ কি? পৌৰ নিগমৰ যিকেইখন বজাৰ বা বজাৰ গৃহ আছে, সেইসমূহ পৰিত্যক্ত অথবা কোনো ব্যৱসায়ীৰ গুদাম ঘৰত পৰিণত হ'ল কিয়? বজাৰৰ সুব্যৱস্থা নিগমে নকৰাত মহানগৰৰ বাটে-পথে যধে-জধে নানা বিপণী স্থাপন হৈছে আৰু ৰাইজেও বজাৰ-সমাৰ কৰিছে। প্ৰকাশিত তথ্য অনুসৰি, গুৱাহাটীত কমেও ২০ হেজাৰ পথ ব্যৱসায়ী আছে। নিগমে হঠাৎ উচ্ছেদ অভিযান আৰম্ভ কৰাত এইসকল ক্ষুদ্ৰ ব্যৱসায়ীয়ে হাহাকাৰ কৰাটো স্বাভাৱিক। নিগমে প্ৰথমে পথ ব্যৱসায়ীৰ বাবে 'ভেণ্ডিং জ'ন' স্থাপন কৰি তাৰ পাছতহে উচ্ছেদ অভিযান চলোৱা উচিত হ'ব। গুৱাহাটীত থকা উৰণীয়া সেতুৰ তলতো 'ভেণ্ডিং জ'ন' স্থাপন কৰি পথ ব্যৱসায়ীক সংস্থাপিত কৰিব পাৰি। ২০১৫ বৰ্ষতে পৌৰ নিগমে টাউন ভেণ্ডিং সমিতি গঠন কৰি আজিলৈকে এটাও 'ভেণ্ডিং জ'ন' স্থাপন নকৰিলে বুলি যি অভিযোগ পথ ব্যৱসায়ী সংস্থাই উত্থাপন কৰিছে, সেয়া চিন্তনীয়। ২০১৪ তে কেন্দ্ৰীয় চৰকাৰে পথ ব্যৱসায়ীৰ সুৰক্ষাৰ বাবে আইন প্ৰৱৰ্তন কৰিছিল। এই আইনৰ অধীনত পথ ব্যৱসায়ীয়ে ব্যৱসায়ৰ বিকল্প সুবিধা দাবী কৰিব পাৰিব। অৱশ্যে ক্ষুদ্ৰ ব্যৱসায়ীয়ে মনত ৰখা উচিত যে পথ আৰু পদপথ যাতায়াতৰ বাবেহে, এয়া ব্যৱসায়ৰ স্থান নহয়। গুৱাহাটীক পৰিকল্পিত মহানগৰীৰূপে গঢ়িব বিচাৰিলে পথ-পদপথ দখলমুক্ত কৰাৰ লগতে ক্ষুদ্ৰ ব্যৱসায়ীৰ ক্ষতি নকৰাকৈ নিগমে বজাৰ ব্যৱস্থাপনা উন্নত কৰক।

## খোলা মঞ্চ

# এইবেলি বিহু মঞ্চৰ ঐতিহ্য ৰক্ষা কৰা হৈছেনে?



কৃষ্টি সংস্কৃতিয়েই এটা জাতিৰ পৰিচয়। এই অসম নামৰ ভূ-খণ্ডটি বিভিন্ন জাতি-জনজাতিৰে পৰিৱেষ্টিত আৰু তেওঁলোক মূলতঃ আছিল কৃষিজীৱী। অসমৰ তিনিটা বিহুৰ ভিতৰত ব'হাগ বিহুটোৱেই মুখ্য। অতীতত বিহু পালন কৰিছিল শ্ৰমজীৱী চহা কৃষকে। শস্য উৎপাদনৰ বাবে মুনিহ তিৰোতা সকলোৱে মিলি বসন্ত কালত প্ৰকৃতিৰ মুক্ত পৰিৱেশত গছ তলত নৃত্যগীত কৰিছিল, কালক্ৰমত ই বিহুৰ ৰূপ ল'লে, বিহু হ'ল স্বতঃস্ফূৰ্তভাৱে আনন্দ কৰা এক উৎসৱ, অসমত বসবাস কৰা সকলো জাতি, জনজাতি, উপজাতি বিভিন্ন ধৰ্মৰ প্ৰতিজন লোকৰ বাবে বিহুটি অতিকৈ আদৰৰ।

সময়ৰ সোঁতত এই পথাৰৰ বিহু আহি মঞ্চ পাইছিলহি। যিসকলে এই ক্ষেত্ৰত আগভাগ লৈছিল তেওঁলোক তেতিয়া সমালোচনাৰ সন্মুখীন হ'ব লগা হৈছিল পথাৰৰ বিহুক মঞ্চলৈ আদৰি অনাত আপত্তি আছে বুলি নাভাবো, কাৰণ গতিশীল সংস্কৃতিহে বৰ্তি থাকে। লতাশিল বিহুখনকে অসমৰ প্ৰথম মঞ্চ বিহু বুলি মানি লোৱা হয়। পিছে বহুতৰ বাবে ব'হাগ হৈ পৰিছে এটা ব্যৱসায়িক মাহ। বিহু উদ্‌যাপন সমিতিবোৰে চান্দা নামৰ অপসংস্কৃতিৰ গৰাহত পৰি বিহুৰ প্ৰকৃত মান-মৰ্যাদা লাঘৱ কৰি পেলাইছে, আজিৰ দৰ্শক-শিল্পী-কলা কুশলী সকলোৰে ৰুচিবোধৰ পৰিৱৰ্তন ঘটিল। শিল্পীসকলৰ সাজ-সজ্জাই বেলেগ ৰূপ ল'লে। ৰঙী-বিৰঙী লাইটেৰে মঞ্চ সজাই-পৰাই তোলা হ'ল। বিহু সন্মিলনবোৰ সাংস্কৃতিক সন্ধিয়ালৈ পৰিৱৰ্তন হ'ল।

**অঞ্জলি হাজৰিকা**, লেখিকা

তাহানিৰ বিহু মঞ্চত ড° ভূপেন হাজৰিকা, খগেন মহন্ত, ৰামেশ্বৰ পাঠক, অণিমা চৌধুৰী আদিৰ দৰে স্বনামধন্য ব্যক্তিসকলে সীমিত বাদ্যযন্ত্ৰৰে গীত পৰিৱেশন কৰি শ্ৰোতা-দৰ্শকক আপ্লুত কৰি ৰাখিছিল। সকলোৱে শান্ত হৈ অনুষ্ঠান উপভোগ কৰিছিল; কিন্তু আজি কিছু বছৰৰ পৰা যেন বিহুক ক্ৰমে ক্ৰমে বৰবিহুলৈ পৰ্যবেক্ষিত কৰা পৰিলক্ষিত হৈছে কিছু লোকৰ দ্বাৰা।

শিল্পী সকলৰো কিছুমানৰ অদ্ভুত আচৰণ আৰু বেশভূষাই চিন্তাশীল লোকসকলক বিবুধিত পেলাইছে। কিছু শিল্পীয়ে কণ্ঠৰ তালে তালে নৃত্য কৰি দৰ্শকক সহযোগৰ বাবে প্ৰৰোচিত কৰে লগতে বিহুৰ লগত সম্পৰ্ক নথকা উচ্চ স্বৰৰ বাদ্যযন্ত্ৰই যুৱ চামক মতলীয়া কৰে, তেওঁলোক হিতজ্ঞান হৈ উদ্দাম নৃত্য কৰে।

তদুপৰি কিছুমান উদণ্ড যুৱকে সুৰাৰ ৰাগিত মতলীয়া হৈ মঞ্চৰ গীতৰ তালে তালে বোকাত লুতুৰি-পুতুৰি হৈ অবাঞ্চিত নৃত্য কৰি জাতীয় সংস্কৃতিক অপমান কৰিছে। লগতে নৈতিকতাহীন আচৰণেৰে উদ্ভণ্ডালি কৰি চকী-টেবুল, মঞ্চৰ আচবাব আদি ভাঙি চূৰ্ণাকৃত কৰিছে। অসমৰ যিকোনো ঠাইৰ বিহু মঞ্চত এই আচৰণ দেখিবলৈ পোৱা গ'ল। এই আচৰণে জাতীয় সংস্কৃতিৰ মান বহুলাংশে লাঘৱ কৰিছে। কোনো শিল্পীয়ে মঞ্চত শুই, খুঁটাত বগাই গীত পৰিৱেশন কৰি নৱ প্ৰজন্মক উদ্ভণ্ডালিৰ চৰম সীমাত উপনীত কৰাই মঞ্চ বিহুক এক বিপৰ্যয়ৰ দিশলৈ পৰ্যবেশিত কৰা হৈছে। বিহুৰ স্বকীয়তাই যদি নাথাকে থাকিবনো কি? আমাৰ চহকী কৃষ্টি সংস্কৃতিৰ কথা উপলব্ধি কৰি অপসংস্কৃতি ৰোধ কৰাৰ বাবে পণ লোৱাৰ সময় আহি পৰিছে।

ফোন ঃ ৯৪৩৫৩৪৯৯৮৪

# কথাছবি নিৰ্মাণত কাৰিকৰী মানসিকতা

## ড° ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী ফিল্ম আৰু টেলিভিছন প্ৰতিষ্ঠানৰ অভিনৱ উদ্যম

সাম্প্ৰতিক কালত চলচ্চিত্ৰ আৰু টেলিভিছনৰ কাৰ্যসূচী মাথোন মনোৰঞ্জনৰ আহিলা হৈয়েই থকা নাই। চলচ্চিত্ৰ শিল্প হৈ পৰিছে এক বৃহৎ উদ্যোগ। উৎকৃষ্ট মানৰ সম্পদ এই উদ্যোগত জড়িত হৈ আছে। প্ৰকাৰান্তৰে বিকাশৰ কাৰ্যসূচীত চলচ্চিত্ৰ শিল্প হৈছেগৈ উদ্যম আৰু গণ-মাধ্যমৰো উৎস। সেয়েহে কথাছবি নিৰ্মাণত জড়িত হৈ থকা কলা-কুশলীসকলৰ কাৰিকৰী মানসিকতা আৱশ্যকীয়। সেই দৃষ্টিৰে ড° ভূপেন হাজৰিকাৰ নামত উৎসৰ্গিত অসম চৰকাৰৰ আঞ্চলিক ফিল্ম আৰু টেলিভিছন প্ৰতিষ্ঠানটোৱে অলপতে অনুষ্ঠিত কৰা 'কথাছবি নিৰ্মাণত কাৰিকৰী মানসিকতা' শীৰ্ষক চাৰিদিনীয়া সন্মিলনখন এটা অভিনৱ উদ্যম বুলিয়েই ক'ব লাগিব।




অৱশ্যে এইটোও সঁচা যে কথাছবি নিৰ্মাণৰ বাবে আৱশ্যকীয় বিভিন্ন বিষয়ৰ আনুষ্ঠানিক শিক্ষা প্ৰদান কৰি অহা শিক্ষানুষ্ঠান 'ড° ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী ফিল্ম আৰু টেলিভিছন প্ৰতিষ্ঠান'ৰ বিষয়ে অনেক সচেতন নাগৰিকৰো বিশেষ ধাৰণা নাই। অথচ প্ৰতিষ্ঠানটো অসমৰে নহয়, ভাৰতৰ ভিতৰতে ৰাজহুৱা খণ্ডৰ প্ৰথম ফিল্ম আৰু টেলিভিছন প্ৰতিষ্ঠান। ১৯৯৯ ৰে পৰা এতিয়ালৈকে এই শিক্ষানুষ্ঠানৰ পৰা ১৮ টা ছাত্ৰৰ দলে শিক্ষা সম্পূৰ্ণ কৰি ওলাইছে; প্ৰাক্তন ছাত্ৰসকলৰ অনেকে বিভিন্ন শিল্প-উদ্যোগ তথা সাংস্কৃতিক প্ৰতিষ্ঠানত প্ৰতিষ্ঠা লাভ কৰাই নহয়, ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় মঞ্চতো সুখ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। কোনো কোনোৱে আন্তঃৰাষ্ট্ৰীয় কথাছবি মহোৎসৱত উৎকৃষ্টতাৰ বঁটা লাভ কৰিছে; ৰাষ্ট্ৰপতিৰ পুৰস্কাৰ লাভ কৰা প্ৰাক্তন ছাত্ৰৰ সংখ্যাও নিচেই কম নহয়।

লক্ষ্যণীয় যে প্ৰতিষ্ঠানটোত অভিনয় (Applied Acting), সম্পাদনা (Film and video Editing), চিত্ৰগ্ৰহণ (Motion Picture Photography) আৰু শব্দ গ্ৰহণ (Audiography and Sound Engineering) বিষয়ত ডিপ্ল'মা পাঠ্যক্ৰমৰ পাঠদান কৰা হয়, পাঠ্যক্ৰমসমূহ 'সৰ্বভাৰতীয় কাৰিকৰী শিক্ষা পৰিষদ'ৰ স্বীকৃতিপ্ৰাপ্ত। এনে পটভূমিত 'চলচ্চিত্ৰ নিৰ্মাণত কাৰিকৰী মানসিকতা' বিষয়ক সন্মিলনখন প্ৰতিষ্ঠানটোৰ বৌদ্ধিক উত্তৰণৰ অন্যতম প্ৰয়াস বুলি চিহ্নিত কৰিব পাৰি। সন্মিলনত গুৱাহাটী বিশ্ববিদ্যালয়, কটন বিশ্ববিদ্যালয়, পূব কামৰূপ কলেজ, শৰাইঘাট কলেজৰ একাংশ চলচ্চিত্ৰ প্ৰেমী শিক্ষক-ছাত্ৰৰ উপৰি চুবুৰীয়া ৰাজ্যৰ কে'বাগৰাকী গৱেষকে অংশগ্ৰহণ কৰিছিল। 'সৰ্বভাৰতীয় কাৰিকৰী শিক্ষা পৰিষদ'ৰ সহযোগত আয়োজিত সন্মিলনখনৰ প্ৰাসংগিকতাও তাতেই।

অৱশ্যে সন্মিলনখনক 'সন্মিলন' নুবুলি আলোচনা চক্ৰ বা কৰ্মশালা ৰূপেহে চিহ্নিত কৰিব পাৰি। কাৰণ চাৰিদিনীয়া সন্মিলনখনৰ বিভিন্ন সত্ৰত ভালেমান ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন পাৰদৰ্শী ব্যক্তিয়ে ভিন ভিন বিষয়ৰ বিশ্লেষণ আগবঢ়াইছে। তেওঁলোকৰ ভিতৰত অনুপ মুখোপাধ্যায়, শ্ৰীনিৱাস সান্তনম আৰু অভিজিৎ দাসৰ নাম বিশেষভাৱে উল্লেখযোগ্য। অসমৰ স্বনামধন্য চিত্ৰনিৰ্মাতা মঞ্জু বৰা আৰু আইমী বৰুৱাও ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিছিল। তদুপৰি চলচ্চিত্ৰ নিৰ্দেশক কেনী বসুমতাৰী, জয়চেং দহোতীয়া, অভিনেত্ৰী চেতনা দাস, নিৰ্দেশক ৰঞ্জিত দাস আৰু গুৱাহাটী চিনে ক্লাবৰ সম্পাদক মাধুৰিমা বৰুৱা সেনৰ যোগদানে সন্মিলনখন সাৰ্থক কৰি তুলিছিল।

বোলছবি শিল্পৰ স'তে বিজ্ঞান আৰু প্ৰযুক্তিৰ সম্বন্ধ নতুন নহয়। তাহানিৰ হলিউদৰ ছবিবোৰে বিশ্বজুৰি জনপ্ৰিয়তা অৰ্জন কৰাৰ অন্যতম কাৰণ আছিল কাৰিকৰী দিশৰ চমক। আজিও শব্দ গ্ৰহণেই হওক বা চিত্ৰগ্ৰহণ অথবা সম্পাদনা, সকলোতে কাৰিকৰী কৰ্ম-কুশলতাই বহু পৰিমাণে সফলতাৰ মান নিৰ্ণয় কৰে। অৱশ্যে বিজ্ঞান আৰু প্ৰযুক্তিৰ ন ন উদ্ভাৱনৰ পৰিপ্ৰেক্ষিতত কাৰিকৰী কৌশলসমূহৰো নিতৌ উত্তৰণ ঘটি আছে। এতিয়া একবিংশ শতিকাৰ তৃতীয় দশকৰ আৰম্ভণিতে তথা-প্ৰযুক্তিৰ আমূল ৰূপান্তৰণৰ পৰিপ্ৰেক্ষিতত চলচ্চিত্ৰ নিৰ্মাণত প্ৰযুক্তিগত অৱদানসমূহৰ প্ৰয়োগ অৱধাৰিত হৈ পৰিছে। চলচ্চিত্ৰ



**বিক্ষিপ্ত চিন্তা**

**ড° জয়কান্ত শৰ্মা**

নিৰ্মাণত কাৰিকৰী মানসিকতা অবিহনে কোনেও সফল ছবি উপহাৰ দিয়াৰ কল্পনাও কৰিব নোৱাৰে।

এই সন্দৰ্ভত চাৰি জুনৰ উদ্বোধনী অনুষ্ঠানতে প্ৰতিষ্ঠানৰ ভাৰপ্ৰাপ্ত সঞ্চালক ড° দেৱজিৎ খনিকৰে (তেওঁ অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ সঞ্চালক) এটা সুন্দৰ বিশ্লেষণ আগবঢ়ালে। ক'বলৈ গ'লে তেওঁৰ ভাষণটোৱে বিষয়টোৰ সামগ্ৰিক প্ৰেক্ষাপট ব্যাখ্যা কৰিছিল। উদ্বোধনী অনুষ্ঠানত যশস্বী চিত্ৰনিৰ্মাতা মঞ্জু বৰাই ছবি নিৰ্মাণৰ সন্দৰ্ভত নিজৰ অভিজ্ঞতাৰ ভিত্তিত ভালেমান প্ৰসংগ উত্থাপন কৰে। যেনে চিত্ৰগ্ৰহণৰ বাবে পূৰ্বতে ছবি নিৰ্মাতাই উপযুক্ত স্থান বিচাৰি ফুৰিবলগীয়া হৈছিল; তাৰ মাজত অনেক বিপদ-বিঘিনিৰ সম্ভাৱনাও আছিল; তাকে লৈ সংঘটিত হৈছিল কত যে ঘটনা-দুৰ্ঘটনা-পৰিঘটনা; কিন্তু আজিৰ চিত্ৰ নিৰ্মাতাই ষ্টুডিঅ'ৰ ভিতৰতে বিভিন্ন পৰিৱেশৰ সৃষ্টি কৰিব পাৰে প্ৰযুক্তিৰ সহায়ত; ড্ৰোণৰ জৰিয়তে বিপদ-সংকুল অঞ্চলতো চিত্ৰগ্ৰহণ কৰিব পাৰে, সকলোবোৰ ষ্টুডিঅ'ত বহিয়েই হয়। এনেবোৰ সম্ভাৱনালৈ লক্ষ্য ৰাখিহে চিত্ৰ নিৰ্মাতাই ছবিৰ পৰিকল্পনা কৰিব লাগে।

সন্দেহ নাই, প্ৰযুক্তিয়ে কথাছবিৰ বিতৰণ আৰু পৰিৱেশনতো নতুন সুযোগ আনি দিছে। পূৰ্বতে এখন কথাছবিৰ 'ৰীল' এখন দেশৰ পৰা আনখন দেশলৈ পঠিয়াওঁতে বহুতো জটিল সমস্যাৰ সৃষ্টি হৈছিল, আজি-কালি ইণ্টাৰনেটৰ মাধ্যমতে সেইবোৰ নিৰাপদে পঠিয়াব পৰা হ'ল; আনকি ম'বাইলটোতে কে'বাখনো কথাছবি সংৰক্ষণ কৰি থ'ব পৰা যায়। আকৌ আজি-কালি ছবি গৃহতকৈও কথাছবিৰ প্ৰদৰ্শন অন্যান্য মঞ্চত সহজলভ্য হ'ল। ছবি নিৰ্মাতাই সেইবোৰ দিশ আওকাণ কৰিব নোৱাৰে।

জটিল সমস্যাটো সৃষ্টি হয় কথাছবিখনৰ ব্যৱসায়িক সফলতাক লৈ। কাহিনীৰ বৈচিত্ৰ্য, উপস্থাপনৰ অভিনৱ কৌশল তথা নিহিত থকা সামাজিক বাৰ্তা আৰু আঞ্চলিক চৰিত্ৰৰ ওপৰত ভিত্তি কৰি এখন কথাছবিয়ে বঁটা লাভ কৰিব পাৰে; কিন্তু ছবি নিৰ্মাণত বিনিয়োগ কৰা ধন হাতলৈ ঘূৰি আহিব নে নাহে? সেইটো দিশ উপেক্ষা কৰি চলিলে ছবি নিৰ্মাণ কৰাটো এটা দাঙিব নোৱাৰা বোজাৰূপে পৰিগণিত হয়। আকৌ কোনো কোনো নিৰ্মাতাই মাথোন ছবিৰ কাহিনী আৰু কাহিনীৰ সামাজিক মহত্ত্বৰ প্ৰতি দৃষ্টি ৰাখিয়েই চলচ্চিত্ৰ নিৰ্মাণ কৰিবলৈ গৈ শব্দগ্ৰহণ আৰু পোহৰ ব্যৱস্থাপনাৰ দৰে কাৰিকৰী দিশবোৰ দায়িত্বহীনভাৱে উপেক্ষা কৰা পৰিলক্ষিত হয়। কাৰিকৰী মানসিকতাৰ এনে দৈন্য পুতৌজনক।

সন্মিলনীৰ উদ্বোধনী অনুষ্ঠানত অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ অতিৰিক্ত সচিব মণিদীপা বৰকটকীও উপস্থিত আছিল। ড° ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী ফিল্ম আৰু টেলিভিছন প্ৰতিষ্ঠানৰ পৰিচালন পৰিষদৰ অধ্যক্ষৰূপে এই লেখকেও তাত দুআষাৰ ক'বলগীয়া হৈছিল; কিন্তু এই ক্ষেত্ৰত আমাৰ দৰে ব্যক্তিৰ জ্ঞান তেনেই সীমিত। ভাল ছবি চোৱা আৰু সাধাৰণ লোকৰ দৃষ্টিৰে সেইবোৰৰ গুণাগুণৰ বিচাৰ কৰাতেই আমাৰ পৰিসৰৰ সীমাবদ্ধতা; কিন্তু বিশ্বত প্ৰযুক্তিয়ে কেনে পৰিৱৰ্তন আনি দিছে সেইটো সাধাৰণ লোকেও প্ৰত্যক্ষ নকৰাকৈ থকা নাই। এতিয়া বিশ্বজুৰি কৃত্ৰিম বুদ্ধিমত্তাৰ ৰব'টে মানৱ সম্পদৰ বিকল্পৰূপে থিয় দিছে; এনে পৰিৱৰ্তনে কথাছবি নিৰ্মাণকো নতুন গতিপথ অৱশ্যেই দিব।

সন্দেহ নাই, আমাৰ ফিল্ম আৰু টেলিভিছন প্ৰতিষ্ঠানটোত ছাত্ৰ-ছাত্ৰীৰ বাবে সকলো অত্যাধুনিক সা-সৰঞ্জাম উপলব্ধ হৈছে; কাইলৈ হয়তো তাতোকৈ উন্নত সা-সৰঞ্জামৰ প্ৰয়োগো তেওঁলোকে শিকিব। কথাছবি নিৰ্মাণৰ পাঠ ল'বলৈ অহা বিদ্যাৰ্থীসকল প্ৰতিভাৱান, সৃষ্টিশীল আৰু ন ন কৌশল গ্ৰহণ কৰিবলৈ তেওঁলোক আগ্ৰহী; কিন্তু তেওঁলোকৰ কাৰিকৰী মানসিকতা গঢ়ি উঠিব লাগিব, যাতে আমাৰ ইয়াতো নতুন প্ৰজন্মৰ সা-সঁজুলিবোৰৰ সফল প্ৰয়োগ হ'ব পাৰে। সেই দৃষ্টিৰে সন্মিলনখনৰ গুৰুত্ব অপৰিসীম। কাৰণ কৃত্ৰিম বুদ্ধিমত্তাৰ যুগত এখন ভাল ছবি নিৰ্মাণ কৰাটো সৰু প্ৰত্যাহ্বান নহয়।

চলচ্চিত্ৰ নিৰ্মাণ হ'ল কিছুমান লোকৰ বাবে নিজৰ ধ্যান-ধাৰণা তথা আৱেগক চিত্ৰায়নৰ জৰিয়তে দৰ্শকৰ সমুখত দাঙি ধৰাৰ বৌদ্ধিক দায়বদ্ধতা। দায়বদ্ধতা নথকা লোকে ছবি নিৰ্মাণ কৰিব নোৱাৰে।

**চলচ্চিত্ৰ নিৰ্মাণ হ'ল কিছুমান লোকৰ বাবে নিজৰ ধ্যান-ধাৰণা তথা আৱেগক চিত্ৰায়নৰ জৰিয়তে দৰ্শকৰ সমুখত দাঙি ধৰাৰ বৌদ্ধিক দায়বদ্ধতা। দায়বদ্ধতা নথকা লোকে ছবি নিৰ্মাণ কৰিব নোৱাৰে**

তেওঁলোকৰ কোনো এটা ঘটনা বা পৰিঘটনাৰ স'তে নাইবা জীৱনৰ কোনো এটা বিশেষ মুহূৰ্তৰ উপলব্ধিৰ স'তে আৱেগিক বন্ধন স্থাপিত হয় আৰু বন্ধনমুক্ত হ'বলৈ কথাছবি নিৰ্মাণ কৰে; কিন্তু কথাছবিখন এনেদৰে নিৰ্মাণ কৰিবলগীয়া হয়, যাতে চিত্ৰ নিৰ্মাতাই দাঙি ধৰা পৰিৱেশ আৰু পৰিস্থিতিৰ স'তে দৰ্শকেও আবেগিকভাৱে একাত্মতা স্থাপন কৰিবলৈ সক্ষম হয়। তাৰ বাবে ছবি নিৰ্মাণত কাৰিকৰী কৌশলৰ প্ৰয়োগ কৰাটো প্ৰয়োজনীয়। সেয়েহে আধুনিক কালৰ ছবি নিৰ্মাণত প্ৰযুক্তিগত কৌশল প্ৰয়োগ নকৰিলেই নহয়। তাতেই ছবি নিৰ্মাণত কাৰিকৰী মানসিকতাৰ প্ৰাসংগিকতা।

সন্মিলনখন আয়োজন কৰা বাবে ড° ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী ফিল্ম আৰু টেলিভিছন প্ৰতিষ্ঠান ধন্যবাদৰ পাত্ৰ। লক্ষ্যণীয় যে এইটো অসম চুক্তিৰ ছয় নম্বৰ দফাৰ আধাৰত প্ৰতিষ্ঠিত এটা জাতীয় অনুষ্ঠান। ক'বলৈ গ'লে, ১৯৮৮ত স্থাপিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ পাছতে এইটো প্ৰতিষ্ঠানেই বৰ অসমৰ দ্বিতীয়টো সাংস্কৃতিক বৰঘৰ। অৱশ্যে ১৯৯৯ত চলচ্চিত্ৰ নিৰ্মাণৰ স'তে জড়িত বিষয়বোৰৰ অধ্যয়নৰ বাবে কাৰিকৰী শিক্ষানুষ্ঠানটো 'জ্যোতি চিত্ৰবন'ৰ স'তে সংলগ্ন কৰা হৈছিল। পিছে পৰৱৰ্তী কালত অসম চৰকাৰে সিদ্ধান্ত লৈছিল যে ষ্টুডিঅ' আৰু শিক্ষানুষ্ঠানক দুটা সুকীয়া সুকীয়া প্ৰতিষ্ঠানৰূপে গঢ়ি তোলা হ'ব। সেই সিদ্ধান্ত মৰ্মে ২০০৭ত চাংসাৰিৰ চিলা পাহাৰত শিক্ষানুষ্ঠানটোৰ বাবে চৰকাৰে ভূমি আৱণ্টন দিয়ে আৰু ২০১৮ৰ পৰা তাতেই প্ৰতিষ্ঠানটো আৱাসিক শিক্ষানুষ্ঠানৰূপে চলি আছে।

অসম চৰকাৰৰ এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত আছিল, চলচ্চিত্ৰ আৰু টেলিভিছনৰ কলা-কৌশল অধ্যয়নৰ প্ৰতিষ্ঠানটোক আঞ্চলিক প্ৰতিষ্ঠানৰূপে কৰা ঘোষণা। এনেদৰেই ২০১১ ৰ পৰা ই হৈ পৰিল অসম আৰু চুবুৰীয়া সাতখন ৰাজ্যৰ (ছিকিম, অৰুণাচল প্ৰদেশ, নগালেণ্ড, মেঘালয়, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰ) চলচ্চিত্ৰ নিৰ্মাণৰ প্ৰতি আগ্ৰহী যুৱক-যুৱতীৰ অধ্যয়ন কেন্দ্ৰ। প্ৰতিষ্ঠানৰ ৫০ খন আসনৰ মাজত প্ৰতিখন ৰাজ্যৰ বিদ্যাৰ্থীৰ বাবেই আসন সংৰক্ষণৰ ব্যৱস্থা আছে। পিছে সোণত সুৱগা চৰিল ২০১৬ত, যেতিয়া শিক্ষানুষ্ঠানটো ড° ভূপেন হাজৰিকাৰ নামত উছৰ্গা কৰা হ'ল।

সুধাকণ্ঠই গীত-মাত আৰু চলচ্চিত্ৰৰ মাধ্যমত উত্তৰ-পূব ভাৰতৰ সাংস্কৃতিক বিবিধতাৰ মাজত একতাৰ যোগসূত্ৰ স্থাপন কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। এতিয়া তেওঁৰ সোঁৱৰণত উৎসৰ্গিত প্ৰতিষ্ঠানটোৱে সেই আদৰ্শ গ্ৰহণ কৰাৰ সুযোগ পাইছে। সেই দৃষ্টিৰে 'কথাছবি নিৰ্মাণত কাৰিকৰী মানসিকতা' সন্মিলনখন প্ৰতিষ্ঠানটোৰ জাতীয় দায়িত্ব পালন কৰাৰ ইংগিত।


ফোন ঃ ৯৪৩৫৫-৫৪২০৫

# ম'বাইল ফোনত বন্দী সোণালী শৈশৱ



আজিৰ শিশুৰ সোণালী শৈশৱ বন্দী ম'বাইল ফোনত। বিশেষকৈ ম'বাইলত ইণ্টাৰনেট বা গুগল উপলব্ধ হোৱাৰ পাছত বিপন্ন হৈছে শৈশৱ। আজিৰ শিশুৰ মাজত শৈশৱৰ মাদকতা বিচাৰি পোৱা নাযায়। ক্ৰমাৎ হিংস্ৰ হ'বলৈ ধৰিছে শিশুসকল। অতিসম্প্ৰতি কিছুমান শিশুৰ আচৰণ দেখিলে মনত এনে ভাব হয় যেন সেয়া উন্মাদৰ বহিঃপ্ৰকাশ। শিশু বুলি যদিও শিশুসকলৰ কিছুমান কাম-কাজ ডাঙৰসকলে হাঁহিৰে উৰুৱাই দিবলৈ খোজে— সেয়া পিছে ভয়ংকৰ ভৱিষ্যতৰ ইংগিতৰ বাহিৰে আন একো নহয়। শিশুসকল এনে অৱস্থাৰ মাজত বন্দী হোৱাৰ বাবে দায়ী কোন? বিগত দুবছৰ ক'ভিডকালীন পৰিস্থিতিৰ হেতুকে শিশুসকল অধিক ম'বাইলপ্ৰৱণ হোৱা বুলি বহুতেই মন্তব্য কৰিছে যদিও দৰাচলতে এই যুক্তি কিমান বাস্তৱসন্মত? কেৱল পলায়নবাদী মানসিকতাৰ পিতৃ-মাতৃ তথা অভিভাৱকৰ মন্তব্য নেকি এয়া। নে আধুনিক শিশুৰ মনটোৰ কথাবোৰ উপলব্ধি কৰাত জ্যেষ্ঠসকল ব্যৰ্থ হৈছে?

মানি ল'লো বিগত দুবছৰ শিক্ষানুষ্ঠান বন্ধ থকাৰ বাবে শিশুসকলে দিনটোৰ বেছিভাগ সময় ম'বাইলৰ মাজতে আবদ্ধ হৈ আছে। যিহেতু আজি-কালি প্ৰায়ভাগ পিতৃ-মাতৃয়েই এতিয়া কিবা নহয় কিবা কামত ব্যস্ত থাকে, সেয়েহে শিশুটিয়ে যাতে বেছি আমনি কৰিব নোৱাৰে তাৰ বাবে ম'বাইলতে ব্যস্ত ৰাখে। পিতৃ-মাতৃ অধিক বস্তুবাদী হোৱাৰ বাবে শিশুৰ মনটো বুজিবলৈ চেষ্টা নকৰে। আন কিছুমানে আকৌ বুজি পালেও নুবুজাৰ ভাও ধৰিয়ে বিষয়টোৰ পৰা ফালৰি কাটি থাকে। ফলত পিতৃ-মাতৃৰ পৰা যিমান মৰম-চেনেহ পাব লাগিছিল আৰু তেওঁলোকৰ স'তে সময় অতিবাহিত কৰাৰ প্ৰয়োজন আছিল, সেয়া নকৰাৰ ফলত পিতৃ-মাতৃৰ স'তে সন্তানৰ ব্যৱধান বৃদ্ধি পাইছে। এই ব্যৱধান কিছুমান ক্ষেত্ৰত ইমানেই বেছি হৈছে যে ইয়াৰ পৰিণাম জটিলৰ পৰা জটিলতৰ দিশে গতি কৰিছে। পিতৃ-মাতৃৰ অনুশাসনৰ বাহিৰলৈ ওলাই গৈছে। এতিয়া 'চেকনীৰ আগত বিদ্যা' নোহোৱা হোৱাত পিতৃ-মাতৃৰ ৰঙা চকুৰেও সন্তানক অনুশাসনৰ মাজত ৰাখিব নোৱাৰা হৈছে। শিশুটিয়ে এটা শুদ্ধ পথেৰে খোজ দিবলৈ হ'লে পিতৃ-মাতৃৰ লগতে অভিভাৱকে শিশু-মনটোক ভালদৰে বুজি ল'ব লাগিব। শিশুটিয়ে যাতে বেছি আমনি নকৰে তাৰ বাবে কেইটামান দামী দামী চকলেট, বিস্কুট, ফাষ্টফুড, জাংকফুড হাতত তুলি দিলেই যথেষ্ট নহয়। বিলাসী গাড়ীত বহুৱাই বিদ্যালয়ৰ পৰা অনা-নিয়া কৰা, বিলাসী হোটেল-ৰেস্তোৰাঁত সপ্তাহত এদিন 'পাৰ্টি' খোৱাটোৰে শিশুটিক শুদ্ধপথেৰে আগুৱাই নিয়াটো অসম্ভৱ।



**গোপাল জালান**

কিছুমান পৰিস্থিতিক আমি সকলোৱে মানি ল'বই লাগিব। প্ৰাকৃতিক দুৰ্যোগ, মহামাৰী, অতিমাৰী আদিৰ সময়ত কেৱল শিশুৰেই নহয়, ইয়াৰ প্ৰভাৱ সকলোৰে ওপৰত পৰিবই; যিহেতু অতিমাৰী ক'ভিডৰ বাবে বিগত দুবছৰে শিশুসকল বিদ্যালয়লৈ যাব পৰা নাই। অৱশ্যে পঢ়া-শুনাত যাতে ব্যাঘাত নজন্মে তাৰ বাবে অনলাইন পদ্ধতিৰে পাঠদান গ্ৰহণ পদ্ধতি আৰম্ভ হ'ল। কোনো বিকল্প পথৰ সন্ধান নোপোৱাৰ বাবে অনলাইন পদ্ধতিৰে বিদ্যাদান গ্ৰহণ চলিল। কিছুমান আকৌ স্মাৰ্টফোন কিনিব নোৱাৰাৰ বাবে শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত হ'ল। এনে শিশুৰ মনত হতাশাৰ সৃষ্টি নোহোৱাকৈ নাথাকিল। জীৱন মানে কি সেয়া বুজি নাপাওঁতেই কিছুমানে আনকি আত্মহত্যাৰ পথো বাছি ল'লে। সন্মুখত এখন অন্ধকাৰ ছবি দেখিয়েই হয়তো কিছুমান শিশুৱে বিপথে গমন কৰিলে। ইয়াৰ মাজতো একাংশই পঢ়া-শুনাৰ পৰা আৰম্ভ কৰি খেলা-ধূলা, সংগীত আহৰণ তথা ছবি অঁকা আদি কামত আগুৱাই গ'ল। শিশু সাহিত্যৰো সৃষ্টি হ'ল। কিছুমান শিশুৱে সময় অবাবত ব্যয় নকৰি সৃষ্টিশীল কামত আত্মনিয়োগ কৰিলে। উদ্ভাৱন কৰিলে বহুতো সৰু সৰু আৰ্হি। কোনোবাই যদি ম'বাইল চাৰ্জ কৰিব পৰা বেটাৰীৰ আৰ্হি প্ৰস্তুত কৰিছে, আন কোনোবাই আকৌ ঘৰুৱা সঁজুলি প্ৰস্তুত কৰিছে। হস্তকলাতো আগুৱাই গৈছে।

এতিয়া কথা হ'ল যদি কৰ'নাকেন্দ্ৰিক পৰিস্থিতিৰ বাবেই শিশুৰ সোণালী শৈশৱ ধ্বংস হৈছে, তেনেহ'লে এনে ভয়াৱহ পৰিস্থিতিৰ মাজতো একাংশই নিজৰ কৰ্ম তথা সৃষ্টিৰে আন দহজনৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হ'ল। ম'বাইল চোৱাটো একেবাৰে নেতিবাচক বুলিও ক'ব নোৱাৰি। কাৰণ ম'বাইল চালেও বহুতো শিশুৱে ইয়াৰ সদ্ব্যৱহাৰ কৰি সেয়া নিজৰ বিকাশত খটুৱাইছে। এইক্ষেত্ৰত পিতৃ-মাতৃ আৰু অভিভাৱকেও শিশুটিক নিশ্চয় সহায় কৰিছে। তদুপৰি জ্ঞান আহৰণৰ বাবে বহু সময়ত কিতাপ ক্ৰয় কৰা বা বিচাৰি পোৱাটো সম্ভৱো নহয়। এনে পৰিস্থিতিত ম'বাইলত উপলব্ধ গুগলেই হৈ পৰে মহৌষধ।

সকলো বস্তুৰে ভাল-বেয়া দুয়োটা দিশেই থাকে। আমি কেৱল বেয়া দিশটোৰ ওপৰত গুৰুত্ব দি পলায়নবাদী মানসিকতাৰে নিজৰ দুৰ্বল দিশসমূহ ঢাকি ৰাখিব খুজিছো। সন্তানে ম'বাইলটো চাই থাকোতে কেতিয়াবা সিহঁতে কি চাইছে সেয়া নিৰীক্ষণ কৰো জানো? নিশ্চয় নকৰো। বৰঞ্চ বেছি সময় ম'বাইলত ব্যস্ত থাকিল ভাল পোৱা পিতৃ-মাতৃ, অভিভাৱকৰ সংখ্যাও কম নহ'ব। ম'বাইলটোক দোষ দি সন্তানৰ নিজৰ ভৱিষ্যৎ ধ্বংস নকৰিবলৈ প্ৰতিগৰাকী পিতৃ-মাতৃ তথা অভিভাৱক সতৰ্ক হ'বই লাগিব। ইয়াৰ বিকল্প নাই। কাৰণ আজিৰ পৃথিৱীখন ইমান আগুৱাই গৈছে যে ম'বাইল অবিহনে বিশ্বৰ স'তে সংযোগ ৰখাৰো বিকল্প পথ নাই।

ফোন ঃ ৯৪৩৫১-০৩৯৭৭

# পথ দুৰ্ঘটনা ৰোধ কৰিবলৈ চৰকাৰে বলিষ্ঠ পদক্ষেপ লওক

**অভিমত**

**বৰ্তমান** সময়ত পথ দুৰ্ঘটনা এটা নিত্য-নৈমিত্তিক ঘটি থকা ঘটনাত পৰিণত হৈছে। ৰাজ্যখনত দ্ৰুতগতিত বৃদ্ধি পোৱা হত্যা, লুণ্ঠন, অপহৰণ, ডকাইতি, নাৰী নিৰ্যাতন, ধৰ্ষণৰ লেখীয়াকৈ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হোৱা অনেক দুৰ্ঘটনাৰ মৰ্মান্তিক তথা হৃদয়বিদাৰক ঘটনাৰ বা-বাতৰি। ৰাজ্যখনত এনে এটা দিন বিচাৰি পাবলৈ নাই যিটো দিনত দুৰ্ঘটনা নোহোৱাকৈ সুকলমে পাৰ হৈছে। বিগত কে'বা বছৰ আগৰে পৰা আমাৰ ৰাজ্যখনত পথ দুৰ্ঘটনা সাংঘাতিক ধৰণে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে।

বিভিন্ন কাৰণত পথ দুৰ্ঘটনা সংঘটিত হয় যদিও তাৰ ভিতৰত অন্যতম কাৰণ এটা হ'ল গাড়ীচালকসকলৰ অত্যধিক মাদক দ্ৰব্য সেৱন। ঠেক আৰু জৰাজীৰ্ণ খলা-বমা তথা ওখোৰা-মোখোৰা পথেৰে যান-বাহনসমূহ চলাবলগীয়া হোৱা বাবেও ৰাজ্যখনত সঘনে দুৰ্ঘটনা সংঘটিত হোৱাৰ আন এটি কাৰণ। আজি-কালি প্ৰায় সকলো সময়তে কম বয়সীয়া কিছু সংখ্যক উতনুৱা গুৰু-গোঁসাই নমনা যুৱক-যুৱতীয়ে হাতত ম'বাইল ফোন লৈ আগ-পিছ নাভাবি নিজৰ খেয়াল-খুচি মতে দ্ৰুতগতিত যান-বাহন চলোৱাৰ ফলতো অনাকাংক্ষিত দুৰ্ঘটনাৰ সন্মুখীন হ'বলগীয়া হয়। এনে এক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত পথ দুৰ্ঘটনা কেনেকৈ ৰোধ কৰিব পাৰি, সেই লৈ চৰকাৰৰ লগতে সমাজৰ প্ৰতিজন সচেতন নাগৰিকসকলেও চিন্তা-চৰ্চা কৰাৰ প্ৰয়োজন নিশ্চয় আছে। এই ভয়ানক পথ দুৰ্ঘটনা ৰোধ কৰিবলৈ হ'লে ঠেক বাট-পথবোৰ আহল-বহল কৰাৰ লগতে ৰাজ্যখনৰ বিভিন্ন ঠাইত জৰাজীৰ্ণ অৱস্থাত থকা কাঠৰ দলঙৰ পৰিৱৰ্তে বিজ্ঞান সন্মতভাৱে পকী দলং নিৰ্মাণ কৰিব লাগিব। সম্প্ৰতি দিনক দিনে অভাৱনীয়ভাৱে যান-বাহনৰ সংখ্যা বৃদ্ধি হোৱাৰ ফলত ঠেক বাট-পথত সঘনে দুৰ্ঘটনা সংঘটিত হোৱা সমান্তৰালকৈ পথৰ ওপৰত যান-জঁটৰ সমস্যাও অধিক। এনে অৱস্থাত যান-বাহনৰ চালকসকলে পথ নিৰ্দেশনা মানি চলাটো অত্যন্ত জৰুৰী। তদুপৰি গধুৰ যান-বাহনকে ধৰি সকলো ধৰণৰ যান-বাহনৰ গতিবেগ নিয়ন্ত্ৰণ কৰিবৰ বাবে বলিষ্ঠ তথা ফলপ্ৰসূ পদক্ষেপ ল'ব লাগিব। প্ৰয়োজন সাপেক্ষে পথৰ ওপৰত ঠায়ে ঠায়ে গতিৰোধৰ ব্যৱস্থা থাকিব লাগিব। যিসকল চালকে মদ্যপান কৰি গাড়ী-মটৰ চলায় তেওঁলোকৰ ওপৰত কঠোৰতম শাস্তি প্ৰদান কৰিব লাগে আৰু প্ৰয়োজন হ'লে তেওঁলোকৰ গাড়ীৰ পঞ্জীয়ন আৰু ড্ৰাইভিং লাইচেঞ্চ বাতিল কৰিব লাগে। বহু সময়ত পথচাৰীসকলে পথ অতিক্ৰম কৰাৰ সময়ত পথ দুৰ্ঘটনা সংঘটিত হয়। গতিকে পথচাৰীসকলে সততে পথ অতিক্ৰম কৰাৰ সময়ত আগ-পিছ চাই অতি সাৱধানে পথ অতিক্ৰম কৰিলে কিছু পৰিমাণে হ'লেও পথ দুৰ্ঘটনাৰ পৰা হাত সাৰিব পৰা যায়। যান-বাহন, দুৰ্ঘটনা আদি ৰোধ কৰিবৰ বাবে চৰকাৰীভাৱে যিখিনি নিয়ম-নীতি বান্ধি দিয়া আছে সেইখিনি আমি সকলোৱে মানি চলা উচিত। দেশত সঘনাই পথ দুৰ্ঘটনা হৈ থকাৰ পৰিপ্ৰেক্ষিতত ভাৰত চৰকাৰে ইতিমধ্যে যান-বাহন আইনখন অধিক কঠোৰ ৰূপত সংশোধনীৰে নতুন আইন প্ৰণয়ন কৰিছে। যান-বাহন আইন উলংঘা তথা ভংগকাৰীসকলৰ ক্ষেত্ৰত চৰকাৰে বৃহৎ পৰিমাণৰ জৰিমনা আৰু কাৰাবাস পৰ্যন্ত খাটিব লগা ব্যৱস্থাৰ আইনত সন্নিবিষ্ট কৰিছে। মানুহৰ অমূল্য জীৱন আৰু সা-সম্পত্তি ৰক্ষা কৰাৰ ক্ষেত্ৰত দেশৰ সৰ্বসাধাৰণ



ৰাইজে এনে ধৰণৰ কঠোৰ যান-বাহন আইনৰ প্ৰয়োজনৰ কথা দোহাৰি ইয়াক আদৰণি জনাইছে। আচলতে পথ দুৰ্ঘটনা প্ৰতিৰোধ কৰা অথবা দুৰ্ঘটনা হ্ৰাস কৰাৰ ক্ষমতা তথা শক্তি মানুহৰ হাততে আছে।

পথ দুৰ্ঘটনাৰ সমস্ত দায়-দোষ চৰকাৰৰ ওপৰত জাপি দি টায়াৰ জ্বলাই ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি যান-বাহন জ্বলাই তথা ৰাজহুৱা সা-সম্পত্তি বিনষ্ট কৰি পথৰ ওপৰত ধ্বংস যজ্ঞ সৃষ্টি কৰাৰ অভিপ্ৰায় ত্যাগ কৰিব লাগিব; তাৰ সলনি আমি সকলোৱে একত্ৰিত হৈ সন্মিলিত প্ৰচেষ্টাৰে এই অনাকাংক্ষিত পথ দুৰ্ঘটনা ৰোধ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব।

আমি আশা কৰিম চৰকাৰে নতুন যান-বাহন আইন অতি কঠোৰভাৱে প্ৰয়োগ কৰাত বলিষ্ঠ আৰু ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিব।

**কুলেন বৰ্মন**

ফোন ঃ ৯৪৩৫৩৩৮৪১৯



**হাফলং চহৰখনত পৰ্যটন উদ্যোগক এক নতুন ৰূপত গঢ় দিব পৰা সমল যথেষ্ট আছে। ইয়াৰ বৰাইল পাহাৰৰ নামনিত তিনি বা পাঁচ তাৰকাযুক্ত হোটেল এখন নিৰ্মাণ কৰিলে লাভৱান হ'ব বুলি ধৰিব পাৰি। মনোমোহা প্ৰাকৃতিক দৃশ্য আৰু নাতিশীতোষ্ণ জলবায়ু সেৱন কৰিবলৈ পৰ্যটকৰ সোঁত বব, যদিহে চৰকাৰে হাফলঙৰ পৰ্যটন আকৰ্ষণৰ আহিলাবোৰ সংৰক্ষণত গুৰুত্ব দিয়ে। তদুপৰি হাফলঙৰ পৰা ন কিলোমিটাৰ দূৰৈৰ জাতিংগাৰ অচিন পখীৰ আত্মহত্যা চাবলৈ দেশ-বিদেশৰ পৰ্যটক তথা বিজ্ঞানী আদি নিতৌ আহে; কিন্তু দুখৰ বিষয় আজি কিছুদিনৰ আগলৈকে চৰকাৰে উত্তৰ কাছাৰ পাৰ্বত্য জিলা আৰু আজিৰ ডিমা-হাছাও জিলাখন তথা হাফলং চহৰখন কেনেকৈ চলি আছে তাৰ খা-খবৰ লোৱা নাছিল**

## আজিৰ বিধ্বস্ত হাফলঙৰ সৃষ্টিৰ আঁৰৰ কথা

# মনোমোহা সৌন্দৰ্যৰ আঁকৰ হাফলং



অৱলোকন

মিহিৰ কুমাৰ বৰুৱা

**বিগত** মে'ৰ দ্বিতীয় সপ্তাহৰ পৰা আৰম্ভ হোৱা প্ৰবল বৃষ্টিপাত আৰু ভূমিস্খলনৰ ফলত অসমৰ অন্যতম পাহাৰীয়া জিলা ডিমা হাছাওত যি ভয়াৱহ ধ্বংসলীলা হৈ গ'ল সেয়া বৰ্ণনাতীত। প্ৰকৃতিৰ এনে ৰুদ্ৰৰূপ আমি কাহানিও দেখা নাছিলো- বিশেষকৈ পাহাৰীয়া জিলাখনত। ১৪মে'ৰ পৰা এই ধ্বংসলীলাৰ প্ৰকোপ দুগুণে বাঢ়ি যায়। প্ৰবল বৃষ্টিপাত আৰু ভূমিস্খলনৰ ফলত প্ৰথমেই ব্যাহত হয় যাতায়াত ব্যৱস্থা। ১৪মে'ৰ পুৱা ৭-৩০ বজাত জিলাখনৰ হাফলং থানাৰ অন্তৰ্গত হুকাইপুঞ্জী নামৰ ঠাইত ওপৰৰ পৰা মাটি খহি আহি এটা আৱাস গৃহ ঢাকি পেলোৱাৰ ফলত ঘৰটোত থকা তিনিজন লোক থিতাতে নিহত হয়। একে সময়তে বিভিন্ন ঠাইত ভূমিস্খলন হয় আৰু ইয়াক প্ৰতিৰোধৰ ব্যৱস্থা কৰিবলৈ কোনো উপায় নাছিল। এনেকৈয়ে আৰম্ভ হৈছিল ধ্বংসলীলা। পথ যোগাযোগ বিচ্ছিন্ন। নিউ হাফলং ৰেলৱে ষ্টেছনত কেৱল মাটি পানী আৰু বোকা। ফলত ৰেল যোগাযোগো ব্যাহত হৈ পৰে। চকুৰ আগতে ধ্বংসস্তূপত পৰিণত হোৱা হাফলং চহৰখনত আৱদ্ধ হৈ থকা বহু যাত্ৰী আৰু পৰ্যটকৰ পানীত হাঁহ নচৰা অৱস্থা হয়। আনহাতে, ডিমা হাছাও জিলাৰ সাধাৰণ লোকসকলক ঘৰৰ পৰা বাহিৰলৈ নোলাবলৈ জিলা প্ৰশাসনৰ তৰফৰ পৰা আহ্বান জনোৱা হৈছিল। পৰিস্থিতিৰ ভয়াৱহতাত উদ্বিগ্ন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত মন্ত্ৰী যোগেন মহন আৰু বিমল বৰাই গৈ হাফলঙত বাহৰ পাতিছিল। যোগাযোগ ব্যৱস্থা সম্পূৰ্ণ ব্যাহত হোৱাত জেচি বিত উঠি গৈ মন্ত্ৰীদ্বয়ে নিউ হাফলং ৰেল ষ্টেছনত উপস্থিত হৈ কেৱল ধ্বংসস্তূপবোৰহে প্ৰত্যক্ষ কৰে। ২০ মে'ৰ পৰা ফ'ৰলেনেৰে হাফলঙলৈ খাদ্য সামগ্ৰী আৰু পেট্ৰ'ল আদি সৰবৰাহৰ ব্যৱস্থা কৰে ৰাজ্য চৰকাৰে। ভাৰতীয় সৈন্য বাহিনীৰ সেনা জোৱানসকল অহৰ্নিশে ব্যস্ত হৈ পৰে বিভিন্ন ধৰণৰ সহায়ৰ কামত। ২৪ মে'ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই হাফলঙলৈ গৈ ল'ৰাৰ হাফলং উচ্চ মাধ্যমিক বিদ্যালয় আৰু প্ৰাথমিক বিদ্যালয়ত শিৱিৰ পাতি থকা লোকসকলক সাক্ষাৎ কৰাৰ উপৰি ভূমিস্খলনত মৃত্যু হোৱা লোকসকলৰ গৃহলৈ গৈ সমবেদনা জনায় আৰু চৰকাৰী সাহায্যৰ আশ্বাস দিয়ে। আনহাতে, সৰ্বস্তৰত ধ্বংসপ্ৰাপ্ত হাফলঙলৈ ২৭ মে'ত কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি দল এটা উপস্থিত হয় আৰু তাৰ পাছতেই ডিমা হাছাও পাৰ্বত্য জিলাখনলৈ ৫০ কোটিৰ পেকেজ আৰু গৃহ নিৰ্মাণৰ বাবদ প্ৰতিটো পৰিয়াললৈ দুই লাখ টকাকৈ সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰে। মুঠ ৫৯০টা পৰিয়াললৈ এই ধন আগবঢ়োৱা হ'ব বুলি জানিব পৰা গৈছে। ৫০ কোটিৰ ২৩ কোটি এছ ডি আৰ এফ আৰু ২৭ কোটি আগবঢ়োৱা হ'ব ৰাজ্য চৰকাৰৰ স্ব-অগ্ৰাধিকাৰ পুঁজিৰ পৰা।

প্ৰকৃতিৰ ৰুদ্ৰ ৰূপত বিধ্বস্তপ্ৰায় হাফলং চহৰৰ আছে এক বৰ্ণাঢ্য ইতিহাস। হাফলং প্ৰচুৰ প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা অসমৰ এখন অতি মনোমোহা ঠাই। ছহেজাৰ ফুট উচ্চতাৰ বৰাইল পৰ্বত মালাই আৱৰি আছে এসময়ৰ উত্তৰ কাছাৰ জিলা আৰু আজিৰ ডিমা হাছাও জিলাৰ সদৰ ঠাই হাফলং। এই মনোৰম চহৰখন সমতল ভূমিৰ পৰা ৩১১৭ ফুট উচ্চতাত অৱস্থিত। অসমৰ মুঠ ৭৮৫২৩ বৰ্গ কিলোমিটাৰ মাটি কালিৰ ৪৮৯০ বৰ্গ কিলোমিটাৰ আৱৰি আছে উত্তৰ কাছাৰ পাৰ্বত্য জিলাই। ইয়াৰে হাফলং অঞ্চলৰ মাটি কালি ১২.৭৯ বৰ্গ কিলোমিটাৰ। ইয়াৰ বৰাইল পৰ্বতমালাৰ ওখ টিঙত আকাশৰ চকা-মকা শুকুলা মেঘে লুকা-ভাকু খেলি থকা দৃশ্য অতি মনোৰম। অসমৰ আন কোনো ঠাইতেই ইমান ওচৰৰ পৰা মেঘৰ ধেমালি দেখা গোৱা নাযায়। সেয়েহে হয়তো হাফলঙক দ্বিতীয় শ্বিলং আৰু কলকাতাৰ প্ৰখ্যাত সাংবাদিক-অমিতাভ চৌধুৰীৰ ভাষাত ভাৰতৰ ছুইজাৰলেণ্ড।

এতিয়াৰ হাফলং ঠাইখন আজিৰ পৰা ডেৰ শ বছৰ আগতে আছিল অটব্য অৰণ্য আৰু পাহাৰেৰে ভৰা। প্ৰথমতে হাফলং চহৰক বাদ দি বৰাইল পাহাৰৰ কাষে কাষে জাতিংগালৈ মাহুৰৰ দিয়াং নদীৰ পূব পাৰে পথ কাটি উলিওৱা হৈছিল। তাৰ পাছত হাফলং পাহাৰখন ঘূৰি এই পাহাৰখনৰ মাটি অলপ কোমল হোৱা হেতুকে ৰাস্তা কাটি উলিওৱা হয়। সেই সময়ত উক্ত ঠাইখনত আছিল হালংৰাজি নামৰ এখন গাঁও। এই হালংৰাজি গাঁওখনেই ব্ৰিটিছৰ চৰকাৰী গেজেটত হাফলং নামেৰে লিপিবদ্ধ হ'ল। আকৌ, হাফলঙৰ দুই একে এতিয়াও 'হাফলং' নামটো 'হাফলাউ' শব্দৰ পৰা অহা বুলি ক'ব খোজে। হাফলাউ মানে স্থানীয় ভাষাত উইতিৰি। ডিমাছাসকলে কিন্তু হাফলঙক এতিয়াও 'হাংখলং' বোলে। তেওঁলোকৰ মতে, এই 'হাংখলং' শব্দৰ পৰাই সৃষ্টি হৈছে 'হাফলং'। হাংখলং শব্দক লৈ তেওঁলোকে গোৱা এটি গীত এনে ধৰণৰ—

হাংখলং হাবিক যুবা যাঙ্<br>
ৰিগুলবা যাঙ্<br>
সই সই হাথিক গাফুৰ....।

অসমীয়াত হাফলং পাহাৰ ইমান ওখ<br>
পৰি আছো এতিয়াও বহু তলত<br>
সখী আৰু যে উঠিব নোৱাৰো।

হাফলং শব্দৰ অৰ্থ প্ৰাণৰ ভাণ্ডাৰ। সঁচাকৈয়ে—আজিৰ হাফলং শব্দৰ অৰ্থও প্ৰাণৰ ভাণ্ডাৰেই। ১৮৫৪ৰ পৰা এই হাফলং তথা উত্তৰ কাছাৰ ব্ৰিটিছৰ শাসনাধীন হয়। ১৮৬৬ত নগা পাহাৰ জিলা গঠন হোৱাৰ পাছত উত্তৰ কাছাৰ নামে এটি সুকীয়া অঞ্চল সৃষ্টি কৰি ব্ৰিটিছে ভাৰতৰ মানচিত্ৰত ইয়াক কাছাৰ জিলাত অন্তৰ্ভুক্ত কৰে আৰু হাফলঙৰ ওচৰৰ গুণজুং নামে ঠাইত মহকুমাৰ সদৰ স্থাপন কৰে। এয়া ১৮৮০ৰ কথা। আকৌ ১৮৯৫ত মহকুমাৰ সদৰ স্থানান্তৰ কৰে আজিৰ ব্যস্ত হাফলঙলৈ। ১৯৪৮ পৰ্যন্ত হাফলঙত যান-বাহন চলাচল কৰিব পৰা ৰাস্তা নাছিল। মাত্ৰ চাৰিফুট বহলৰ এটা ৰাস্তা কাটি উলিওৱা হৈছিল খোজকাঢ়ি অহা-যোৱা কৰিবৰ বাবে। অথচ তাৰ এবছৰ আগতে দেশে স্বাধীনতাও লাভ কৰিছিল। ১৮৯৫-৯৬ত অৰ্থাৎ ব্ৰিটিছৰ হাতলৈ ক্ষমতা যোৱাৰ পাছত এইখন হাফলঙত ৰেলপথ বহুৱাৰ কাম আৰম্ভ কৰা হৈছিল। লামডিং বদৰপুৰৰ মাজত মুঠ ৩৭টা সুৰংগ নিৰ্মাণ কৰি উত্তৰ কাছাৰৰ দুৰ্গম পাহাৰৰ মাজেদি নিৰ্মাণ কৰা এই ৰেল লাইনটো যাতায়াতৰ বাবে মুকলি কৰা হৈছিল ১৯০৫ত, অৰ্থাৎ আজিৰ পৰা ১১৭ বছৰৰ আগতে। সেয়ে এই ঐতিহাসিক ৰেল লাইনটো বিধ্বস্ত হোৱাত আজি অবিভক্ত কাছাৰ জিলাবাসীৰ লগতে অসমবাসীও মৰ্মাহত হৈছে। উল্লেখ্য যে সেই সময়ত অসম, বংগ, বিহাৰ, উত্তৰ প্ৰদেশ আদিত শিল কাটি পুনৰ শিল গাঁঠি ৰাস্তা নিৰ্মাণ কৰিব পৰা বনুৱা নাছিল বাবে ব্ৰিটিছে সুদুৰ আফগানিস্থানৰ পৰা মিস্ত্ৰি-শ্ৰমিক আদি আনি এই কঠিন কামবোৰ কৰাইছিল। স্বাধীনাৰ পাছৰ পৰা কিন্তু লাহে লাহে এইখন হাফলঙৰ বহু পৰিৱৰ্তন দেখা যায়। তৃতীয় শ্ৰেণীৰ তালিকাভুক্ত এই চহৰখনৰ পৰা বিভিন্ন ঠাই সংযোগী মুঠ চাৰিটা স্থলপথ আছে (১) হাফলং-জাতিংগা-শিলচৰ পথ (২) হাফলং-দিহাংগী-লংকা পথ (৩) হাফলং- জাতিংগা-লামডিং পথ (৪) হাফলং-দিহাংগী-গৰমপানী-শ্বিলংপথ।

শিলাময় এই চহৰখনৰ মুঠ পথৰ পৰিসীমা হ'ল ৫১.৩০ কিলোমিটাৰ। আজি ১০ বছৰমানৰ আগৰ তথ্য মতে চহৰখনত মুঠ শিক্ষানুষ্ঠানৰ সংখ্যা ৮১। তাৰে সৰহ সংখ্যকেই প্ৰাথমিক বিদ্যালয়। প্ৰাথমিক বিদ্যালয় ৫০খন, মজলীয়া বিদ্যালয় ১৫খন, উচ্চ বিদ্যালয় ১৩খন, চৰকাৰী মহাবিদ্যালয় এখন আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় দুখন। ডাকঘৰ ১১টা, মুখ্য বেংক চাৰিটা। তদুপৰি জিলাৰ সদৰ ঠাই হিচাপে ঠাইখনত থাকিব লগা ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ প্ৰায় সকলো বিভাগৰে বিভাগীয় কাৰ্যালয় আছে। জিলাখনত শিক্ষিত লোকৰ সংখ্যা ৭০-৮০ শতাংশ।

দূৰ অতীতৰ পৰাই চহৰখনত বিভিন্ন ভাষা-ভাষী লোকে বসবাস কৰি আহিছে। বিশেষকৈ হাফলঙত জনজাতি লোকৰ বসতি বেছি। এই জনজাতীয় সম্প্ৰদায়বোৰ হ'ল ডিমাছা, নাগা, জেমি-নাগা, কুকি, মাৰ, ৰাংখল, বেইটে, ভাইগি, কাৰ্বি, জয়ন্তীয়া, খাচি, লুচাই মিকিৰ আদি উল্লেখযোগ্য। অজনজাতীয় সম্প্ৰদায়ৰ ভিতৰত সীমিত সংখ্যক মুছলমান, বাঙালীভাষী হিন্দু আৰু নেপালী লোক আছে। হাফলঙত চাকৰি কৰি থকা থলুৱা-খিলঞ্জীয়া অসমীয়া লোক কিছু আছে যদিও স্থায়ীভাৱে ঘৰ সাজি থকা লোক নাই বুলিলেই হয়।

**হাফলঙত পৰ্যটন উদ্যোগৰ সম্ভাৱনা ঃ** কাশ্মীৰ, দাৰ্জিলিং, শ্বিলং আদি ঠাইৰ দৰে মনোমোহা প্ৰাকৃতিক দৃশ্যক পৰ্যটক আকৰ্ষণৰ মূল বিষয়-বস্তু হিচাপে লৈ সম্প্ৰতি ভাৰতৰ বিভিন্ন ঠাইত যেনেকৈ পৰ্যটন উদ্যোগ গঢ়ি উঠিছে, ঠিক তেনেকৈ অসমৰ হাফলং চহৰখনতো পৰ্যটন উদ্যোগক এক নতুন ৰূপত গঢ় দিব পৰা সমল যথেষ্ট আছে। ইয়াৰ বৰাইল পাহাৰৰ নামনিত তিনি বা পাঁচ তাৰকাযুক্ত হোটেল এখন নিৰ্মাণ কৰিলে লাভৱান হ'ব বুলি ধৰিব পাৰি। মনোমোহা প্ৰাকৃতিক দৃশ্য আৰু নাতিশীতোষ্ণ জলবায়ু সেৱন কৰিবলৈ পৰ্যটকৰ সোঁত বব, যদিহে চৰকাৰে হাফলঙৰ পৰ্যটন আকৰ্ষণৰ আহিলাবোৰ সংৰক্ষণত গুৰুত্ব দিয়ে। তদুপৰি হাফলঙৰ পৰা ন কিলোমিটাৰ দূৰৈৰ জাতিংগাৰ অচিন পখীৰ আত্মহত্যা চাবলৈ দেশ-বিদেশৰ পৰ্যটক তথা বিজ্ঞানী আদি নিতৌ আহে; কিন্তু দুখৰ বিষয় আজি কিছুদিনৰ আগলৈকে চৰকাৰে উত্তৰ কাছাৰ পাৰ্বত্য জিলা আৰু আজিৰ ডিমা-হাছাও জিলাখন তথা হাফলং চহৰখন কেনেকৈ চলি আছে তাৰ খা-খবৰ লোৱা নাছিল। বৰ্তমান ধ্বংসপ্ৰাপ্ত হ'লেও অসমৰ সক্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কিন্তু হাফলঙৰ উন্নয়নৰ হকে কিছু পদক্ষেপ লোৱা পৰিলক্ষিত হৈছে। আমি এই লেখাৰ জৰিয়তে আশা ৰাখিছো হাফলঙলৈ গুৱাহাটী আৰু অন্য চহৰৰ পৰা ৰাজ্যিক পৰিবহণ নিগমৰ বাছৰ সংখ্যা বৃদ্ধি কৰি পথ যাতায়াত ব্যৱস্থা সুচল কৰি তুলিব। আমি জনাত অসমৰ আন ঠাইৰ তুলনাত অত্যধিক ভাড়া লৈ ব্যক্তিগত পৰিবহণ সংস্থা দুটামানে বাছ সেৱা আগবঢ়াই আছে। তদুপৰি পৰ্যটক আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰাৰ পাছতো হাফলঙৰ পৰা জাতিংগালৈ চৰকাৰী বাছসেৱা সুবিধা নথকাটো দুখৰ বিষয়।

জাতিংগালৈ এনে বাছসেৱা গুৱাহাটীৰ পৰাই প্ৰৱৰ্তন কৰা উচিত। ডিমা হাছাও জিলা প্ৰশাসনৰো এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা আছে। ইয়াত চৰকাৰী পানী যোগান ব্যৱস্থাত কেৰোণ আছে। আজিৰ পৰা প্ৰায় ডেৰশ বছৰ আগতে হাফলঙৰ মাজমজিয়াত ব্ৰিটিছসকলে খান্দি থৈ গৈছিল আটকধুনীয়া এটি কৃত্ৰিম জলাশয় (লেক)। এই লেকটোকো ন-ৰূপত সজাই পৰ্যটক আকৰ্ষণৰ সমল হিচাপে ব্যৱহাৰ কৰিব পাৰি। শেষত কওঁ— এই অঞ্চলৰ বাবে ৰহণীয়া কৃষ্টি, নানা ধৰণৰ সাজ-পোছাক, সামাজিক জীৱন আৰু সাংস্কৃতিক সমল আদি পৰ্যটকৰ মনোৰঞ্জনৰ বাবে ব্যৱহাৰ কৰিব পাৰি।

*ফোন ঃ ৬০০২৪০০৪৮৫*





# আহোম ৰাজত্বৰ গৌৰৱোজ্জ্বল ছশ বছৰ কাল

**স্বৰ্গদেউসকলে কোনো অনুষ্ঠানত কেতিয়াও হস্তক্ষেপ নকৰিছিল। অনুষ্ঠানবিলাকৰ যথেষ্ট ক্ষমতা আছিল। ৰাজ্যৰ গাঁওবিলাকত একোটা সমবায় অনুষ্ঠানৰ দৰে গাঁৱৰ এঘৰৰ বিপদ-আপদ, ধৰ্ম কাৰ্য, বিবাহ, উৎসৱৰ দৰে গাঁৱৰ এঘৰৰ বিপদ-আপদ, ধৰ্মকাৰ্য, বিবাহ উৎসৱ আদি হ'লে গোটেই গাঁৱৰ মানুহে যথাসাধ্য সহায় কৰে। গাঁৱৰ প্ৰত্যেক মানুহেই কোনো এঘৰৰ কামক নিজৰ কাম বুলি জ্ঞান কৰি খেতি কৰোতেও ইজনে সিজনক নাইবা গাঁওখনৰ মানুহে পাল পাতি প্ৰতি ঘৰতে সহায় কৰাৰ পৰম্পৰা আছিল। গাঁৱৰ উন্নয়নমূলক কামবোৰত গোটেই গাঁওখনে শ্ৰমদান কৰে**



অৱলোকন

অহল্যা গগৈ

**অসমত** আহোম স্বৰ্গদেউসকলে ছশ বছৰ ৰাজত্ব কৰাটো এক তাৎপৰ্যপূৰ্ণ বিষয়। পৰম পৰাক্ৰমী ব্ৰিটিছে ভাৰতত মাত্ৰ এশ বছৰহে ৰাজত্ব কৰিব পাৰিছিল। এই দিশত আহোমৰ ৰাজনৈতিক বিচক্ষণতাৰ বিষয়ে আলোচনা কৰাই আজিৰ প্ৰৱন্ধৰ বিষয়।

আহোমসকলে চীন দেশৰ 'উন্নান' অঞ্চলৰ পৰা আহি ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলত প্ৰৱেশ কৰাৰ পাছত নিজৰ ধৰ্ম আৰু সংস্কৃতি এৰি স্থানীয় ধৰ্ম আৰু সংস্কৃতি গ্ৰহণ কৰি এক বিৰল উদাহৰণ দাঙি ধৰিছিল। ইয়েই আহোমসকলক অসমত ছশ বছৰ ধৰি শাসন কৰিবলৈ ইন্ধন যোগাইছিল। তেওঁলোকে থলুৱা নানা জাতি আৰু জনজাতিবিলাকৰ সংস্পৰ্শলৈ আহি গোৱালপাৰা জিলাৰ বাহিৰে সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাত আহোম সাম্ৰাজ্য স্থাপন কৰিছিল। দেশৰ সকলো জাতি, ধৰ্ম আৰু ভাষাক একতা পাশেৰে আবদ্ধ কৰি এটা সুকীয়া ভাষা-সংস্কৃতি গঢ়ি তুলিছিল। 'টাই' জাতিৰ আহোমসকলে এই ভূ-খণ্ডত আহোম নাম পোৱাৰ পাছৰ পৰাহে এই ভূ-খণ্ডই 'অসম' (অহম) আৰু তাৰ বাসিন্দাসকলে 'অসমীয়া' (অহমীয়া) নামে জনাজাত হৈছিল। আহোমসকলে 'স'ৰ ঠাইত 'হ' উচ্চাৰণ কৰে। প্ৰথমগৰাকী 'ছ্যুকাফা'ৰ দিনৰ পৰা স্বৰ্গদেউসকলে জয় কৰা ৰাজ্যসমূহৰ সভ্যতা ধ্বংস কৰাৰ পৰিৱৰ্তে তেওঁলোকে থলুৱা লোকসকলৰ সংস্কৃতি, ধৰ্ম আৰু ৰীতি-নীতিৰে সম্পূৰ্ণ অসমীয়া সংস্কৃতি আৰু সভ্যতা গঢ়িছিল। স্বৰ্গদেউসকলে বিজিত বিভিন্ন জাতিবিলাকক নিজৰ নিজৰ ভাষা, ধৰ্ম আৰু ৰীতি-নীতি অনুসৰি জীৱন-যাপন কৰিবলৈ অনুমতি দিয়াৰ ফলস্বৰূপে বৰ্তমানৰ অসমীয়া জাতিৰ ভিতৰত নানান সম্প্ৰদায় আৰু জনজাতিৰ পৃথক পৃথক বৈশিষ্ট্যৰ সৃষ্টি হৈছিল। বিশেষকৈ হিন্দু ধৰ্মৰ জাতি বিভাগ প্ৰথাৰ প্ৰভাৱ পৰি বিভিন্ন সম্প্ৰদায়ৰ মাজত বিয়া-বাৰু আদি পতা সামাজিক কৰ্মবোৰ নিষিদ্ধ আছিল। সেয়ে একো একোটা সম্প্ৰদায়ৰ মাজত একোখন সমাজৰ সৃষ্টি হৈ সমাজখনৰ গুৰুত্ব বাঢ়িছিল। যিসকলে সমাজৰ নিয়ম-বিৰুদ্ধ কাম কৰে, তেওঁলোকক এঘৰীয়া কৰা হৈছিল। এই প্ৰথাই ব্যক্তি স্বাধীনতা লোপ কৰি প্ৰত্যেক ব্যক্তিকেই সমাজৰ নিয়ম মানি চলিব লগা কৰিছিল।

ৰাজ্যত স্বৰ্গদেউ আৰু ৰজাৰ বিষয়াসকলৰ ঘৰৰ বাহিৰে সাধাৰণ প্ৰজাৰ পকী ঘৰ নাছিল, কাৰণ সেই সময়ত অসমত কাঠ, বাঁহ, ইকৰা, বেত, খেৰ আদিৰ কোনো অভাৱ নাছিল। মানুহে সততে কাঠ বা বাঁহৰ খুঁটাৰ ঘৰ সাজি খেৰেৰে ঘৰৰ চালখন দিছিল। অভিজাত বংশৰ মানুহ আৰু ৰাজবিষয়াসকলৰ ঘৰবোৰত বাটচ'ৰা, চ'ৰাঘৰ, মাৰল ঘৰ, বৰঘৰ, ৰান্ধনি বা চাংমাই শাল, ঢেঁকীঘৰ, গৰু গোঁহালি আদি বিভিন্ন কৰ্মৰ বাবে বিভিন্ন ঠাই আছিল। পদূলি মুখৰ দুচলীয়া এটা সৰু খোলা ঘৰকে বাটচ'ৰা বুলিছিল। গৃহস্থৰ ঘৰলৈ অহা আলহীয়ে প্ৰথমতে বাটচ'ৰাতে গৃহস্থৰ বাবে অপেক্ষা কৰে। সমুখৰ আহল-বহল চ'ৰা ঘৰটোত আলহী বহে আৰু আৱশ্যক হ'লে সমজুৱা মেলত ভাগ লয়। মাৰ্বল ঘৰটোত তিৰোতাসকলে জিৰণি লয় আৰু তিৰোতা অতিথিৰ লগত কথা বতৰা হয়। বৰ ঘৰটো গৃহস্থৰ শোৱা কোঠা আৰু বহুমূলীয়া সম্পদ ৰখা হয়। স্বৰ্গদেউ আৰু ডাঙৰীয়াসকলৰ শৌচাগাৰক মৰং ঘৰ বোলা হয়।

আহোম ৰাজ্যত মানুহৰ পোছাক বা সাজপাৰতে কোন কিমান ওখ-খাপৰ আৰু সম্ভ্ৰান্ত বুজা গৈছিল। অভিজাত বংশ আৰু সাধাৰণ মানুহৰ সাজপাৰ পৃথক আছিল। সাধাৰণ মানুহে চেলেং, পাগুৰী আৰু চুৰীয়া পিন্ধিলেও আঁঠুৰ তললৈ চুৰীয়া পিন্ধিব নোৱাৰা আদেশ আছিল। সৰ্বসাধাৰণ লোকে 'পইজাৰ' (জোতা) পিন্ধিব নোৱাৰিছিল আৰু দোলাত উঠিব নোৱাৰিছিল। সেইদৰে অভিজাত আৰু সাধাৰণ মানুহৰ বহা আসন একে নাছিল। বিষয়বাবৰ উচ্চ-নীচ হিচাপে ৰাজচ'ৰাত আৰু ভিতৰুৱা মেলত ৰজা আৰু অভিজাতসকলৰ আসন আছিল বৰপীৰা, তামুলীপিৰা, মেৰধৰা আৰু পাটীধৰা ইত্যাদি আৰু সাধাৰণ মানুহে বহিবৰ বাবে নগা ঢাৰি, কঠ, দলিচা কাপোৰ, খেৰ বা কলপাত ব্যৱহাৰ কৰিছিল।

মন কৰিবলগীয়া এয়ে যে উচ্চ আৰু নীচৰ ইমান পাৰ্থক্য আছিল যদিও দেশৰ প্ৰজাই সুখে-সন্তোষে কাল কটাইছিল, কাৰণ ৰাজ্যত কেতিয়াও খাদ্যৰ সংকট নাছিল আৰু ৰহ-ঢলা পুখুৰীৰ পৰা সকলো সময়তে নিৰ্মল পানী নিবলৈ পাইছিল। তাৰ উপৰি স্বৰ্গদেউসকলে প্ৰজাক শাসনৰ দিশত স্বাধীনভাৱে বসবাস কৰিবলৈ সুযোগ দিছিল। সেই কালত পূৰ্বৰে পৰা ধৰ্ম-চৰ্চাৰ বাবে শংকৰ-মাধৱৰ বৈষ্ণৱসকলৰ বাবে 'নামঘৰ', বৌদ্ধ ধৰ্মীয় লোকৰ বাবে 'বাপু চাং' আৰু মুছলমানসকলৰ বাবে মছজিদ আছিল। প্ৰাগ্ঐতিহাসিক যুগৰ পৰা নামঘৰ, বাপু-চাং আৰু মছজিদবিলাকত প্ৰত্যেকে নিজ নিজ ধৰ্মচৰ্চা আৰু ধৰ্মকাৰ্যাদি চলোৱাৰ উপৰি সেইবিলাকত গাঁৱৰ সমূহ ৰাইজে নিজৰ নিজৰ গোচৰ আদি মীমাংসা কৰিছিল আৰু তেওঁলোকৰ সামাজিক ৰীতি-নীতিও পৰিচালনা কৰিছিল। এই বিলাককেই গাঁৱৰ বিচাৰালয় বুলি গণ্য কৰা হৈছিল আৰু গাঁওবিলাকো শাসন কৰিছিল। উল্লেখ্য যে স্বৰ্গদেউসকলে এইবিলাক অনুষ্ঠানত কেতিয়াও হস্তক্ষেপ নকৰিছিল। অনুষ্ঠানবিলাকৰ যথেষ্ট ক্ষমতা আছিল। ৰাজ্যৰ গাঁওবিলাকত একোটা সমবায় অনুষ্ঠানৰ দৰে গাঁৱৰ এঘৰৰ বিপদ-আপদ, ধৰ্ম কাৰ্য, বিবাহ, উৎসৱৰ দৰে গাঁৱৰ এঘৰৰ বিপদ-আপদ, ধৰ্মকাৰ্য, বিবাহ উৎসৱ আদি হ'লে গোটেই গাঁৱৰ মানুহে যথাসাধ্য সহায় কৰে। গাঁৱৰ প্ৰত্যেক মানুহেই কোনো এঘৰৰ কামক নিজৰ কাম বুলি জ্ঞান কৰি খেতি কৰোতেও ইজনে সিজনক নাইবা গাঁওখনৰ মানুহে পাল পাতি প্ৰতি ঘৰতে সহায় কৰাৰ পৰম্পৰা আছিল। গাঁৱৰ উন্নয়নমূলক কামবোৰত গোটেই গাঁওখনে শ্ৰমদান কৰে।

আহোম সাম্ৰাজ্যৰ ভৈয়াম অঞ্চলত মৰাণ, বৰাহী, ৰাভা, সোণোৱাল, কছাৰী, মেচ, কেওট, কলিতা, কায়স্থ, ব্ৰাহ্মণ আদি আৰু পৰ্বতীয়া অঞ্চলত নগা, মিৰি, আবৰ, মিকিৰ, লালুং, মণিপুৰী, খাচী সম্প্ৰদায়ৰ মানুহ বাস কৰিছিল। তেওঁলোকৰ আচাৰ-ব্যৱহাৰ, ভাষা, ধৰ্ম আদি পৃথক পৃথক সংস্কৃতি আছিল। প্ৰত্যেক গোষ্ঠীৰ পৰা উদ্ভৱ হোৱা জাতিবিলাকে তেওঁলোকৰ নিজৰ ভিতৰতে একেলগে খোৱা-মেলা, বিয়া-বাৰু আদি কৰে। আহোম স্বৰ্গদেউসকলে প্ৰজাৰ আচাৰ-ব্যৱহাৰ, ভাষা-ধৰ্ম আদিত কেতিয়াও হস্তক্ষেপ কৰা নাছিল। সকলো প্ৰজাকে নিজৰ মতে জীৱন-যাপন কৰিবলৈ সুবিধা দিয়াৰ বাবেও প্ৰজা সততে সন্তুষ্ট আছিল আৰু ইজনে সিজনক শ্ৰদ্ধা কৰিবলৈ শিকিছিল। স্বৰ্গদেউসকলে বিভিন্ন জাতিক একতাৰ ডোলেৰে আৱদ্ধ কৰি এটা অসমীয়া জাতিত পৰিণত কৰাৰ বাবেই এখন ধৰ্মনিৰপেক্ষ সাম্ৰাজ্যৰূপে গঢ় লৈছিল। উল্লেখনীয় যে প্ৰচলিত হিন্দুধৰ্মই প্ৰধান ধৰ্ম আছিল যদিও এই ধৰ্মক স্বৰ্গদেউসকলে 'ৰাজধৰ্ম' কৰা নাছিল। হিন্দু ধৰ্মও প্ৰধানকৈ শাক্ত, শৈৱ, আৰু বৈষ্ণৱ ধৰ্মৰ বিভক্ত আছিল। সেই মতে ইয়াৰ পৃথক পৃথক ধৰ্মাৱলম্বী ভক্তও আছিল। স্বৰ্গদেউসকলে ধৰ্মৰ বিষয়ত সকলোকে সম্পূৰ্ণ স্বাধীনতা দিছিল বাবেই প্ৰজাই শান্তিত বাস কৰিব পাৰিছিল। আটাইতকৈ উল্লেখযোগ্য দিশ আছিল, আহোম সাম্ৰাজ্যত 'ভূমিহীন' প্ৰজা নাছিল, কাৰণ ৰজাঘৰৰ পৰা সকলো মানুহক হিচাপ কৰি মাটি ভগাই দিয়া হৈছিল। সেয়ে ৰাজ্যত নিবনুৱা সমস্যা নাছিল। সেইদৰে ভিক্ষাৰীও নাছিল। কোনো কোনোৱে ৰজাঘৰত কৰ্মচাৰীৰূপে খাটিছিল, কোনো কোনো খেতিয়ক আছিল। কুটীৰ শিল্প সেইদিনত প্ৰধান শিল্প আছিল। কুটীৰ শিল্প আৰু খেতিয়েই তেতিয়া সকলো আৱশ্যকীয় বস্তুৰ যোগান ধৰিছিল আৰু দেশ সম্পূৰ্ণভাৱে স্বাৱলম্বী আছিল। খোৱা, পিন্ধা, থকাৰ কথা ভাবিব নলগা হোৱাত প্ৰজাৰ আৰ্থিক অৱস্থা সকলোৰে প্ৰায় একেই আছিল। প্ৰজাই শান্তিত কাল কটাইছিল আৰু চুৰি, ডকাইতি নহৈছিল। অসমীয়া প্ৰজা সাধাৰণতে সহজ-সৰল আৰু ধৰ্মভীৰু আছিল।

আহোম স্বৰ্গদেউসকলৰ দিনত খনিজ পদাৰ্থৰ ভিতৰত চূণ, সোণ, লোণ আৰু লো খনিৰ পৰা আহৰণ কৰিছিল। অসমত সোণৰ খনি নাই। কিছুমান নৈৰ বালিত সোণৰ গুৰি পোৱা গৈছিল। ব্ৰহ্মপুত্ৰ, সোৱণশিৰি, দিক্ৰং, ভৰলী আদি নৈৰ বালিত সোণ পোৱা গৈছিল। ৰজাৰ সোণোৱাল বৰুৱাৰ অধীনত সোণোৱাল পাইক আছিল। ৰজাৰ ঘৰত সোণ কমোৱাৰ বাবে বছৰি নিৰ্দিষ্ট পৰিমাণৰ সোণ দিব লাগিছিল। তেওঁলোকে এক বিশেষ পদ্ধতিৰে বোঁৱতী নদীৰ পৰা সোণ সংগ্ৰহ কৰিছিল। স্ত্ৰী-পুৰুষ সকলোৰে অলংকাৰ পিন্ধিছিল। ৰজা আৰু ৰজাঘৰীয়াসকলে সোণৰ অলংকাৰ পিন্ধিছিল। কাণত পিন্ধিছিল বাখৰ পতোৱা লংকেৰু, লোকাপাৰ, ঝুনুৰ (কৰ্ণবালা), ডিঙিত হীৰা, মুকুতা, পান্না আদি খচিত দুগ্দুগী, হাতত সোণৰ ওপৰত মিনা কৰা গামখাৰু আৰু আঙুলিত হীৰা, মুকুতা খটোৱা আঙঠি পিন্ধিছিল। সৰ্বসাধাৰণ পুৰুষেও কাণত লংকেৰু, ডিঙিত মতামণি পিন্ধিছিল আৰু তিৰোতাসকলেও কেৰু, গলপতা, মুঠি খাৰু আৰু আঙুলিত আঙঠি পিন্ধিলেও ৰূপৰ অলংকাৰ ব্যৱহাৰ কৰিছিল।

সেই কালত লোণ এটা আপুৰুগীয়া সম্পদ আছিল। নগা পাহাৰৰ দাঁতিয়ে দাঁতিয়ে, জয়পুৰ আৰু মহঙত লোণৰ পুং আছে। ৰজাৰ ছহেজাৰ পাইকে লোণ পুঙত থাকি লোণ সংগ্ৰহ কৰিছিল যদিও পৰিমাণত কম হোৱা বাবে প্ৰজাই কলাখাৰ ব্যৱহাৰ কৰিছিল। চৰাইদেউ পৰ্বতৰ সিপাৰে তিৰুত, টিপাম পৰ্বতৰ জয়পুৰৰ পৰা নগা পাহাৰৰ দাঁতিত আৰু নাজিৰাত 'লো'ৰ খনি আছিল। লোৰ খনিত কাম কৰিবলৈ ৰজাই বহুতলোকক নিযুক্ত কৰিছিল। বিশেষভাৱে শোধন কৰি যি লো উৎপাদন হয়, তাৰে ৰজাই অসংখ্য সৰু-ডাঙৰ বৰতোপ বনাইছিল। যিবিলাক ৰণক্ষেত্ৰত ব্যৱহাৰ কৰা হৈছিল।

ৰজাঘৰৰ পৃষ্ঠপোষকতাত পশু-পক্ষীৰ চিকিৎসা আৰু যত্নৰ বাবে ঘোঁৰা পুথি, হাতী পুথি আদি লিখা হৈছিল। স্বৰ্গদেউ শিৱসিংহৰ দিনত সচিত্ৰ হাতীপুথি 'হস্তী-বিদ্যাৰ্ণৱ' পৃথিৱীৰ এক আপুৰুগীয়া সম্পদ আছিল।


স্বৰ্গদেউ ৰুদ্ৰসিংহ (খ্ৰীঃ১৬৯৬-১৭১৪) সংগীত কলাৰ প্ৰধান পৃষ্ঠপোষক আছিল। নটবিলাকে বাদ্যগীত আৰু নৃত্যৰ চৰ্চা কৰিছিল। তেওঁলোকৰ পুৰুষে বাদ্য বজায় আৰু তিৰোতাই গীত গাই নৃত্য কৰে। হাজো আৰু বৰপেটা মহকুমাৰ 'ডুবি' আছিল নটবিলাকৰ প্ৰধান বাসস্থান।

স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই (খ্ৰীঃ ১৭৫১-১৭৬৯) গড়গাঁৱত কাৰেংঘৰ, ৰংপুৰত তলাতল ঘৰ আৰু ৰংঘৰ নিৰ্মাণ কৰাইছিল। আহোমৰ দিনৰ পকীঘৰৰ ভিতৰত গড়গাঁৱৰ কাৰেংঘৰটো সবাতোকৈ সুন্দৰ আছিল আৰু তলাতল ঘৰটো বৰ কৌশলপূৰ্ণ আছিল। দুয়োটা ঘৰৰ একো অংশ মাটিৰ ওপৰত আৰু একো অংশ মাটিৰ তলত আছিল। তলাতল ঘৰ এনে কৌশলেৰে নিৰ্মাণ কৰা হৈছিল যে ইয়াৰ ভিতৰত সোমালে সহজে বাহিৰ ওলোৱা টান। তলাতল ঘৰৰ পৰা কাৰেংঘৰলৈ ১০ মাইল জোৰা আৰু দিখৌ নৈলৈ দুটা মানুহ অহা-যোৱা কৰিব পৰা সুৰংগ আছিল।

এনেহেন আহোম স্বৰ্গদেউসকলৰ ৰাজত্ব কালত মোৱামৰীয়া বিদ্ৰোহ নোহোৱাহেঁতেন আৰু বদন বৰফুকনে অসমলৈ মানহঁতক ননাহেঁতেন, আহোম স্বৰ্গদেউসকলৰ ছশ বছৰতকৈ অধিক কাল ৰাজ্য শাসন কৰাৰ যোগ্যতা আছিল।

*ফোন ঃ ৯৯৫৪০৩৮৭০৪*






# বাগ্‌সাৰ খাগ্ৰাবাৰীৰ ৮০ৰ ঊৰ্ধ্বৰ বৃদ্ধাৰ কৰুণ কাহিনী

## স্থানীয় লোকৰ জনপ্ৰতিনিধিলৈ আৰ্থিক সহায়ৰ আহ্বান

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১০ জুন ঃ** বাগ্‌সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত তথা ২০ নম্বৰ মথনগুৰী পৰিষদীয় সমষ্টিৰ খাগ্ৰাবাৰী গাঁৱৰ বাসিন্দা শনি বৰ্মণ নামৰ এগৰাকী ৮০ৰ ঊৰ্ধ্বৰ অসহায় বৃদ্ধাৰ কৰুণ কাহিনী। বৃদ্ধাগৰাকীৰ ঘৰত খাবলৈ নাই কোনো অন্ন। ঘৰত নাই কোনো এজন আত্মীয়। স্বামী ঢুকোৱা কে'বাবছৰো হ'ল। নাই পুত্ৰ সন্তান। দুগৰাকী ছোৱালী বিবাহ সূত্ৰে থাকে স্বামীগৃহত। বয়স হৈছে বাবে একো কৰিবলৈ সামৰ্থ্য নাই বৃদ্ধাগৰাকীৰ। এসাঁজ ৰান্ধি খাবলৈকে সামৰ্থ্য নোহোৱা হৈছে বৃদ্ধাগৰাকীৰ। এটা জুপুৰি সদৃশ ঘৰ আছিল সেয়াও কিছুদিন আগতে অহা প্ৰবল ধুমুহা-বৰষুণে তচনচ কৰি পেলাইছে। এতিয়া জৰাজীৰ্ণ অৱস্থাত



বিছনাখনত পৰি ৰৈছে বৃদ্ধাগৰাকী। এখন আঁঠুৱা পৰ্যন্ত নাই। ঘৰত অকলে কান্দি থকাৰ শব্দ শুনি চুবুৰীয়া এগৰাকীয়ে দিনদিয়েক পূৰ্বে এখন আঁঠুৱা আৰু অলপ কেৰাচিন কিনি দিছে। চৰকাৰী আঁচনিৰ ভিতৰত পাইছে মাথোঁ এখন ৰেচনকাৰ্ড। বৃদ্ধ পেঞ্চনৰ বাবে ককবকাই ঘূৰি ফুৰিও বঞ্চিত বৃদ্ধাগৰাকী। প্ৰশ্ন হয়, জনপ্ৰতিনিধিয়ে কিয় এই গৰাকী ব্যক্তিক চৰকাৰী আঁচনিৰ পৰা বঞ্চিত কৰে। যি সময়ত ৰাজ্যত হিতাধিকাৰী সৃষ্টিক লৈ সৰৱ আলোচনা হৈছে সেই সময়তে এইগৰাকী বৃদ্ধা হিতাধিকাৰী হিচাপে যোগ্য নহয় নেকি বুলি সচেতন মহলে প্ৰশ্ন তুলিছে। বাংলাদেশ, পাকিস্তানত থকা হিন্দুসকলৰ সুৰক্ষা দিব বিচৰা কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে এইগৰাকী বৃদ্ধাক কিয় দিব পৰা নাই অন্ন-বস্ত্ৰ-বাসস্থানৰ সুবিধা। সচেতন লোকসকলে স্থানীয় জনপ্ৰতিনিধি তথা বিটিআৰ চৰকাৰৰ কাৰ্যবাহী গৌতম দাস, স্থানীয় বিধায়ক মনোৰঞ্জন তালুকদাৰৰ লগতে চৰকাৰক ৮০ৰ ঊৰ্ধ্বৰ এই বৃদ্ধাগৰাকীক আৰ্থিকভাৱে সহায় কৰিবলৈ কাতৰভাৱে আহ্বান জনাইছে।

# লংকাত তিনি চিলনী চোৰ আটক আৰক্ষীৰ

অগ্ৰদূত বাৰ্তা

**লংকা, ১০ জুন ঃ** লংকা অঞ্চলত কিছুদিন ধৰি পথযাত্ৰীৰ ম'বাইল, ডিঙিৰ চেইন আদি থপিয়াই নিয়া ঘটনা পুনৰ সংঘটিত হোৱাত লংকা আৰক্ষী থানাৰ তৎপৰতাত তিনিজন চোৰক যোৱা নিশা লস্কৰ পথাৰৰ পৰা আটক কৰিবলৈ সক্ষম হয়। আটকাধীন চোৰকেইজনৰ নাম বীৰেন্দ্ৰ চৌহান, সনম উদ্দিন আৰু সুদীপ কুমাৰ দাস। ইয়াৰে বীৰেন্দ্ৰ চৌহানৰ ম'বাইল ফোনৰ দোকান আছে। উক্ত দোকানত চুৰি ম'বাইলসমূহৰ ছফটৱেৰ মাৰি পুৰণি সকলো তথ্য নোহোৱা কৰি চলাৰ উপযোগী কৰি তোলে বুলি আৰক্ষীয়ে জানিব দিয়ে। উল্লেখ্য যে উক্ত চিলনী চোৰকেইজনে বিগত বহুদিন ধৰি লংকাৰ বিভিন্ন অঞ্চলত আতংকৰ সৃষ্টি কৰি আহিছিল। অলপতে অনিতা দে নামৰ মহিলাগৰাকীৰ ম'বাইল ফোনটো থপিয়াই নিয়াৰ পাছত লংকা আৰক্ষী থানাৰ হেমন্ত বৰাই এই ঘটনা সন্দৰ্ভত ম'বাইল দোকানীসহ মুঠ তিনিজন আটক কৰাৰ উপৰি এজন অভিযুক্ত পলাই থকা বুলি সদৰী কৰে। লংকা আৰক্ষীয়ে আটক কৰা চোৰকেইজনে আজি আদালতলৈ প্ৰেৰণ কৰে।

# মৰিগাঁৱত ৫.৯৭ গ্ৰাম ড্ৰাগছসহ এজনক আটক আৰক্ষীৰ



অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ১০ জুন ঃ** মৰিগাঁও জিলাৰ মিকিৰভেটাত আজি সন্ধিয়াৰ ভাগত আৰক্ষীৰ এটা অভিযানকাৰী দলে বিশেষ সূত্ৰৰ পম খেদি চলোৱা এক অভিযানত ৩০টা কণ্টেইনাৰভৰ্তি ড্ৰাগছ উদ্ধাৰ কৰাৰ লগতে এজন সৰবৰাহকাৰীক আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে ৫.৯৭ গ্ৰাম ড্ৰাগছসহ আটক কৰা সৰবৰাহকাৰীজন মৰিগাঁও সদৰ থানাৰ অন্তৰ্গত বৰিগাঁৱৰ আমিনুল হক। আৰক্ষীয়ে আমিনুলক আটক কৰি অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে। ইপিনে, মৰিগাঁও আৰক্ষীয়ে ড্ৰাগছকে ধৰি মাৰাত্মক নিচাযুক্ত সামগ্ৰীৰ বিৰুদ্ধে ধাৰাবাহিকভাৱে অভিযান অব্যাহত ৰাখিছে।

# ছটা বিষয়ত লেটাৰ নম্বৰৰে চিকিৎসক হোৱাৰ লক্ষ্য পৰী তালুকদাৰৰ

অগ্ৰদূত বাৰ্তা

**পলাশবাৰী, ১০ জুন ঃ** পলাশবাৰীৰ মিৰ্জাস্থিত সৰস্বতী শিক্ষা নিকেতন স্কুলৰ পৰা এইবেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ ছটা বিষয়ত লেটাৰ নম্বৰৰে ডিষ্টিংচন লাভ কৰি পৰী তালুকদাৰে অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিছে। তালুকদাৰৰ এই সাফল্যত পিতৃ-মাতৃ তথা আত্মীয়ই উৎফুল্লিত হৈ পৰাৰ লগতে উপৰহালী গাঁৱৰ বাসিন্দা তথা পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই আদৰণি জনাই অনাগত সময়ত ইয়াতকৈ আৰু ভাল ফলাফল কৰিবলৈ প্ৰেৰণা যোগায়। তালুকদাৰে অনাগত দিনত চিকিৎসক হোৱাৰ লক্ষ্যৰে গুৱাহাটী লখৰাস্থিত ছাই বিকাশ জুনিয়ৰ কলেজত নাম ভৰ্তি কৰিছে। আনকি গড়ে দৈনিক মাত্ৰ চাৰি-পাঁচ ঘন্টা অধ্যয়ন কৰি পৰীক্ষা বুলি কোনো ধৰণৰ অতিৰিক্ত চিন্তা নোলোৱাকৈ পাঠ্যক্ৰমৰ কিতাপ পঢ়াৰ উপৰি সমান্তৰালভাৱে বাহিৰা কে'বাজনো ইংৰাজী আৰু অসমীয়া বিখ্যাত লেখকৰ কিতাপো নিয়মীয়াভাৱে পঢ়িছিল। আনহাতে, বাহিৰা কিতাপ পঢ়াৰ অভ্যাস থকাৰ পাছতো পিতৃ জলসম্পদ বিভাগৰ সহকাৰী অভিযন্তা দীপক তালুকদাৰ আৰু মাতৃ পলাশবাৰী আৰ বি উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ শিক্ষয়িত্ৰী অজন্তা তালুকদাৰে কোনো দিনে হকা-বাধা কৰা নাছিল। অৱশ্যে কিবা বুজি নাপালে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ সহায় লোৱাৰ লগতে ঘৰৰ পিতৃ-মাতৃক সুধিছিল। উল্লেখ্য যে তালুকদাৰে গণিতত ১০০, উচ্চ গণিতত ৯৮, ইংৰাজীত ৯৪, বিজ্ঞানত ৯১, অসমীয়াত ৮৯, সমাজ বিজ্ঞানত ৮৭ আৰু সাধাৰণ বিজ্ঞানত ৯১ নম্বৰ লাভ কৰে। ইফালে, পৰীয়ে অধ্যয়ণ কৰা বিদ্যালয় সৰস্বতী শিক্ষা নিকেতন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে বিদ্যালয়লৈ সুনাম কঢ়িয়াই অনা বাবে শুভেচ্ছা জ্ঞাপন কৰি উজ্বল ভৱিষ্যত কামনা কৰে।

# মন্ত্ৰী সঞ্জয় কিষাণৰ হোজাই জিলাৰ বান ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন

অগ্ৰদূত বাৰ্তা

**যমুনামুখ/হোজাই, ১০ জুন ঃ** বাৰিষাৰ প্ৰথমটো বানৰ কবলত পৰি ক্ষতিগ্ৰস্ত হোৱা হোজাই জিলাৰ বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহৰ পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে আজি ৰাজ্য চৰকাৰৰ চাহ জনগোষ্ঠী উন্নয়ন আৰু শ্ৰম বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণে হোজাই জিলাত উপস্থিত হয়। মন্ত্ৰীজনে হোজাই জিলাৰ উপায়ুক্তৰ স'তে বানত ক্ষতিগ্ৰস্ত হোৱা অঞ্চলসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। ইয়াৰ পাছত মন্ত্ৰীজনে জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হোৱা এখন সভাত উপস্থিত থাকে। জিলা দুৰ্যোগ ব্যৱস্থাপনা বিভাগ, হোজাইৰ সহযোগত অনুষ্ঠিত বান সংক্ৰান্তীয় পৰ্যালোচনা সভাত বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলো উপস্থিত থাকে। জিলা উপায়ুক্ত অনুপম চৌধুৰীয়ে সভাৰ আৰম্ভণিতে মন্ত্ৰীজনৰ স'তে উপস্থিত সকলোকে চিনাকি কৰাই দিয়ে। ইয়াৰ পাছত অতিৰিক্ত উপায়ুক্ত উৰ্মি মেধিয়ে পাৱাৰ পইন্ট প্ৰেজেন্টেছনৰে বান ক্ষতিগ্ৰস্ত হোৱা হোজাই, ডবকা আৰু লংকা চক্ৰৰ অধীনৰ অঞ্চলসমূহ, উদ্ধাৰ আৰু সাহায্য তথা আক্ৰান্ত অঞ্চলৰ বিস্তৃত তথ্য মন্ত্ৰীজনৰ আগত দাঙি ধৰে। সভাত মন্ত্ৰীজনে বিভিন্ন বিভাগসমূহৰ এই সময়ছোৱাত হোৱা বিভিন্ন আঁচনিৰ ক্ষয়ক্ষতিৰ তথ্যৰ লগতে কেনেদৰে সাহায্য আগবঢ়াইছে তাৰ ওপৰত মুৰব্বী বিষয়াসকলৰ স'তে আলোচনা কৰে। লগতে মন্ত্ৰীজনে সংশ্লিষ্ট বিভাগসমূহে ৰূপায়ণ কৰিবলগীয়া আঁচনিসমূহ অতি সোনকালে ৰূপায়ণ কৰিবৰ বাবে অনুৰোধ জনায়। অংগনবাড়ী কেন্দ্ৰৰ আঁচনি, গড়কাপ্তানী বিভাগৰ পথ, মীন বিভাগৰ আঁচনি, কৃষি বিভাগৰ শস্যৰ খেতিৰ ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ লগতে স্বাস্থ্য বিভাগৰ জৰিয়তে আক্ৰান্ত ৰাইজৰ বেমাৰ-আজাৰ আৰু চিকিৎসা সাহায্যৰো বুজ লয়।

# শ্ৰেষ্ঠ বিদ্যালয় বঁটা-কৃতী শিক্ষকৰ বঁটাৰ বাবে আবেদন আহ্বান

অগ্ৰদূত বাৰ্তা

**কনিহা, ১০ জুন ঃ** শিক্ষাৰ উত্তৰণৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেছনে ২০২২ৰ শ্ৰেষ্ঠ বিদ্যালয় বঁটা আৰু কৃতী শিক্ষকৰ বঁটাৰ বাবে আবেদন আহ্বান কৰিছে। ২০১৩ৰ পৰা ২০২২ লৈকে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ধাৰাবাহিকভাৱে এশ শতাংশ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হোৱা বিদ্যালয়সমূহে শ্ৰেষ্ঠ বিদ্যালয় বঁটাৰ বাবে আবেদন দাখিল কৰিব পাৰিব। আবেদনৰ লগত বিদ্যালয়ৰ নাম, সম্পূৰ্ণ ঠিকনা, বিদ্যালয়ৰ ফোন নম্বৰ, বিগত ১০ বছৰত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ধাৰাবাহিকভাৱে এশ শতাংশ উত্তীৰ্ণৰ তথ্য, চৰকাৰী স্কুলৰ ক্ষেত্ৰত পূৰ্বতে অনুষ্ঠিত গুণোৎসৱৰ তিনিটাত বিদ্যালয়ে পোৱা গ্ৰেডৰ প্ৰমাণপত্ৰৰ প্ৰতিলিপি, বিগত তিনি বছৰত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰা অসম চৰকাৰৰ নিম্ন প্ৰাথমিক বা উচ্চ প্ৰাথমিক বৃত্তিৰ বছৰ অনুসৰি সংখ্যা, বিদ্যালয়ৰ আলোচনীৰ নাম, বিদ্যালয়ত শ্ৰেণী প্ৰতি থকা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা, বিদ্যালয়ত কৰ্মৰত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীৰ সংখ্যা, বিদ্যালয়ৰ আন শৈক্ষিক বা অশৈক্ষিক আন্তঃগাঁথনিৰ বিৱৰণ দিব লাগিব। পৰেশ বৈশ্য ফাউণ্ডেছনৰ পৰা আগতে এই বঁটা পোৱা বিদ্যালয়সমূহে উক্ত বঁটাৰ বাবে আবেদন কৰিব নোৱাৰিব। বঁটাৰ বাবে নিৰ্বাচিত বিদ্যালয়ক পৰেশ বৈশ্য ফাউণ্ডেছনৰ শিক্ষা-সাংবাদিকতাৰ দিনত প্ৰদান কৰা হ'ব। আনহাতে, এই বছৰৰ পৰা একোখনকৈ প্ৰাথমিক বিদ্যালয়কো ন্যাসে স্ব-মূল্যায়নৰ জৰিয়তে শ্ৰেষ্ঠ বিদ্যালয় বঁটাৰ বাবে নিৰ্বাচিত কৰিব। আনহাতে, কৃতী শিক্ষকৰ বঁটাৰ বাবে অসমৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কৰ্মৰত শিক্ষক-শিক্ষয়িত্ৰীসকলে আবেদন কৰিব পাৰিব। আবেদনত নিজৰ আৰু বিদ্যালয়ৰ সম্পূৰ্ণ নাম-ঠিকনা, নিজৰ ফোন নম্বৰ, শিক্ষকতাৰ অভিজ্ঞতা, শিক্ষাগত অৰ্হতা, কোনো শিক্ষানুষ্ঠানৰ পৰা পূৰ্বতে পোৱা বঁটা-সন্মানৰ বিৱৰণ, নিজৰ দ্বাৰা ৰচনা কৰা পুথি বা আন সাহিত্য কৰ্মৰ বিৱৰণ, নিজে কাম কৰা বিদ্যালয়ৰ যোৱা তিনি বছৰৰ পৰীক্ষাৰ ফল, নিজৰ বিদ্যালয়ে বিগত গুণোৎসৱসমূহত লাভ কৰা গ্ৰেডৰ প্ৰমাণপত্ৰৰ প্ৰতিলিপি, পাঠদানৰ ক্ষেত্ৰত নিজে প্ৰয়োগ কৰা শ্ৰেষ্ঠ অনুশীলনৰ বিৱৰণ, নিজৰ আন সৃষ্টিশীল কৰ্মৰ বিৱৰণ আদি উল্লেখ কৰি আবেদন কৰিব লাগিব। উল্লিখিত দুয়োটা বঁটাৰ মনোনয়নসমূহ অহা ৩০ জুনৰ ভিতৰত পোৱাকৈ তলৰ ঠিকনাত স্পীড পোষ্টত বা ই-মেইলত পঠাব লাগিব। কোনো ধৰণৰ মনোনয়ন মাচুল নালাগে। যোগাযোগৰ ঠিকনা, পৰেশ বৈশ্য, পৰিচালন ন্যাসৰক্ষী, পৰেশ বৈশ্য ফাউণ্ডেছন, হাউছ নম্বৰ-পাঁচ, হাউছফেড হাউছিং কমপ্লেক্স, পশ্চিম বৰাগাঁও, গুৱাহাটী-৭৮১০৩৫, কামৰূপ মহানগৰ। ই-মেইল pranoy-1@ yahoo. co. in.ত ফোন নম্বৰ ৯৮৫৯২-৬৩৯৭৩।

# লখিমপুৰ জিলা চুতীয়া ছাত্ৰ সন্থাৰ লোকসেৱা আয়োগৰ প্ৰশিক্ষণৰ বাবে প্ৰপত্ৰ আহ্বান

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ১০ জুন ঃ** সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ উদ্যোগত তথা চুতীয়া উন্নয়ন পৰিষদ পুঁজিৰ দ্বাৰা চুতীয়া জনগোষ্ঠীৰ মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীক ভাৰতীয় অসামৰিক সেৱা আৰু অসম লোকসেৱা আয়োগ পৰীক্ষাত অৱতীৰ্ণ হ'ব পৰাকৈ বিনামূলীয়া প্ৰশিক্ষণৰ বাবে প্ৰপত্ৰ জমা দিবলৈ আহ্বান জনোৱা হৈছে। উল্লেখ্য যে এই প্ৰশিক্ষণৰ বাবে অহা ২৬ জুনত লখিমপুৰ জিলা উত্তৰ লখিমপুৰ মহাবিদ্যালয়, ডিব্ৰুগড় জিলাৰ কানৈ মহাবিদ্যালয়, গোলাঘাট জিলাৰ দেৱৰাজ ৰয় মহাবিদ্যালয় আৰু দিছপুৰ আইন মহাবিদ্যালয়ত দিনৰ ১২ বজাৰ পৰা তিনি বজালৈ পৰীক্ষা অনুষ্ঠিত হ'ব। ৰাজ্যখনৰ চুতীয়া জনগোষ্ঠীৰ আগ্ৰহী ছাত্ৰ-ছাত্ৰীৰ লগতে লখিমপুৰ জিলা চুতীয়া জনগোষ্ঠী ছাত্ৰ-ছাত্ৰীসকলে উক্ত যিকোনো এটা স্থান নিৰ্বাচন কৰি পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব। এই বাছনি প্ৰক্ৰিয়াৰ বাবে লখিমপুৰ জিলা ছাত্ৰ-ছাত্ৰীক উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত থকা সদৌ লখিমপুৰ জিলা চুতীয়া ছাত্ৰ সন্থাৰ কাৰ্যালয়ত অথবা লখিমপুৰ জিলা চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি অমৃত দাস (৯৩৯৫৬-২০২১৪), সাধাৰণ সম্পাদক বলিন চুতীয়া (৯১০১৫-৪২১০৭) যোগাযোগ কৰি প্ৰপত্ৰ সংগ্ৰহ কৰি ১৫ জুনৰ ভিতৰত জমা দিবলৈ আহ্বান জনাইছে।

# এশ শতাংশ উত্তীৰ্ণৰে উজলিল টিহুৰ গ্ৰামাঞ্চলত অৱস্থিত দীঘেলী হাইস্কুল

অগ্ৰদূত বাৰ্তা

**টিহু, ১০ জুন ঃ** টিহু অঞ্চলৰ এখন ঐতিহ্যমণ্ডিত কৃষিপ্ৰধান গাঁও দীঘেলী। এই দীঘেলী গাঁৱতে অৱস্থিত অঞ্চলটোৰ দুখীয়া ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰা দীঘেলী হাইস্কুলৰ পৰা সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত এশ শতাংশ উত্তীৰ্ণ হোৱাত স্থানীয় ৰাইজে সন্তোষ প্ৰকাশ কৰিছে। হাইস্কুলখনৰ পৰা এইবাৰ ২৮ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ইয়াৰ ভিতৰত পাঁচগৰাকীয়ে বিভিন্ন বিষয়ত লেটাৰ মাৰ্ক পোৱাৰ উপৰি সাতগৰাকীয়ে প্ৰথম বিভাগ, ১৫ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু ছয়গৰাকীয়ে তৃতীয় বিভাগ পাই এশ শতাংশ উত্তীৰ্ণৰে ভাল ফলাফল দেখুৱাবলৈ সক্ষম হৈছে।

# ডিব্ৰুগড়ৰ পৰা প্ৰথমটো হজযাত্ৰীৰ দল মক্কালৈ ৰাওনা

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ১০ জুন ঃ** ডিব্ৰুগড়ৰ পৰা প্ৰথমটো হজযাত্ৰীৰ দল ৰেলেৰে গুৱাহাটীলৈ ৰাওনা হয়। তেওঁলোকক আজি পৰিয়াল, বন্ধু-বান্ধৱ আৰু আত্মীয়-স্বজনৰ লগতে অনেক গুণমুগ্ধই ৰেল ষ্টেছনত বিদায় দিয়ে। বিদায় লোৱাৰ পূৰ্বে হজযাত্ৰীসকলে বিশ্ব শান্তিৰ বাবে, ডিব্ৰুগড়বাসীৰ লগতে সকলোৰে বাবে কুশল কামনাৰে দোৱা প্ৰাৰ্থনা কৰে। এইবাৰ ডিব্ৰুগড়ৰ পৰা মুঠ ৩২ আৰু তিনিচুকীয়া জিলাৰ পৰা ২০জন হজযাত্ৰীয়ে মক্কা-মদিনালৈ যাব। তাত তেওঁলোকে মুঠতে ৪০ দিন থাকি মক্কা-মদিনাত তোৱাফ, ছয়তানক কংকৰ দলিয়া, মদিনাত ৪০ ৰাক্ত নামাজ আদি সকলো নিজৰ নিজৰ কামবোৰ কৰি সন্মানীয় হাজী উপাধি লৈ আহিব। হজযাত্ৰীসকলে ইতিমধ্যে দুটা পৰ্যায়ত অভিজ্ঞ প্ৰশিক্ষকৰ দ্বাৰা হজৰ প্ৰশিক্ষণ লোৱাৰ লগতে টিকাকৰণো কৰিছে। হজযাত্ৰীসকলে গুৱাহাটীত গৈ পাছপ'ৰ্ট লৈ তাৰ পৰা পোনে পোনে উৰাজাহাজেৰে মক্কা মদিনালৈ যাব। উল্লেখ্য যে এইবাৰ মাত্ৰ ১০ লাখ হাজীয়েহে হজ সমাপন কৰিব পাৰিব বুলি ছৌদি আৰৱ চৰকাৰে ঘোষণা কৰিছে। প্ৰতি বছৰে আৰৱত ৪০-৫০ লাখ লোকে হজত অংশগ্ৰহণ কৰে। তদুপৰি এইবাৰ ৬৫ বছৰ ঊৰ্ধ্বৰ বয়সৰ লোকক ক'ভিড পৰিস্থিতিৰ বাবে ছৌদি চৰকাৰে যোৱাত বাধা নিষেধ কৰিছে।

# ৯৭.৪৪ শতকৰা উত্তীৰ্ণ হাৰেৰে পদ্মনাথ গোহাঞি বৰুৱা হাইস্কুল শীৰ্ষত

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ১০ জুন ঃ** উত্তৰ লখিমপুৰ চহৰৰ আগশাৰীৰ উত্তৰ লখিমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, উত্তৰ লখিমপুৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু পানীন্দ্ৰ বিদ্যালয়তকৈ পদ্মনাথ গোহাঞি বৰুৱা হাইস্কুলে এইবাৰ সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৯৭.৪৪ শতকৰা উত্তীৰ্ণ হাৰেৰে শীৰ্ষ স্থান দখল কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে ইয়াৰ বিপৰীতে পানীন্দ্ৰ হাইস্কুলৰ উত্তীৰ্ণৰ হাৰ ৯৭.২ লখিমপুৰ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৯৩.২৯, উত্তৰ লখিমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৮৭.৬২। প্ৰথমবাৰৰ বাবে বিদ্যালয়খনৰ সন্তোষজনক এই অগ্ৰগতিত বিদ্যালয়খনৰ প্ৰধান শিক্ষক দ্বীপজ্যোতি শৰ্মা, বিদ্যালয়ৰ উন্নয়ন পৰিচালনা সমিতি আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে সন্তুষ্টি লাভ কৰিছে।

# চাফাই কৰ্মীৰ চাকৰি নিয়মীয়াকৰণৰ দাবী ঃ গোৱালপাৰাৰ অভিভাৱক মন্ত্ৰীক স্মাৰকপত্ৰ প্ৰদান

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১০ জুন ঃ** চাফাই কৰ্মীৰ চাকৰি নিয়মীয়া আৰু চৰকাৰীকৰণৰ দাবীত গোৱালপাৰা পৌৰসভা শ্ৰমিক ইউনিয়ন আৰু চাফাই কৰ্মী ইউনিয়নে বিত্তমন্ত্ৰী তথা গোৱালপাৰা জিলা অভিভাৱক মন্ত্ৰীক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰত উল্লেখ কৰা মতে, গোৱালপাৰা পৌৰসভাৰ ১৯টা ৱাৰ্ডৰ উপৰি শোলমাৰীলৈকে দুৰ্গন্ধময় পৰিৱেশৰ মাজত জাবৰ-জোঁথৰৰ লগতে গেলা-পচা-মৰাশ আদি চাফা কৰি আহিছে চাফাই কৰ্মীসকলে এইদৰে চাফাই কৰ্মীসকলে চহৰখন চাফ চিকুণকৈ ৰখাৰ লগতে জনসাধাৰণক বিভিন্ন ধৰণৰ বাজীণুৰ দ্বাৰা আক্ৰান্ত হোৱাৰ পৰা ৰক্ষা কৰি আহিছে। কিন্তু অতি পৰিতাপৰ বিষয় এই যে গোৱালপাৰা পৌৰসভাই আজিলৈকে চাফাই কৰ্মীসকলক নিয়োগ পত্ৰ প্ৰদান কৰা নাই। আথচ প্ৰায়বোৰ পৌৰপতিয়ে তেওঁৰ নিজৰ পছন্দৰ ব্যক্তিক কাৰ্যালয়ত নিযুক্তি প্ৰদান কৰিছে আৰু তেওঁলোকে নিয়মীয়াকৈ কাম কৰি আছে। ইপিনে, চৰকাৰী চাৰ্কুলাৰ মতে আজিলৈকে চাফাই কৰ্মীসকলক নিয়মীয়াকৈ ন্যায্য মজুৰি আদায় দিয়া নাই। আনকি হৰিজন চাফাই কৰ্মীসকলক মাহিলি মাত্ৰ চাৰিৰ পৰা পাঁচ হেজাৰ টকা মজুৰি আদায় দি আহিছে। সেয়েহে অনতি পলমে গোৱালপাৰা পৌৰসভাৰ চাফাই কৰ্মীসকলক নিয়োগ পত্ৰ প্ৰদান কৰি চৰকাৰী কৰ্মচাৰী হিচাপে স্বীকৃতি প্ৰদানৰ ব্যৱস্থা কৰিবলৈ যোৱা আঠ জুনত গোৱালপাৰা ভ্ৰমণলৈ অহা জিলাৰ অভিভাৱক মন্ত্ৰী অজন্তা নেওগক গোৱালপাৰা পৌৰসভা শ্ৰমিক ইউনিয়ন আৰু চাফাই কৰ্মী ইউনিয়নে স্মাৰকপত্ৰ যোগে দাবী জনাইছে।

# তেজপুৰত মৃতদেহ উদ্ধাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ১০ জুন ঃ** আজি পুৱা তেজপুৰৰ টুমুকীত এটা মৃতদেহ উদ্ধাৰ কৰা হয়। অঞ্চলটোৰ এটা পুখুৰীত উদ্ধাৰ হোৱা মৃতদেহটো একাংশ লোকে দেখা পাই আৰক্ষীক খবৰ দিয়ে আৰু বিহগুৰি আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰে। ৬০ ঊৰ্ধ্বৰ লোকজনৰ পৰিচয় উদ্ধাৰ হোৱা নাই যদিও পেছাত বাতৰি কাকত বিতৰণ কৰা লোকজনৰ ঘৰ কাৰৈমাৰী অঞ্চলত বুলি ধাৰণা কৰা হৈছে।

# কাৰ্বন ৰিছ'ৰ্চে প্ৰাইভেট লিমিটেডৰ ক্ৰীড়া সামগ্ৰী বিতৰণ

অগ্ৰদূত বাৰ্তা

**গৰুভাষা, ১০ জুন ঃ** চিৰাং জিলাৰ ঢালিগাঁৱৰ কুকুৰমাৰীস্থিত কাৰ্বন ৰিছ'ৰ্চে প্ৰাইভেট লিমিটেডে আজি খৌৰামদাউ স্প'ৰ্টছ ক্লাব তথা লাইব্ৰেৰীৰ খেলুৱৈসকলৰ মাজত ভালেমান ক্ৰীড়া সামগ্ৰী বিতৰণ কৰে। স্থানীয় ব্ৰহ্ম মন্দিৰৰ সভাকক্ষত শশাংক মুছাহাৰীৰ সভাপতিত্বত অনুষ্ঠিত এক অনুষ্ঠানত কোম্পানীটোৱে যুৱ ক্ৰীড়া প্ৰতিভা বিকাশৰ বাবে সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত এই ক্ৰীড়া সামগ্ৰীসমূহ বিতৰণ কৰে। কাৰ্বন ৰিছ'ৰ্চে প্ৰাইভেট লিমিটেডৰ হৈ সঞ্চালক (প্ৰকল্প) আৰ কে শৰ্মা, উপ-সভাপতি এছ কে সিঙে সামগ্ৰীসমূহ বিতৰণ কৰে। ক্ৰীড়া সামগ্ৰীসমূহৰ ভিতৰত আছে ফুটবল খেলুৱৈৰ জাৰ্চী, বুট জোতা, নেট ইত্যাদি আৰু ক্ৰিকেটৰ বেট, বল, গ্ল'বছ, গাৰ্ড আদি। কোম্পানীটোৰ এই পদক্ষেপৰ বাবে স্থানীয় লোকসকলে ভূয়সী প্ৰশংসা কৰে।

# ৰঙাপৰা উঃ মাঃ বিদ্যালয়ত শিশুনাট 'আপোন ঘৰ' উন্মোচন

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ১০ জুন ঃ** 'সাহিত্য চৰ্চাৰ ভিতৰত নাটক এখন সৃষ্টি কৰা অতি কঠিন কাম। নাটক এখনত মঞ্চ, সংলাপ, চৰিত্ৰ আদি সকলো কথা জড়িত হৈ থাকে। বৰ্তমান সময়ত বন আৰু পৰিৱেশ সুৰক্ষাৰ আধাৰত এখন শিশু নাটক ৰচনা কৰাটো লেখকৰ বাবে সহজ কথা নহয়। প্ৰকৃতিৰ বাবে পৰিৱেশ আৰু প্ৰদূষণে ভয়াৱহতাৰ সৃষ্টি কৰি আহিছে। নৱপ্ৰজন্মক যদি সৰুৰে পৰা পৰিৱেশৰ প্ৰতি সজাগ কৰিব পৰা নাযায় তথা শিশু নাটকৰ জৰিয়তে সজাগতাৰ সৃষ্টি কৰি পৰিৱেশ সংৰক্ষণ কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে।' এই মন্তব্য কৰে তেজপুৰৰ সুলেখিকা ড° বীণাপাণি মহন্তই। আজি ৰঙাপৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিদ্যালয়খনৰ গণিত বিষয়ৰ শিক্ষক ভূপেন চন্দ্ৰ দাসে ৰচনা কৰি উলিওৱা 'আপোন ঘৰ' নামৰ শিশুনাটখন উন্মোচন কৰা হয়। শিশুনাটখন উন্মোচন কৰি লেখিকাগৰাকীয়ে কয় যে ভাৰতবৰ্ষত পৰিৱেশ-প্ৰদূষণৰ বাবে প্ৰতি মিনিটত তিনিটা শিশুৰ কৰুণ মৃত্যু ঘটি আহিছে। জুনত প্ৰকাশ পোৱা এক তথ্য মতে, ভাৰতবৰ্ষতে বিশ্বৰ ভিতৰত গছ-গছনিৰ সংখ্যা কাম। কানাডাত এজন মানুহৰ বিপৰীতে প্ৰায় ৮৯৫৩ জোপা গছ আছে আৰু ভাৰতবৰ্ষত এজন মানুহৰ বিপৰীতে মাত্ৰ ২৮ জোপাহে গছ আছে। ইয়াৰ মূল কাৰণ হৈছে জীৱশ্ৰেষ্ঠ মানুহে অবাধ গতিত বনাঞ্চলৰ ধ্বংস কৰা। ইফালে, আপোন ঘৰ শিশুনাটখন উন্মোচনী সভাত ভাগ লৈ ৰঙাপৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক তথা কবি ভৱেশ মিশ্ৰই কয় যে এগৰাকী লেখকে যেতিয়া এখন কিতাপ প্ৰকাশ কৰি উলিয়াই উক্ত কিতাপখন পঢ়াৰ দায়িত্ব ছাত্ৰ-ছাত্ৰীসকলৰ। ৪৮ পৃষ্ঠাৰ নটা চৰিত্ৰ আৰু মাত্ৰ চাৰিটা দৃশ্য থকা শিশুনাটক লিখি প্ৰকাশ কৰি উলিওৱাটো বৰ কঠিন। অতি পৰিতাপৰ বিষয় যে ৰঙাপৰা অঞ্চলত ৫৫ শতাংশ মানুহে বাতৰি কাকত নপঢ়ে। মানুহে অধ্যয়ন বা বাতৰি কাকত পঢ়িলেহে মানুহৰ জ্ঞান বৃদ্ধি হ'ব। এটা ভেকুলীয়ে যেনেকৈ সদায় পুখুৰীটোকে সাগৰ বুলি ভাবি লয় তেনেকৈ যদি মানুহে ভাবি লয় তেতিয়াহ'লে এখন সুন্দৰ সমাজ কেতিয়াও গঢ়ি নুঠে। দিনৰ ১১ বজাত ৰঙাপৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত শিশুগ্ৰন্থ উন্মোচনী সভাত বিদ্যালয়খনৰ অধ্যক্ষ মোহন গোস্বামী আৰু ৰঙাপৰা প্ৰেছ ক্লাবৰ সভাপতি পংকজ নাথ আদি কৰি শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত আছিল।

# মিছামৰাত স্মাৰক বক্তৃতানুষ্ঠানৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ১০ জুন ঃ** দেৰগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক, মিছামৰা শাখা গোট ছাত্ৰ সন্থাৰ উপদেষ্টা, সুদক্ষ অভিনেতা, আলোক চিত্ৰশিল্পী প্ৰয়াত পিংকুল দত্তৰ জন্ম দিৱসতো 'ছাত্ৰ নেতা পিংকুল দত্ত স্মাৰক ফাউণ্ডেছন'ৰ উদ্যোগত প্ৰতি বছৰে উদ্‌যাপন কৰা হয়। এই বৰ্ষত কাইলৈ অনুষ্ঠিত হ'বলগীয়া জন্ম দিৱস উদ্‌যাপনৰ অন্যান্য কাৰ্যসূচীৰ লগতে এক বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হৈছে। মিছামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত 'বিজ্ঞান, প্ৰযুক্তি আৰু উদ্ভাৱন' শীৰ্ষক এই বক্তৃতানুষ্ঠানখন উদ্বোধন কৰিব গোলাঘাটৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° সমীৰণ বৰাই। বুঢ়ালিকচন কুঁহিয়াৰ গৱেষণা কেন্দ্ৰৰ প্ৰাক্তন মুখ্য বিজ্ঞানী ড° বিজ্ঞান চন্দ্ৰ বৰদলৈৰ সঞ্চালনাত অনুষ্ঠিত হ'বলগীয়া এই বক্তৃতানুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকিব যোৰহাট নেইষ্টৰ প্ৰধান বিজ্ঞানী ড° বিনয় শইকীয়া। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক অভিৱৰ্তন গোস্বামীও উপস্থিত থাকিব।

# সমাজ, ৰাষ্ট্ৰই আমাক পৰনিৰ্ভৰশীল হৈ থকাটো বিচাৰে

## মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস

বিশেষ সংবাদদাতা

**নগাঁও, ১০ জুন ঃ** 'জীৱনৰ গুণ নিৰ্ভৰ কৰিব লক্ষ্যৰ ওপৰত। লক্ষ্য মহান হ'লে জীৱন মহান হয়। জীৱনৰ লক্ষ্য বিশাল।' এই মন্তব্য সাহিত্যিক, সাহিত্য একাডেমী বঁটা প্ৰাপক দিগন্ত বিশ্ব শৰ্মাৰ। আজি নগাঁৱৰ খগেন মহন্ত প্ৰেক্ষাগৃহত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ নৱম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত সভাত অংশগ্ৰহণ কৰি বিশ্ব শৰ্মাই এই মন্তব্য কৰি লগতে আৰু কয়, 'বক্তৃতা মোৰ প্ৰবৃত্তি নহয়। কিন্তু বক্তৃতা মোৰ জীৱনৰ অবিচ্ছেদ্য অংগ।' নিজৰ ভাষণত শৰ্মাই উপনিষদৰ নাচিকেতাৰ কাহিনী উল্লেখ কৰি কয়, 'নাচিকেতাই শ্ৰদ্ধাৰ জৰিয়তে অসাধ্য সাধন কৰিব পাৰিছিল। সমাজ, ৰাষ্ট্ৰই আমাক পৰনিৰ্ভৰশীল হৈ থকাটো বিচাৰে। আমাৰ অন্তৰত থকা নাচিকেতাক জাগ্ৰত হ'বলৈ নিদিয়ে। শচীন টেণ্ডুলকাৰ, লতা মংগেশকাৰ আদি জীৱনৰ ব্ৰত লৈ জন্ম হোৱা নাই। একেদৰে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ অন্তৰত জীৱনৰ ব্ৰত আছে। সকলোৰে প্ৰচণ্ড সম্ভাৱনা লৈ জন্ম গ্ৰহণ কৰে। সেই সম্ভৱনাক



অভিব্যক্তি কৰিব পাৰিব লাগিব। তেতিয়াহে আমি কামৰ সৃষ্টি কৰিব পাৰিম। যিদিনা আমি সেই অভিব্যক্তি লাভ কৰিম, সেই দিনাই আমি 'স্বৰাট' হ'ম। স্বৰাট মানে আত্মদিপ্ত ভগৱান।' ভাষণ প্ৰসংগত তেওঁ লগতে কয়, 'জীৱনৰ চাৰিটা লক্ষ্য আছে। সেই কেইটা হ'ল জীৱিকা, অৰ্থ, সুখ্যাতি আৰু ক্ষমতা। সকলোৰে কয় ভগৱান অনন্ত, ভগৱান অনন্ত হয় নে নহয় মই নাজানো, কিন্তু অৰ্থলিপ্সা যে অনন্ত সেইটো ধ্ৰুৱ সত্য। এই চাৰিটা লক্ষ্য জীৱনৰ বাবে প্ৰয়োজনীয় যদিও সমগ্ৰ নহয়। বাহ্য জীৱনত পঞ্চমটো লক্ষ্য আছে বুলি নাজানো।' 'জীৱনৰ লক্ষ্য আৰু ব্যক্তিত্বৰ পৰিপূৰ্ণতা' শীৰ্ষক বক্তৃতা প্ৰদান কৰি তেওঁ কয়, 'মানুহৰ অন্তৰত পূৰ্বৰ পৰাই পৰিপূৰ্ণতাৰ অভিব্যক্তি আছে।' তেওঁ লগতে কয় যে সকলোৰে অন্তৰত নাচিকেতা আছে। প্ৰত্যেক যুৱক-যুৱতীৰ অন্তৰত নাচিকেতা জাগৃত হলে মন্দাকিনী ধাৰা প্ৰবাহিত হ'ব। মন্দাকিনী ধাৰা প্ৰবাহিত হ'লে যুৱক-যুৱতীয়ে অৱলীলা ক্ৰমে ঐশ্বৰ্য, বিভূতি লাভ কৰিব পাৰিব। অসাধ্য সাধন কৰিব পাৰিব। উপনিষদ, শ্ৰীঅৰবিন্দ, স্বামী বিবেকানন্দৰ প্ৰসংগ উল্লেখ কৰি তেওঁ লগতে কয় যে সামন্ত প্ৰথা কেতিয়াবাই নোহোৱা হৈ গ'ল। কিন্তু মানুহৰ অন্তৰত সামন্ত জীয়াই আছে। সাগৰৰ উত্তাল তৰংগই সাগৰ যে ৰত্নাগৰ্ভা সেই বতৰা দিব নোৱাৰে বুলি শৰ্মাই মন্তব্য কৰে। প্ৰকৃতিৰ বিভিন্ন দিশৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে আন্তঃজীৱন আৰু বাহ্য জীৱন সমান্তৰালভাৱে প্ৰবাহিত হ'লে আন্তঃজীৱন সমৃদ্ধ হ'ব। সাম্প্ৰতিক সময়ত সম্বন্ধত সংকট আহিছে বুলি গুৰুত্বপূৰ্ণ মন্তব্য কৰি শৰ্মাই কয় সমগ্ৰ বিশ্ব এই সমস্যাত আক্ৰান্ত হৈছে। শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাই আদৰণী ভাষণ প্ৰদান কৰা সভাত অংশগ্ৰহণ কৰি নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়ন আদিৰ ক্ষেত্ৰত বৰ্তমানৰ চৰকাৰে লোৱা পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। সভাত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড° মৃদুল হাজৰিকা, পঞ্জীয়ক ড° মৃণাল কুমাৰ বৰা, সংঘৰ মুখ্য উপদেষ্টা ভৱেন্দ্ৰ নাথ ডেকাই অংশগ্ৰহণ কৰি বিশ্ববিদ্যালয়খনৰ শৈক্ষিক দিশৰ বিষয়ে উল্লেখ কৰে। পুৱা পতাকা উত্তোলনৰে প্ৰতিষ্ঠা দিৱসৰ আৰম্ভ কৰা হয়। সভাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰাৰ লগতে বিশ্ববিদ্যালয়ৰ গীত আৰু বৰগীত পৰিবেশন কৰা হয়। বিয়লি অংকীয়া ভাওনা 'পাৰিজাত হৰণ' প্ৰদৰ্শন কৰা হয়।

# পাথৰিঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এশ শতাংশই উত্তীৰ্ণ

অগ্ৰদূত বাৰ্তা

**দুনী, ১০ জুন ঃ** মেধাৱী শিক্ষাৰ্থী অধ্যয়ন কৰা বিদ্যালয়খনৰো আছে সুকীয়া পৰিচয়। চৰকাৰী খণ্ডুৰ বিদ্যালয় হিচাপে বিগত চাৰি বছৰে এশ শতাংশ উত্তীৰ্ণৰে অঞ্চলত উজলিছে। এইবেলি মুঠ ২০ গৰাকী পৰীক্ষাৰ্থীৰ ১৯ গৰাকী উত্তীৰ্ণ হৈ ৯৫ শতাংশৰে অঞ্চললৈ সুনাম আনিছে।

# মালয়বাৰীত চোৰ কৰায়ত্ত

অগ্ৰদূত বাৰ্তা

**সোণাপুৰ, ১০ জুন ঃ** ক্ষেত্ৰী আৰক্ষী থানাৰ অন্তৰ্গত মালয়বাৰীৰ লক্ষীটাৰীত আজি পুৱা ৰাইজৰ হাতত দুজনকৈ গভাইত চোৰ কৰায়ত্ত হয়। উল্লেখ্য যে চোৰ দুজনে কাষতে নিৰ্মীয়মান জলজীৱন আঁচনিৰ পাইপ চুৰি কৰি চাইকেলেৰে নি থকা অৱস্থাত ৰাইজে হাতে-লোটে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। পাছত ৰাইজে আনাৰুল হক (২৫) আৰু নাজিৰুল হুছেইন (২২) নামৰ চোৰ দুজনক উত্তম-মধ্যম শোধাই ক্ষেত্ৰী আৰক্ষী কগতাই দিয়ে।

ৰাজহুৱা জাননী

ICICI Bank

পঞ্জীয়নভুক্ত কাৰ্যালয় ঃ লেণ্ডমাৰ্ক, ৰেচ কৰ্'চ চাৰ্কল, ভদোদৰা-৩৯০০০৭
কৰ্প'ৰেট কাৰ্যালয় ঃ আই চি আই বি আই টাৱাৰ্চ, বান্দ্ৰা-কুলা কমপ্লেক্স, মুম্বাই-৪০০০৫১

সোণ নিলাম আৰু নিমন্ত্ৰণী জাননী

আই চি আই চি আই বেংক লিমিটেড (আই চি আই চি আই বেংক)ৰ পৰা দিয়া সুবিধা অনুসৰি তলত উল্লেখ কৰা ঋণীসকলক তেওঁলোকৰ সোণৰ গহণাৰ বিপৰীতে গ্ৰহণ কৰা ঋণৰ সুতৰ স'তে সমুদায় ধনৰাশি পৰিশোধ কৰিবলৈ জাননী জাৰি কৰা হৈছিল। তেওঁলোকে উক্ত ধনৰাশি পৰিশোধ কৰিবলৈ অপাৰগ হোৱাৰ বাবে আমি **২০ জুন ২০২২** তাৰিখে সেই গহণাসমূহ নিলাম কৰিবলৈ ব্যৱস্থা কৰিছো। আগতীয়া কোনো জাননী নিদিয়াকৈ আই চি আই চি আই বেংকে উক্ত নিলামৰ তাৰিখ/একাউণ্ট নম্বৰ সলনি কৰাৰ অধিকাৰ ৰাখিছে। দিনৰ **১২.৩০ৰ পৰা ৩.৩০ বজালৈ** Website.https://jewel-auction.procuretiger.comৰ যোগেদি অনলাইন পদ্ধতিৰে উক্ত নিলাম সম্পন্ন কৰা হ'ব। বিযদ নিয়মাৱলীৰ বাবে উল্লেখ কৰা ৱেবছাইটত লগ ইন কৰক। মৃত ঋণীৰ ক্ষেত্ৰত সমুদায় দায়িত্ব তেওঁৰ উত্তৰাধিকাৰীৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব।

| লোন একাউণ্ট নং | গ্ৰাহকৰ নাম |
|---|---|
| শাখাৰ নাম ঃ বৰপেটা | |
| [illegible] | ৰাজেশ দে |
| শাখাৰ নাম ঃ বিজয় নগৰ | |
| [illegible] | পৱন ৰাজবংশী |
| শাখাৰ নাম ঃ বিশ্বনাথ চাৰিআলি | |
| [illegible] | জাহিদুল ইছলাম |
| শাখাৰ নাম ঃ দুলিয়াজান | |
| [illegible] | ৰাতুল হাজৰিকা |
| শাখাৰ নাম ঃ গুৱাহাটী-ৰুক্মীনি গাঁও | |
| [illegible] | চেনফৰ্ড ডমিনিক ডিছোজা |
| শাখাৰ নাম ঃ গুৱাহাটী ফাচী বজাৰ | |
| [illegible] | বন্তি দাস |

| লোন একাউণ্ট নং | গ্ৰাহকৰ নাম |
|---|---|
| শাখাৰ নাম ঃ হোজাই | |
| [illegible] | ৰেচমিনা য়াছমিন চৌধুৰী |
| শাখাৰ নাম ঃ জোগিঘোপা | |
| [illegible] | মাহিনুৰ ইছলাম |
| শাখাৰ নাম ঃ লংকা | |
| [illegible] | তপন বিশ্বাস |
| শাখাৰ নাম ঃ লামডিং | |
| [illegible] | কৃষ্ণ চক্ৰৱৰ্তী |
| শাখাৰ নাম ঃ মাৰ্ঘেৰিটা | |
| [illegible] | বাপ্পা দে |
| শাখাৰ নাম ঃ মৰাণ টাউন | |
| [illegible] | ভাস্কৰ বড়গোহাঁই |
| শাখাৰ নাম ঃ শিৱসাগৰ | |
| [illegible] | স্বৰন কুমাৰ পোখৰেল |
| [illegible] | মমী বেগম |

| লোন একাউণ্ট নং | গ্ৰাহকৰ নাম |
|---|---|
| শাখাৰ নাম ঃ শিলচৰ | |
| [illegible] | নবাৰুণ ৰয় |
| [illegible] | শ্বেতাব উদ্দিন বৰভূঞা |
| [illegible] | শ্বাস্বতী নাথ |
| শাখাৰ নাম ঃ শিলচৰ-তাৰাপুৰ | |
| [illegible] | ইলোৱা বেগম মজুমদাৰ |
| শাখাৰ নাম ঃ শিলচৰ-ইউকেডি ৰোড | |
| [illegible] | সৌৰভ পাঠক |
| শাখাৰ নাম ঃ তেজপুৰ | |
| [illegible] | নগেন লহকৰ |
| [illegible] | অজিত কুমাৰ পণ্ডিত |

তাৰিখ ঃ ১০-০৬-২০২২
স্থান ঃ কাছাৰ, ডিব্ৰুগড়, হোজাই, কামৰূপ (ম), শিৱসাগৰ, শোণিতপুৰ, তিনিচুকীয়া, বাগ্‌সা, বৰপেটা, বিশ্বনাথ, বঙাইগাঁও।

স্বাক্ষৰ/কৰ্তৃত্বশীল বিষয়া
আই চি চি আই বেংক লিমিটেডৰ হৈ

# বৰপেটা ছোৱালী মহাবিদ্যালয়ত জলবায়ু পৰিৱৰ্তন বিষয়ক আলোচনাচক্ৰ সম্পন্ন

**বিশেষ সংবাদদাতা**

**বৰপেটা, ১০ জুন ঃ** পাঁচ জুনৰ পৰা ১২ জুনলৈ বিশ্ব পৰিৱেশ সপ্তাহৰ স'তে সংগতি ৰাখি কালি বৰপেটা চহৰৰ এখন অগ্ৰণী মহিলাৰ উচ্চ শিক্ষা প্ৰতিষ্ঠান বৰপেটা ছোৱালী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত আৰু ছাত্ৰী একতা সভাৰ সহযোগত 'কাৰ্বন-ডাই-অক্সাইড, সেউজ গৃহ গেছ আৰু জলবায়ু পৰিৱৰ্তন সম্পৰ্কীয় বোধ' বিষয়ক এখন আলোচনাচক্ৰৰ আয়োজন কৰা হয়। মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি বাৰীন্দ্ৰ ভূঞাৰ সঞ্চালনাত অনুষ্ঠিত এই আলোচনাচক্ৰৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ দাসে পৰিৱেশ বিনষ্টকৰণ আৰু জলবায়ু পৰিৱৰ্তন আদি বিষয়ত ছাত্ৰ-ছাত্ৰীসকলৰ সজাগতা সৃষ্টিৰ প্ৰয়োজনীয়তাৰ বিষয়ে কয়। আলোচনা চক্ৰখনত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড° সঞ্জীৱ দেউৰীয়ে জলবায়ুত কাৰ্বন-ডাই-অক্সাইডৰ মাত্ৰাধিক্যই পৃথিৱীখনলৈ কঢ়িয়াই অনা বিপদ সম্পৰ্কে সৰলভাৱে ব্যাখ্যা আগবঢ়ায়। তেওঁ কয় যে মানুহে বিভিন্ন কৰ্মৰ জৰিয়তে বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইড এৰি দিয়াৰ মাত্ৰা হ্ৰাস নকৰিলে গোলকীয় উষ্ণতা বৃদ্ধি হৈ পৰৱৰ্তী আঠ বছৰৰ পাছত এনে এটা পৰ্যায়লৈ আহিব যে ই মানুহ আৰু আন জীৱ-জন্তুৰ বাবে সহনীয় হৈ নাথাকিব। সেয়ে শক্তিৰ পৰম্পৰাগত উৎসসমূহৰ ব্যৱহাৰ হ্ৰাস কৰাৰ ওপৰত বিজ্ঞানীসকলে গুৰুত্ব দিছে বুলি তেওঁ জানিবলৈ দিয়ে। অংশ গ্ৰহণকাৰীসকলৰ বিভিন্ন প্ৰশ্নৰো তেওঁ উত্তৰ দিয়ে। সঞ্চালক বাৰীন্দ্ৰ ভূঞাই তেওঁৰ বক্তব্যত গোটেই বিশ্বত পৰিৱেশে সন্মুখীন হোৱা সমস্যাসমূহৰ বিষয়ে চমুকৈ কোৱাৰ লগতে ইয়াৰ স'তে যুক্ত আৰ্থ-সামাজিক-ৰাজনৈতিক দিশবোৰৰো আভাস দিয়ে। সামৰণিত মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অনুষ্ঠান বিষয়া সপ্তম হাজৰিকাই ছাত্ৰীসকলক পৰিৱেশ সম্পৰ্কীয় কথাবোৰৰ গুৰুত্ব অনুধাবন কৰিবলৈ আহ্বান জনায়।

# ঘগ্ৰাপাৰৰ কুন্দৰগাঁৱত বিজেপিৰ সংখ্যালঘু মৰ্চাৰ সাংগঠনিক সভা

**অগ্ৰদুত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১০ জুন ঃ** ভাৰতীয় জনতা পাৰ্টিৰ ৰাজ্যিক সমিতি আৰু নলবাৰী জিলা সমিতিৰ নিৰ্দেশ মৰ্মে সংখ্যালঘু মৰ্চা বড়িগোগ বনভাগ মণ্ডলৰ উদ্যোগত কালি বিয়লি তিনি বজাত পূব নলবাৰী এম ই মাদ্ৰাছা স্কুল (কুন্দৰগাঁও)ৰ প্ৰাংগণত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ অষ্টম বৰ্ষ পুৰ্তি উপলক্ষে সেৱা, সুশাসন আৰু গৰীৱ কল্যাণ কাৰ্যসূচীৰ অধীনত সংখ্যালঘু ৰাইজৰ মাজত সম্পৰ্ক অভিধানৰ অৰ্থে এখন সভা অনুষ্ঠিত কৰা হয়। সভাখনত সভাপতিত্ব কৰে বৰিগোগ বনভাগ মণ্ডলৰ সংখ্যালঘু মৰ্চাৰ সভাপতি চামচুল আলীয়ে। উক্ত সভাত আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকে বড়িগোগ বনভাগ মণ্ডলৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি তৰুণ বুজৰবৰুৱা, বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সক্ৰিয় কাৰ্যকৰ্তা ৰূপজ্যোতি বুজৰবৰুৱা আদি উপস্থিত থাকি বিভিন্ন আঁচনিৰ কথা উল্লেখ কৰাৰ লগতে দলটোৰ সাংগঠনিক ভেটি শক্তিশালী কৰাৰ বাবে ৰাইজক আহ্বান জনায়। উক্ত সভাত আঞ্চলিক পঞ্চায়তৰ সভাপতি তৰুণ বুজৰবৰুৱাই নিজৰ ভাষণত কয় যে বিগত চৰকাৰখনৰ উন্নয়নৰ কাম-কাজৰ লগত চৰকাৰৰ বিভিন্ন আঁচনি সম্পৰ্কে মন্তব্য কৰে। লগতে উপস্থিত ৰাইজৰ বহুসংখ্যক ব্যক্তিয়ে বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখনৰ সৰ্বসাধাৰণ ৰাইজৰ সৰ্বাংগীণ উন্নয়নৰ হকে কাম কৰি যোৱা বুলি মত প্ৰকাশ কৰাৰ লগতে বিজেপি চৰকাৰখনৰ প্ৰয়োজনীয়তা আছে বুলি ভাষণ দিয়ে।

# সৃজনীশীল সাহিত্যৰ তাত্ত্বিক-প্ৰায়োগিক দিশ সম্পৰ্কীয় কৰ্মশালা সম্পন্ন



**বিশেষ সংবাদদাতা**

**নগাঁও, ১০ জুন ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগ আৰু চামগুৰি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগিতাত 'সৃজনীশীল সাহিত্য ঃ তাত্ত্বিক আৰু প্ৰায়োগিক দিশ' সম্পৰ্কীয় এখনি কৰ্মশালা চামগুৰি মহাবিদ্যালয়ত কালি অনুষ্ঠিত হয়'। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° মৃণাল কুমাৰ বৰা আৰু চামগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ইন্দ্ৰজিৎ বেজবৰুৱা প্ৰমুখ্যে বিভিন্ন বিভাগৰ অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰীয়ে উক্ত অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অনুষ্ঠানটোত সমল-ব্যক্তিৰূপে উপস্থিত থাকে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° শ্যামলী দলৈ আৰু সহকাৰী অধ্যাপক ড° চাহিন জাফ্ৰি। সমন্বয়কৰূপে সকলো দিশতে সহায়ৰ হাত আগবঢ়ায় ড° পাৰ্থপ্ৰতীম ফুকন আৰু জ্যোতিৰেখা কেওটে। কাৰিকৰী দিশত সহায় আগবঢ়ায় কৃষ্ণ শংকৰ বৰাই। শতাধিক অংশগ্ৰহণকাৰীয়ে উক্ত অনুষ্ঠানটিত অংশগ্ৰহণ কৰে। উল্লেখ্য যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিক নৱ-প্ৰজন্মৰ মাজত জনপ্ৰিয় কৰি তোলাৰ মানসেৰে বিভিন্ন কাৰ্যসূচী পহিলা জুনৰ পৰা ধাৰাবাহিকভাৱে বিভিন্ন শিক্ষানুষ্ঠানসমূহত অনুষ্ঠিত কৰি আহিছে। বিভিন্ন অঞ্চলত অনুষ্ঠিত কৰা এনে কাৰ্যসূচীসমূহত অসমৰ বিভিন্ন প্ৰান্তৰ শিক্ষানুষ্ঠানসমূহৰ পৰা বিপুল সঁহাৰি লাভ কৰিবলৈ সক্ষম হৈছে। জাতীয় চেতনা, ঐতিহ্য, প্ৰজ্ঞা আৰু প্ৰযুক্তিৰ লক্ষ্যৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগে এনেধৰণৰ কাৰ্যসূচী পৰৱৰ্তী সময়তো গ্ৰহণ কৰিব বিভাগীয় প্ৰধানে জনাইছে।

# নিকাছি বিদ্যাজোতি জাতীয় বিদ্যালয়ৰ সফলতা

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ১০ জুন ঃ** সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত নিকাছিৰ বিদ্যাজোতি জাতীয় বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকলে বিশেষ সফলতা দেখুৱাবলৈ সক্ষম হৈছে । বিদ্যালয়খনৰ পৰা এইবেলি এশ শতাংশ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈছে । সেইমতে ১৪ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত তিনিজনে ডিষ্টিংচন, তিনিজনে ষ্টাৰ মাৰ্কসহ মুঠ ১৩ জনে প্ৰথম বিভাগত আৰু এজনে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছে। আজি বিদ্যালয়ত প্ৰধান শিক্ষক অচ্যুৎ পাঠকে অভিভাবকৰ উপস্থিতিত উত্তীৰ্ণ হোৱা ১৪ জন ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনায়। বিদ্যালয়খনৰ সফলতা সন্দৰ্ভত প্ৰধান শিক্ষকজনে কয়, 'ছাত্ৰ-ছাত্ৰীৰ এই সফলতাৰ আঁৰত আছে শিক্ষকসকলৰ উপযুক্ত শিক্ষা। লগতে অভিভাৱকসকলৰ দায়িত্ববোধ। বিদ্যালয়ৰ আন্তঃগাঁথনি ভাল নহয় যদিও ছাত্ৰ-ছাত্ৰীৰ একাগ্ৰতা আৰু বিদ্যালয় কৰ্তৃপক্ষৰ কঠোৰ অনুশাসনৰ বাবেও এই ফলাফল সম্ভৱ হৈছে।' বিদ্যালয়ৰ ছাত্ৰ কৌশিক কাশ্যপে ইংৰাজী আৰু উচ্চ গণিতত এশকৈ নম্বৰ লাভ কৰিছে । তেওঁ মুঠ ৫৮০ নম্বৰ ৯৬.৭৭ শতাংশ লাভ কৰি সমগ্ৰ অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিছে। আজি বিদ্যালয়ত এক উৎসৱমুখৰ পৰিবেশ সৃষ্টি হয় । অৰুণ কলিতা আৰু কনমা কলিতাৰ পুত্ৰ কৌশিক কাশ্যপে আগন্তুক সময়ত বিজ্ঞান শাখাত পঢ়ি চিকিৎসক হোৱাৰ সপোন মনত পুহি ৰাখিছে। অভিভাৱক অৰুণ কলিতাই কয়, 'এই বিদ্যালয়খনত শিক্ষাৰ এটা ভাল পৰিবেশ পোৱা যায়। শিক্ষক আৰু পৰিচালনা সমিতিয়ে যথেষ্ট কষ্ট কৰে। ইয়াত গুণগত শিক্ষাৰ লগতে মূল্যবোধৰ শিক্ষা দিয়া হয়। 'উপস্থিত আন আন অভিভাৱকসকলেও বিদ্যালয়খনৰ সফলতাত সন্তোষ প্ৰকাশ কৰে।

# ৰাজপত্ৰিত বিষয়া বিশ্বজিৎ গোস্বামীৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**

**দেওমৰনৈ, ১০ জুন ঃ** দেওমৰনৈ খাৰখোৱাপাৰা গাঁৱৰ ৰাইকাবাৰী চুবুৰি নিবাসী এগৰাকী অসম চৰকাৰৰ ৰাজপত্ৰিত বিষয়া বিশ্বজিৎ গোস্বামীৰ ৫৮ বছৰ বয়সত কালি পুৱা নিজ বাসগৃহত মৃত্যু হয়। বিগত কিছুদিন ধৰি মধুমেহ ৰোগত আক্ৰান্ত হৈ থকা গোস্বামী টংলাৰ কৰ বিষয়া হিচাপে কৰ্মৰত আছিল। দেওমৰনৈ অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত সততে জড়িত হৈ থকা বিশ্বজিৎ গোস্বামীয়ে মৃত্যুৰ সময়ত মাতৃ, ভাই, বোৱাৰী, ভতিজাৰ লগতে আত্মীয়-স্বজনক এৰি যায়। গোস্বামীৰ মৃত্যুত দেওমৰনৈ আঞ্চলিক ছাত্ৰ সন্থা, দেওমৰনৈ মহাবিদ্যালয় (কনিষ্ঠ), দেওমৰনৈ স্নাতক মহাবিদ্যালয়, দেওমৰনৈ দুৰ্গা মন্দিৰ পৰিচালনা সমিতি, ৰাইকাবাৰী গ্ৰামোন্নয়ন সংঘ, দেওমৰনৈ বণিক সন্থা, দেওমৰনৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়, দেওমৰনৈ ছোৱালী হাইস্কুল, দেওমৰনৈ ক্ৰীড়া সন্থা, দেওমৰনৈ বি এড মহাবিদ্যালয়, বৃহত্তৰ দেওমৰনৈ সাংবাদিক সন্থা, দেওমৰনৈ সাহিত্য সভাৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠনৰ লগতে ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মা, সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য নিৰঞ্জন শইকীয়া আদিয়ে গভীৰ শোক প্ৰকাশ কৰে।

# মগৰাহাটত বজ্ৰপাতত চাৰি পোহনীয়া ম'হৰ মৃত্যু

**অগ্ৰদুতবাৰ্তা**

**গৌৰীসাগৰ, ১০ জুন ঃ** শিৱসাগৰ জিলাৰ জয়সাগৰ আৰক্ষী চকীৰ অন্তৰ্গত মগৰাহাটত যোৱা আঠ জুনৰ নিশা বজ্ৰপাত পৰি একেটা পৰিয়ালৰ চাৰিজনীকৈ পোহনীয়া ম'হৰ শোকাবহভাৱে মৃত্যু হয়। পৰহি সন্ধিয়া শিৱসাগৰত প্ৰচণ্ড, ধুমুহা-বৰষুণ হৈছিল। শিলাবৃষ্টিৰ মাজতে বজ্ৰপাত পৰি মৃত্যু হোৱা ম'হকেইজনীৰ ভিতৰৰে তিনিজনী গাভিনী ম'হ আছিল বুলি জানিব পৰা গৈছে। ম'হকেইজনী মগৰাহাট গড়কাষৰীয়া গাঁৱৰ ম'হপালক বুধেশ্বৰ (অকণি) বৰা নামৰ ব্যক্তিজনৰ আছিল। ম'হ পালনেৰে পৰিয়াল পোহপাল দিয়া ম'হপালকজনৰ প্ৰায় ৮০ জনীমান ম'হ আছে। ব্যক্তিজনৰ ঘৰৰ পৰা কিছু নিলগৰ জেৰেঙা পথাৰত থকা ম'হখুটিত আন দিনাৰ দৰে কালি সন্ধিয়াও পোহনীয়া ম'হবোৰ বান্ধি থৈছিল ম'হপালক বুদ্ধেশ্বৰ বৰাই। কিন্তু আজি পুৱা ম'হখুটিলৈ গাখীৰ খীৰাবলৈ গৈ মৃত অৱস্থাত ম'হকেইজনী প্ৰত্যক্ষ কৰে। স্মৰ্তব্য যে কালি সন্ধিয়া জিলাখনৰ মাজেৰে ধুমুহা ঢেৰেকণিৰে এজাক প্ৰচণ্ড বৰষুণ পাৰ হৈ গৈছিল। সেই সময়তে ম'হকেইজনী বজ্ৰপাত পৰি নিহত হয়। প্ৰায় তিনি লক্ষাধিক টকাৰ মূল্যৰ চাৰিজনীকৈ ম'হৰ আকস্মিক মৃত্যুত পৰিয়ালটো দিশহাৰা হৈ পৰিছে। পাছত মৃত ম'হকেইজনী গাঁত খান্দি সমাধিস্থ কৰে।

# নগাঁৱত পাব্লিক পুলিচৰ সজাগতা সভা

**বিশেষ সংবাদদাতা**

**নগাঁও, ১০ জুন ঃ** পাব্লিক পুলিচৰ উদ্যোগত কালি নগাঁৱত এখন সজাগতা সভা অনুষ্ঠিত হয়। আৰক্ষী আৰু ৰাইজৰ মাজত সুসম্পৰ্ক স্থাপন কৰা, সকলো ধৰণৰ অবৈধ কাৰ্যকলাপৰ বিৰুদ্ধে আৰক্ষীক অৱগত কৰা, জনসাধাৰণৰ মাজত নিচাযুক্ত ঔষধৰ বিৰুদ্ধে সজাগতা সৃষ্টি কৰা, বুনিয়াদী শিক্ষাৰ গুণগত মান নিৰ্ধাৰণৰ ক্ষেত্ৰত জনমত গঠন কৰা আদিকে ধৰি বিভিন্ন বিষয়ৰ ওপৰত পাব্লিক পুলিচে কাম কৰি আহিছে। আজি নগাঁও জিলা সাহিত্য সভাৰ কমলাদেৱী তোডী ভৱনত অনুষ্ঠিত এই সজাগতা সভাত অংশগ্ৰহণ কৰি পাব্লিক পুলিচৰ সভাপতি তথা প্ৰাক্তন বিধায়ক ডাঃ দুৰ্লভ চমুৱাই কয়, 'সাম্প্ৰতিক সময়ত আমি সকলোৱে মানৱ ধৰ্ম পালন কৰি সমাজৰ উন্নতিৰ হকে কাম কৰি এখন সুস্থ, প্ৰগতিশীল সমাজ গঢ়াৰ কামত নিয়োজিত হ'ব লাগিব।' পাব্লিক পুলিচৰ মুখ্য সমন্বয়ক কাশ্যপ ফুকনে উদ্দেশ্য বাখ্যা কৰা সভাখনত নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱা, নগাঁৱৰ উপ-আৰক্ষী অধীক্ষক দুৰ্লভ চন্দ্ৰ দাস, সমাজকৰ্মী পৰাণ মহন্ত, সপোন মহন্ত, গৌতম কলিতা আদিয়ে অংশগ্ৰহণ কৰে। সভাত নগাঁৱৰ বহু কেইগৰাকী বিশিষ্ট ব্যক্তি, সাংবাদিক, কে'বাখনো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

# গোসাঁইগাঁৱত সুলভ মূল্যৰ দোকানৰ অনুজ্ঞাপত্ৰ প্ৰদানত অনিয়ম

■ ৯৮ টা ভোট লাভ কৰা প্ৰাৰ্থীক বঞ্চিত কৰি মাত্ৰ এটা ভোট লাভ কৰা প্ৰাৰ্থীক অনুজ্ঞাপত্ৰ প্ৰদান

**অগ্ৰদূত বাৰ্তা**

**গোসাঁইগাঁও, ১০ জুন ঃ** গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত এক নম্বৰ খোকছাগুৰি গাঁৱত সুলভ মুল্যৰ দোকানৰ অনুজ্ঞাপত্ৰ প্ৰদানক লৈ ব্যাপক অনিয়ম সংঘটিত হোৱাৰ ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে । গাঁওবাসীয়ে ৯৮ টা ভোট প্ৰদান কৰি বাছনি কৰা প্ৰাৰ্থীক বঞ্চিত কৰি মাত্ৰ এটা ভোট লাভ কৰা গাঁওবাসীৰ অপছন্দৰ প্ৰাৰ্থীক অনুজ্ঞাপত্ৰ প্ৰদান কৰাৰ প্ৰতিবাদত এই অভিযোগ উত্থাপন হৈছে। গাঁওবাসীয়ে জানিব দিয়ে যে এক নম্বৰ খোকছাগুৰি গাঁৱত সুলভ মূল্যৰ দোকানৰ অনুজ্ঞাপত্ৰৰ দাবীদাৰ তিনিজন হোৱাৰ বাবে সাপকাটা সমবায় সমিতিয়ে গাঁৱত নিবাৰ্চন পাতি প্ৰাৰ্থী নিৰ্ণয় কৰিবলৈ গাঁওবাসীক নিৰ্দেশ দিয়ে। সেই মতে গাঁওবাসীৰ উদ্যোগত যোৱা সাত জুনত গাঁৱত অনুজ্ঞাপত্ৰৰ দাবীদাৰ তিনিগৰাকী প্ৰাৰ্থী ক্ৰমে কাৰ্তিক ৰাভা, ৰামেশ্বৰ বৰ্মন আৰু অঞ্জলী নাৰ্জাৰীৰ মাজত নিৰ্বাচন অনুষ্ঠিত হয়। নিৰ্বাচনত কাৰ্তিক ৰাভাই ৯৮ টা, ৰামেশ্বৰ বৰ্মনে ১২ টা আৰু অঞ্জলী নাৰ্জাৰীয়ে এটা ভোট লাভ কৰে। নিৰ্বাচনত বিজয়ী কাৰ্তিক ৰাভাক অনুজ্ঞাপত্ৰৰ বাবে সমবায় সমিতিত আবেদন কৰাৰ বাবে গাঁওবাসীয়ে নিৰ্দেশ দিয়ে। সেইমতে কাৰ্তিক ৰাভাই অনুজ্ঞাপত্ৰৰ বাবে আজি সাপকাটা সমবায় সমিতিৰ কাৰ্যালয়ত উপস্থিত হৈ অনুজ্ঞাপত্ৰ আবেদন কৰাৰ সময়ত জানিব পাৰে যে নিৰ্বাচনত মাত্ৰ এটা ভোট লাভ কৰি তৃতীয় স্থান লাভ কৰা অঞ্জলী নাৰ্জাৰীয়ে ইতিমধ্যে অনুজ্ঞাপত্ৰ লাভ কৰিছে । নিৰ্বাচনত পৰাজয় হোৱাৰ পাছতো ৰহস্যজনকভাবে অনুজ্ঞাপত্ৰ লাভ কৰা ঘটনাই গাঁওবাসীৰ মাজত ক্ষোভৰ সৃষ্টি হৈছে। সাপকাটা সমবায় সমিতিৰ নিৰ্দেশ মৰ্মেই নিৰ্বাচন পাতি কাৰ্তিক ৰাভাক নিৰ্বাচিত কৰা হয় যদিও গাঁওবাসীৰ সিদ্ধান্তক আওকাণ কৰি ৰহস্যজনভাবে পৰাজিত প্ৰাৰ্থীক অনুজ্ঞাপত্ৰ প্ৰদান কৰাটো অতি দুৰ্ভাগ্যজনক ঘটনা আৰু এনে অনৈতিক কাম গাঁওবাসীয়ে কোনো প্ৰকাৰে মানি নলয় বুলি ৰাইজে প্ৰকাশ কৰে। উক্ত কাৰ্যৰ প্ৰতিবাদত আজি বিয়লি গাঁওবাসীয়ে গাঁৱত ধৰ্ণা প্ৰদান কৰি প্ৰতিবাদ সাব্যস্ত কৰে। ক্ষোভিত গাঁওবাসীয়ে আমাক ন্যায় লাগিবই, কাৰ্তিক ৰাভাক অনুজ্ঞাপত্ৰ প্ৰদান কৰিব লাগিবই, সাপকাটা সমবায় মুৰ্দাবাদ আদি শ্ল'গান দি আকাশ-বতাহ উত্তাল কৰি তোলে। অঞ্জলী নাৰ্জাৰীক আঁতৰাই নিৰ্বাচনত বিজয়ী কাৰ্তিক ৰাভাক অনুজ্ঞাপত্ৰ প্ৰদান নকৰিলে গাঁওবাসীয়ে কোনো সামগ্ৰী গ্ৰহণ নকৰে বুলি গাঁওবাসীয়ে প্ৰকাশ কৰে। আনহাতে, এই সম্পৰ্কে অনুজ্ঞাপত্ৰ প্ৰদান কৰা কৰ্তৃপক্ষৰ মতামত জানিব বিচৰাত কৰ্তৃপক্ষই নিয়মমাফিক কাম কৰা হৈছে বুলি জানিবলৈ দিয়ে।

# অষ্টম স্থান দখল কৰি টিহুলৈ গৌৰৱ কঢ়িওৱা হৰ্ষিত বৰ্মনৰ গৃহত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস

**অগ্ৰদূত বাৰ্তা**

**টিহু, ১০ জুন ঃ** সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত পাঠশালা শিক্ষাপীঠ আদৰ্শ হাইস্কুলৰ পৰা ৰাজ্যৰ ভিতৰত অষ্টম স্থান দখল কৰে টিহু নগৰৰ চাৰি নম্বৰ ৱাৰ্ডৰ বাসিন্দা শিল্পী জিতেন বৰ্মন আৰু শিক্ষয়িত্ৰী গীতিকা কলিতা বৰ্মনৰ পুত্ৰ হৰ্ষিত বৰ্মনে। মেধাৱী ছাত্ৰজনে মুঠ ৫৯০ নম্বৰ লাভ কৰি অসমৰ ভিতৰতে অষ্টম স্থান দখল কৰিবলৈ সক্ষম হৈছে। আজি ছাত্ৰজনৰ টিহুৰ বাসগৃহত অসম চৰকাৰৰ পঞ্চায়ত গ্ৰামোন্নয়ন জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী তথা পাটাছাৰকুছি সমষ্টিৰ বিধায়ক ৰঞ্জিত কুমাৰ দাস উপস্থিত হৈ ছাত্ৰ হৰ্ষিত বৰ্মনক ফুলাম গামোচা আৰু শৰাই আদিৰে সম্বৰ্ধনা জনায় । মন্ত্ৰীগৰাকীৰ স'তে টিহু পৌৰসভাৰ পৌৰপতি হিমানী মজুমদাৰ, নলবাৰী জিলা বিজেপিৰ উপ সভাপতি দুলাল চন্দ্ৰ দাস, টিহু মণ্ডল বিজেপিৰ সভাপতি জ্যোতিষ শৰ্মা আদিও উপস্থিত থাকে । পাটাছাৰকুছি বিধানসভা সমষ্টিৰ ভিতৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত স্থান দখল কৰা চাৰি গৰাকী ছাত্ৰক আজি স্থানীয় বিধায়ক তথা মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে সম্বৰ্ধনা জনাই আনন্দিত হৈ গৌৰৱ অনুভৱ কৰা পৰিলক্ষিত হয়।



*বগৰীবাৰীৰ ষ্টাৰ ইংলিছ স্কুলত কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা।*

# ৯১ শতাংশৰে উজলিল মঙলদৈ, গৰিয়াপাৰাৰ ইৰছাদ হাজৰিকা


**বিশেষ সংবাদদাতা**

**মঙলদৈ, ১০ জুন ঃ** মনত উদ্যম থাকিলে, অধ্যয়নৰ স্পৃহা থাকিলে, আগবাঢ়ি যোৱাৰ হেঁপাহ থাকিলে লক্ষ্য প্ৰাপ্তিত যে দৰিদ্ৰতা বাধা হ'ব নোৱাৰে সদ্য ঘোষিত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত পাঁচটা বিষয়ত লেটাৰ আৰু ডিষ্টিংচনসহ ৯১ শতাংশ নম্বৰেৰে উজলি উঠি এই কথাৰ প্ৰমাণ দাঙি ধৰিলে দৰং জিলাৰ সদৰ মঙলদৈৰ পৰা ১০ কিলোমিটাৰ নিলগৰ গৰিয়াপাৰা, হলৌচৌকাৰ নাজমা বেগম আৰু তাইমুৰ হুছেইনৰ পুত্ৰ ইৰছাদ চাৰ্জিছ হাজৰিকাই। শিক্ষিত মাতৃ নাজমা বেগমে বিনা বিতনে শিক্ষকতা কৰি আছে দৰং জিলাৰ দৰং জ্যোতি উচ্চ মাধ্যমিক বিদ্যালয়ত। ২০১৩ তে তেওঁ কাম কৰা উক্ত বিদ্যালয়খন প্ৰাদেশীকৃত হ'ল যদিও আন এজন শিক্ষকৰ লগতে নাজমা বেগমৰ পদটি আজিকোপতি নিয়মীয়াকৰণ নোহোৱাত পিতৃ তাইমুৰ হুছেইনে ক্ষুদ্ৰ ক্ষুদ্ৰ ব্যৱসায়িক কামৰ জৰিয়তে কোনোমতে চাৰি পৰিয়ালযুক্ত পৰিয়ালটি ভৰণ-পোষণ দি আছে। নানান অভাৱ অনাটন আৰু প্ৰতিকূলতা নেওচি ছাত্ৰ ইৰছাদ হাজৰিকাই নিজ গাঁৱৰ পৰা ১২ কিলোমিটাৰ নিলগৰ ডন বস্ক' হাইস্কুল, মঙলদৈত আঠ বছৰ কাল অধ্যয়ন কৰি সীমিত সা সুবিধা সত্ত্বেও প্ৰবল ইচ্ছা শক্তি আৰু আৰু লক্ষ্য প্ৰাপ্তিৰ দুৰ্বাৰ হেঁপাহৰ বাবে হাইস্কুল শিক্ষান্ত পৰীক্ষাত সাধাৰণ গণিতত ১০০, উচ্চ গণিতত ১০০, ইংৰাজীত ৯৫, সাধাৰণ বিজ্ঞানত ৯১, অসমীয়াত ৮৫ আৰু সমাজ বিজ্ঞানত ৭৪ নম্বৰ লাভ কৰি অনগ্ৰসৰ গাঁও গৰিয়াপাৰালৈ সুনাম কঢ়িয়াই আনিছে। ভৱিষ্যতে এজন সুচিকিৎসক হৈ সমাজৰ সেৱা কৰাত আগ্ৰহী ইৰছাদে হোজাইস্থিত আজমল ফাউণ্ডেছনৰ অধীনৰ ছুপাৰ ৪০ ত নামভৰ্তি কৰিব বুলি জানিবলৈ দিয়ে। ইৰছাদৰ এই সফলতাত অঞ্চলটোৰ ৰাইজৰ লগতে সদৌ অসম গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদ দৰং জিলা সমিতিয়ে সন্তোষ প্ৰকাশ কৰিছে। পৰিষদৰ কেন্দ্ৰীয় উপদেষ্টা চহিৰ ভূঞা, দৰং জিলা সমিতিৰ কাৰ্যকৰী সভাপতি বাবুল মকছেদ আহমেদ, সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদে গৰিয়াপাৰাৰ বাসগৃহলৈ গৈ কৃতী ছাত্ৰজনক জাতীয় ফুলাম গামোচাৰে উষ্ম অভিনন্দন জ্ঞাপন কৰে।

# তিনিচুকীয়াত ঋণ প্ৰচাৰ অভিযানৰ আৰম্ভণি

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ১০ জুন ঃ** ভাৰত চৰকাৰৰ বিত্তীয় সেৱা সঞ্চালকালয়ৰ নিৰ্দেশনা অনুসৰি ২৩ টা সদস্য বেংকৰ সহযোগিতাত পঞ্জাৱ নেচনেল বেংকৰ মুখ্য জিলা প্ৰবন্ধকৰ দ্বাৰা তিনিচুকীয়াৰ গোলাপচন্দ-ৰবিচন্দ্ৰ নাট্যমন্দিৰৰ সভাগৃহত বুধবাৰে এখন ঋণ প্ৰচাৰ অভিযানৰ আয়োজন কৰা হয়। জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মুনিন্দ্ৰ বৰদলৈ আৰু অতিৰিক্ত উপায়ুক্ত ছৰফ্ৰাজ হ'ক এই ঋণ প্ৰচাৰ



অভিযানৰ উদ্বোধন কৰে। অনুষ্ঠানত নাবাৰ্ডৰ জিলা উন্নয়ন প্ৰবন্ধক, ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা অভিযানৰ জিলা প্ৰকল্প প্ৰবন্ধক, নগৰীয়া জীৱিকা অভিযানৰ নগৰীয়া প্ৰকল্প প্ৰবন্ধক, বিত্তীয় সেৱা বিভাগৰ বিষয়া, জিলা বন বিষয়া, পশুপালন বিভাগৰ বিষয়া তথা নেচনেল চেম্বাৰ্চ অব কমাৰ্চৰ সচিব উপস্থিত থাকে। মুখ্য জিলা প্ৰবন্ধক প্ৰলয় ভৌমিকে ২০২১-২২ বিত্তীয় বৰ্ষৰ সম্পাদিত কাৰ্য, কৃষি শস্য, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মধ্যমীয়া উদ্যোগৰ লগতে অন্যান্য ঋণ সন্দৰ্ভত বক্তব্য আগবঢ়ায়। ভাৰত চৰকাৰে আৰম্ভ কৰা জনসুৰক্ষা আঁচনিখনৰ প্ৰয়োজনীয়তা ব্যাখ্যা কৰাৰ লগতে এন.পি.এত জিলাখনৰ স্থানৰ বিষয়েও নিজ ভাষণত উল্লেখ কৰে। জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মুনিন্দ্ৰ বৰদলৈয়ে সৰ্বসাধাৰণ লোকৰ বিকাশৰ বাবে চৰকাৰে ৰূপায়ণ কৰা বিভিন্ন আঁচনি সন্দৰ্ভত বিতংকৈ উল্লেখ কৰে। অতিৰিক্ত উপায়ুক্ত ছৰফ্ৰাজ হকে কৃষি অৰ্থনীতি, কে. চি. চি তথা ভাৰত চৰকাৰৰ অন্যান্য আঁচনিসমূহৰ বিষয়ে নিজ ভাষণত উল্লেখ কৰে। আজিৰ অনুষ্ঠানতে জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মুনিন্দ্ৰ বৰদলৈ আৰু অতিৰিক্ত উপায়ুক্ত ছৰফ্ৰাজ হকে বিভিন্ন বেংকৰ অনুমোদনপত্ৰ বিতৰণ কৰে। অতিৰিক্ত উপায়ুক্ত হকে অনুমোদনপত্ৰ লাভ কৰা সকলোকে বেংকৰ পৰা লাভ কৰা ঋণৰ সদ্ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। আজিৰ অনুষ্ঠানত কে.চি.চি, অনান্য কৃষি ক্ষেত্ৰ, আত্মসহায়ক গোট আৰু অতি ক্ষুদ্ৰ,ক্ষুদ্ৰ আৰু মধ্যমীয়া উদ্যোগৰ বাবে অনুমোদনপত্ৰ বিতৰণ কৰা হয়।

# অপ্ৰিয় সত্য নকৈয়ো সমাজৰ স্বাৰ্থ-পটুৱৈৰ ৰুচিবোধক অগ্ৰাধিকাৰ দিয়ক সংবাদ মাধ্যমে

■ মঙলদৈ প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ১০ জুন ঃ** অতি সম্প্ৰতি সংবাদ মাধ্যম আৰু সাংবাদিকসকলৰ সন্মুখত চৰম প্ৰত্যাহ্বান আহিছে। সেয়ে অপ্ৰিয় সত্য নোকোৱাটোৱেই শ্ৰেয়। কিন্তু সমাজখনৰ স্বাৰ্থ ৰক্ষাৰ লগতে পটুৱৈৰ প্ৰয়োজন-অপ্ৰয়োজন তথা ৰুচিবোধৰ কথা মনত ৰাখি সাংবাদিকসকলে বাতৰি পৰিৱেশন কৰা উচিত। কালি মঙলদৈ প্ৰেছ ক্লাবৰ ২৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে ক্লাবৰ সভাপতি মদন বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি আৰু সম্বৰ্ধনা সভাত মুখ্য অতিথিৰূপে ভাষণ দি প্ৰবীণ শিক্ষাবিদ, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, প্ৰতিষ্ঠাপক সম্পাদক ফুলেন্দ্ৰনাথ চহৰীয়াই এইদৰে কয়। ইয়াৰ পূৰ্বে অনুষ্ঠান উদ্বোধন কৰি দিয়া ভাষণত মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলাকান্ত বৰাই সকলো প্ৰত্যাহ্বান নেওচি সত্যৰ পক্ষত থাকি পৱিত্ৰ সাংবাদিকতা ধৰ্ম ৰক্ষা কৰিবলৈ সংবাদকৰ্মীসকলক আহ্বান জনায়। বিশিষ্ট অতিথিৰ ভাষণত দৰঙৰ আৰক্ষী অধীক্ষক ৰাজমোহন ৰায়ে সংবাদ মাধ্যমক গঠনমূলক বাতৰিহে পৰিৱেশন কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত প্ৰবীণ সাংবাদিক, মঙলদৈ প্ৰেছ ক্লাবৰ প্ৰাক্তন সভাপতি তথা মঙলদৈ মহাবিদ্যালয়ৰ আৰবী বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° জামালুদ্দিন আহমেদ আৰু বিশিষ্ট সাংবাদিক তথা কৃতী শিক্ষক হৰেণ কলিতাক প্ৰেছ ক্লাবে সম্বৰ্ধনা জ্ঞাপন কৰে। সম্বৰ্ধনা লৈ নিজৰ অনুভৱ ব্যক্ত কৰি ড° জামালুদ্দিন আহমেদে দেশত এতিয়া বিৰোধীৰ ভূমিকা প্ৰায় শূন্য হৈ পৰিছে বাবেই সাংবাদিকসকলেই বিৰোধীৰ ভূমিকাও গ্ৰহণ কৰি গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ পৱিত্ৰতা ৰক্ষা কৰিব লাগিব বুলি উপস্থিত সাংবাদিকসকলক আহ্বান জনায়। আনগৰাকী সম্বৰ্ধিত জ্যেষ্ঠ সাংবাদিক হৰেণ কলিতাই প্ৰেছ ক্লাব প্ৰতিষ্ঠাৰ লগত জড়িত প্ৰয়াত সাংবাদিকসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে আৰু জীৱিতসকলক শুভেচ্ছা তথা ওলগ জনায়। তেওঁ জটিল সময়ত ৰাইজে সাংবাদিকসকলৰ মুখলৈ চাই থাকে বাবে ৰাইজৰ স্বাৰ্থত থাকিহে কাম কৰি যাবলৈ সাংবাদিকসকলক আহ্বান জনায়। অনুষ্ঠানত দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি চহিৰ ভূঞা, আছুৰ বিত্ত সম্পাদক খণীন্দ্ৰ ৰাজবংশী, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ উপ-সভাপতি ভৰেশ কাকতি, দৰং অগপৰ সভাপতি কমলেশ্বৰ বৰুৱা, বিজেপিৰ ৰাজ্যিক মহিলা মৰ্চাৰ উপ-সভানেত্ৰী প্ৰেমদা ভূঞা, অবিচি মৰ্চাৰ অধ্যক্ষ জিন্টু বৰুৱা, সমাজসেৱী নন্দিতা চহৰীয়া, আনোৱাৰ হুছেইন। প্ৰমুখ্যে বিশিষ্ট লোকসকলে ভাষণ দি ক্লাবৰ বিষয়ববীয়া তথা সদস্যসকলক প্ৰতিষ্ঠা দিৱসৰ ওলগ জনায়। ক্লাবৰ উপ-সভাপতি মুকুটৰাজ শৰ্মা আৰু সম্পাদক লক্ষীনন্দন কলিতাই আঁত ধৰা সভাৰ অন্তত সভা সাফল্যমণ্ডিত কৰি তোলা বাবে সদৌটিকে শলাগ জ্ঞাপন কৰে। মুকলি সভা আৰু সম্বৰ্ধনা অনুষ্ঠানৰ আগেয়ে পুৱা ক্লাবৰ সভাপতি মদন বৰুৱাই পতাকা উত্তোলন আৰু সাংবাদিক অখিল কলিতাই স্মৃতি তৰ্পণ কৰে।



# হেলনা জ্ঞান বিকাশ জাতীয় বিদ্যালয়ৰ আটাইকেইজনেই প্ৰথম বিভাগত উত্তীৰ্ণ


**পাটাছাৰকুছি, ১০ জুন ঃ** পাটাছাৰকুছি সমষ্টিৰ অন্তৰ্গত হেলনাত অৱস্থিত জ্ঞান বিকাশ জাতীয় বিদ্যালয়ৰ সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ সন্তোষজনক ফলাফলে আনন্দিত কৰিছে অঞ্চলটোৰ লোকসকলক। এইবাৰ অৱতীৰ্ণ হোৱা ১৮ পৰীক্ষাৰ্থীৰ আটাইকেইগৰাকীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হ'বলৈ সক্ষম হৈছে। ইয়াৰ ভিতৰত পাঁচজনে ডিষ্টিংচন, চাৰিজনে ষ্টাৰ নম্বৰ লাভ কৰি গ্ৰামাঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক মনোমোহন দাসে জনোৱা মতে, বিদ্যালয়খনে সীমিত সা-সুবিধাৰ মাজতো শিক্ষকসকলে উৎসৰ্গিত মনোভাবেৰে কৰা কষ্টৰ ফলতে এনে ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। ইয়াৰ পূৰ্বেও বিদ্যালয়খনে ধাৰাবাহিকভাৱে বিগত কে'বাবছৰো ভাল ফলাফল দেখুৱাই আহিছে। দুগৰাকীয়ে সাধাৰণ গণিতত ১০০ নম্বৰকৈ লাভ কৰাৰ উপৰি কে'বাগৰাকীয়েও বিভিন্ন বিষয়ত লেটাৰ নম্বৰ পাবলৈ সক্ষম হৈছে।

# তিতাবৰত চুৰি মটৰ চাইকেল জামুগুৰিত উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ১০ জুন ঃ** গোলাঘাট জিলাৰ জামুগুৰি আৰক্ষীয়ে বুধবাৰে নিশা তালাচী চলাই থকা অৱস্থাত জামুগুৰি শনিবৰীয়া বজাৰৰ সমীপত এখন চুৰি মটৰ চাইকেল উদ্ধাৰ কৰে। উল্লেখ্য যে আৰক্ষীয়ে তালাচী চলোৱাৰ উমান পাই চুৰি চক্ৰই চুৰি কৰি অনা এএছ-০৩ এছ-৫৫৫৫ নম্বৰৰ হাইছাং মটৰ চাইকেলখন উক্ত স্থানত এৰি থৈ যায়। আনহাতে, জামুগুৰি আৰক্ষীয়ে জানিবলৈ দিয়া মতে, যোৰহাট জিলাৰ তিতাবৰৰ পৰা আজি কিছুদিনৰ আগতে উক্ত মটৰ চাইকেলখন কোনো দুষ্ট চক্ৰই চুৰি কৰিছিল। উক্ত চুৰি হোৱা ঘটনাৰ সন্দৰ্ভত এক গোচৰ ৰুজু হৈছিল। ইফালে, আজি চুৰি হোৱা মটৰ চাইকেলখন জামুগুৰি আৰক্ষীয়ে যোৰহাট আৰক্ষীক চমজাই দিয়ে।

# জল জীৱন মিছনৰ খোৱাপানী যোগান আঁচনি উদ্বোধন



**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ১০ জুন ঃ** জলজীৱন মিছনৰ অধীনত জনস্বাস্থ্য কাৰিকৰী বিভাগ লখিমপুৰ সংমণ্ডলৰ নৱ নিৰ্মিত আমগুৰি এন চি আৰু জহিং গাঁও-২ খোৱাপানী যোগান আঁচনিৰ কালি উদ্বোধন কৰা হয়। স্থানীয় বিধায়ক মানৱ ডেকাই উক্ত আঁচনিসমূহ উদ্বোধন কৰে। অনুষ্ঠানটোত মুখ্য অতিথিৰূপে উপস্থিত থাকে জিলা উপায়ুক্ত সুমিত ছাত্তাৱন। উক্ত আঁচনিসমূহৰ দ্বাৰা ইতিমধ্যে নিৰ্ধাৰিত উপভোক্তালৈ কাৰ্যক্ষম গৃহ, নলা সংযোগৰ কাম সম্পূৰ্ণ হৈছে। জিলাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অভিযন্তা মুকুল সোণোৱালে আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানটোত জহিং গাঁও পঞ্চায়তৰ সভানেত্ৰী কাউন্সিলৰ, ৱাৰ্ডৰ সদস্য, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়া-কৰ্মচাৰীৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে।

■ গৌৰীসাগৰত গাঞ্জা-ড্ৰাগছ সেৱনকাৰী চেঙেলীয়া ল'ৰাৰ উদ্ভণ্ডালিত উদ্বিগ্ন ৰাইজ

# আৰক্ষী থানাৰ সমীপতে অনৈতিক কৰ্ম-কাণ্ড

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ১০ জুন ঃ** প্ৰাণ ঘাতক ৰূপী চুলাই আৰু অবৈধ মদ ব্যৱসায়ে ৰঘূমলাৰ দৰে ছানি ধৰা মিনি নগৰী ঐতিহাসিক গৌৰীসাগৰ এইবাৰ গাঞ্জা আৰু ড্ৰাগছ সেৱনকাৰীৰ নিৰাপদ ঘাটিলৈ পৰিণত হোৱাৰ অভিযোগ উঠিছে। ব্যৱসায়িক প্ৰাণকেন্দ্ৰ গৌৰীসাগৰ ৩৭ নম্বৰ ঘাইপথৰ কাষত অৱস্থিত হ'লেও ইয়াৰ আশে-পাশে থকা ঐতিহাসিক পৰ্যটন ক্ষেত্ৰসমূহকো আহিলা হিচাপে লৈ পলমকৈ এচাম ড্ৰাগছ আৰু গাঞ্জা সেৱনকাৰী চেঙেলীয়া যুৱকে পৰিৱেশ বিঘ্নিত কৰি তুলিছে। ইয়াৰ ঐতিহাসিক গৌৰীসাগৰ বৰপুখুৰীৰ দক্ষিণ পাৰটোত নিৰ্জনতাৰ অচিলা লৈ স্থানীয় একাংশ হাইস্কুল পৰ্যায়ৰ চেঙেলীয়া ল'ৰাৰ নেতৃত্বত সমগ্ৰ অঞ্চলটোত সন্ধিয়াতো বাদেই দিন দুপৰতে একাধিক বিদ্যালয়ত দুৱাৰ-খিৰিকী ভাঙি অচিনাক্ত যুৱতীৰে অনৈতিক কৰ্মত লিপ্ত হোৱাৰ ঘটনা সঘনাই সংঘটিত কৰাই নহয় এনেবোৰ চেঙেলীয়া ল'ৰাই ঐতিহাসিক বৰপুখুৰীৰ পাৰত অৱস্থিত হাইস্কুল খেলপথাৰৰ পেভেলিয়নত বহি গাঞ্জা-ড্ৰাগছ সেৱন কৰাৰ অভিযোগ উঠিছে। এনে অনৈতিক কাৰ্যৰ বিৰুদ্ধে স্থানীয় আৰক্ষীয়ে কোনো হস্তক্ষেপ নকৰাত পলমকৈ কাষৰীয়া কেতবোৰ অঞ্চলৰ পৰাও সতীৰ্থ চেঙেলীয়া ল'ৰাই অনৈতিক কাৰ্যত জড়িত হৈ সুস্থ সামাজিক পৰিৱেশ বিঘ্নিত কৰি তুলিছে। উলেখ্য যে হাইস্কুল পৰ্যায়ৰ এনেবোৰ শিক্ষাৰ্থীয়ে মই বৰ মনোভাবেৰে অনৈতিক কাৰ্যকলাপ চলাই অহা স্পৰ্শকাতৰ স্থানসমূহৰ নিচেই সমীপতে আছে গৌৰীসাগৰ আৰক্ষী থানা। ১৩ পৃষ্ঠাত চাওক

# হাইস্কুল শিক্ষান্ত পৰীক্ষাত দৰিদ্ৰ পৰিয়ালৰ নৰকান্ত বৰ্মনে আঁজুৰি আনিলে সফলতা



অগ্ৰদূত বাৰ্তা

**দোতমা, ১০ জুন ঃ** গোসাঁইগাঁৱত দৰিদ্ৰতাই কোঙা কৰা এটি পৰিয়ালৰ এজন ল'ৰাৰ সফলতাই এতিয়া হাঁহি বিৰিঙাইছে তুলসীবিলৰ অঞ্চলবাসীৰ মুখত। গোসাঁইগাঁও মহকুমাৰ তুলসীবিলৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰগৰাকীৰ নাম নৰকান্ত বৰ্মন। পিতৃয়ে গৃহৰক্ষী জোৱানৰ কাম কৰা নৰকান্তই এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ছটা বিষয়ত লেটাৰসহ ৮৬ শতাংশ নম্বৰে জিলিকি উঠিবলৈ সক্ষম ১৩ পৃষ্ঠাত চাওক

# এছ পি ছিংলাৰ অবৈধ গাড়ী পাৰ্কিং, যাতায়াত বিঘ্নিত

অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ১০ জুন ঃ** গুৱাহাটী- উত্তৰ গুৱাহাটী দলং নিৰ্মাণ প্ৰতিষ্ঠানৰ মইমতালি কামৰ বাবে এতিয়া জ্বলা-কলা খাইছে সৰ্বসাধাৰণ ৰাইজে। নিৰ্মাণ প্ৰতিষ্ঠানটিয়ে বিগত কে'বা মাহৰ পৰা পথৰ দুইকাষে গধুৰ বৃহৎ বৃহৎ ট্ৰাক পাৰ্কিং কৰাৰ ফলত সৰ্বসাধাৰণ ৰাইজ ভীষণ অসুবিধাৰ সন্মুখীন হৈ আহিছে। বিশেষকৈ অভয়পুৰৰ পৰা উত্তৰ গুৱাহাটী আৰক্ষী থানাৰ সমুখলৈ শাৰী শাৰী ট্ৰাক পাৰ্কিঙৰ বাবে যান-বাহন আৰোহী অসুবিধাৰ সন্মুখীন হোৱাই নহয় দুৰ্ঘটনাও সংঘটিত হৈ আহিছে। কিছুদিন পূৰ্বে এনে ট্ৰাকৰ বাবেই এজন বাহন আৰোহীয়ে সমুখৰ বাহনক ছাইড এৰি দিবলৈ গৈ বৈদ্যুতিক খুঁটাত খুন্দিয়াই কৰুণ মৃত্যুক সাবটিছিল। উত্তৰ গুৱাহাটী আৰক্ষী থানাৰ সমুখৰ এই ঘটনাৰ পৰাও আৰক্ষী নল'লে কোনো শিক্ষা। বৰঞ্চ আৰক্ষীৰ চকুৰ সমুখতে মইমতালিৰে পাৰ্কিং কৰাৰ পাছত নীৰৱ হৈয়ে ৰ'ল আৰক্ষী। ইফালে, গধুৰ বাহন পাৰ্কিঙৰ ফলত পথসমূহ নষ্ট হৈ দ' গাত হৈছে। ৰাইজৰ অভিযোগ, ওখ বাহনৰ সংস্পৰ্শত বৈদ্যুতিক তাঁৰ, কেবল টিভিৰ তাঁৰৰ সময়ে সময়ে সংযোগ বিচ্ছিন্ন হৈ আহিছে। এছ পি ছিঙলাৰ এই অবিবেচকী কাম বন্ধ কৰাৰ বাবে প্ৰশাসনৰ ওচৰত ৰাইজে দাবী জনাইছে।

# হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত বগৰীবাৰী ষ্টাৰ ইংলিছ স্কুলৰ পৰীক্ষাৰ্থীৰ

অগ্ৰদুত বাৰ্তা

**বগৰীবাৰী, ১০ জুন ঃ** প্ৰতি বছৰৰ দৰে এইবেলিও সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত চৰকাৰী বিদ্যালয়তকৈ প্ৰাইভেট বিদ্যালয়সমূহে অধিক ভাল ফলাফল লাভ কৰা পৰিলক্ষিত হৈছে। ঠিক একেদৰে নামনি অসমৰ ধুবুৰী জিলাৰ পাৰ্শ্বৱৰ্তী কোকৰাঝাৰ জিলাৰ বগৰীবাৰী ষ্টাৰ ইংলিছ স্কুলৰ এইবাৰ ১৭ গৰাকী পৰীক্ষাৰ্থী হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল যদিও ১৭ গৰাকী পৰীক্ষাৰ্থীয়ে প্ৰথম বিভাগ লাভ কৰি চমক প্ৰদৰ্শন কৰি গৌৰৱ কঢ়িয়াই অনা পৰিলক্ষিত হৈছে। ইয়াৰ মাজত দুগৰাকী ক্ৰমে ইব্ৰাহিম আলী আহমেদ ছটা বিষয়ত লেটাৰসহ ৯৪.১৬, ফাৰহান আফছাৰ আহমেদ পাঁচটা বিষয়ত লেটাৰসহ ৮৬.১৬ পাই ডিষ্টিংছন লাভ কৰে আৰু পাঁচগৰাকী ষ্টাৰ লাভ কৰাৰ লগতে বাকী ১০ গৰাকী লেটাৰসহ প্ৰথম বিভাগ লাভ কৰিবলৈ সক্ষম হয়। এই উপলক্ষে স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে বিদ্যালয়খনৰ পৰা এশ শতাংশ সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক আৰু বিদ্যালয়ত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলক লৈ বিদ্যালয়ৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথৰে এক শোভাযাত্ৰা উলিয়ায়। পাছত জেষ্ঠ সমাজ সেৱক প্ৰদীপ কুমাৰ সৰকাৰৰ সভাপতিত্বত আমন্ত্ৰিত অতিথিসকলৰ উপস্থিতিত বিদ্যালয় প্ৰাংগণত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক বিশেষভাবে সন্মান জনায়। উক্ত কাৰ্যসূচীত স্কুলৰ অধ্যক্ষ ৰফিকুল ইছলাম, চিআৰচিচি উত্তম সাহা, বগৰীবাৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া জ্যোতিষ দাস, প্ৰতিষ্ঠাপক অধ্যক্ষ ৰফিকুল আলম, উপাধ্যক্ষ আবুল কাছেম আহমেদ, সুভাষ সেন, প্ৰাক্তন অধ্যক্ষ ছুজেৰ কৰ আদিয়ে উপস্থিত থাকি বিদ্যালয়খনৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ভৱিষ্যৎ জীৱনৰ উজ্জ্বল কামনা কৰি ভাষণ প্ৰদান কৰে আৰু আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে আৰু বিদ্যালয়খনে যাতে অনাগত দিনত ইয়াতকৈ ভাল ফলাফল প্ৰদৰ্শন কৰে তাৰে কামনা কৰে।



# বিহপুৰীয়া মহাবিদ্যালয়ত পথ সুৰক্ষা সজাগতা সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ১০ জুন ঃ** লখিমপুৰ জিলা পৰিবহণ বিষয়া কাৰ্যালয়ৰ উদ্যোগত আৰু জিলা পথ সুৰক্ষা সমিতিৰ সহযোগত আজি বিহপুৰীয়া মহাবিদ্যালয়ত এখন পথ সুৰক্ষা সজাগতা সভা অনুষ্ঠিত হয়। বিহপুৰীয়া সচেতন নাগৰিক মঞ্চৰ বিশেষ সহযোগিতাত অনুষ্ঠিত সভাত সভাপতিত্ব কৰে বিহপুৰীয়া আঞ্চলিক পঞ্চায়তৰ সভাপতি দীপক সভাপণ্ডিতে। বিহপুৰীয়া মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক উৎপল ডেকাই আঁত ধৰা আৰু সচেতন নাগৰিক মঞ্চৰ সম্পাদক দুলু মহন্তই উদ্দেশ্য ব্যাখ্যা কৰা সভা উদ্বোধন কৰে বিহপুৰীয়া মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ৰছিদ খানে। সভাত লখিমপুৰ জিলা পৰিবহণ বিভাগৰ বিষয়া ৰাজীৱজ্যোতি ভূঞা, চক্ৰ বিষয়া জয়প্ৰকাশ মহন্ত, বিহপুৰীয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া উৎপল বৰা, সচেতন নাগৰিক মঞ্চৰ মুখপাত্ৰ প্ৰমেন ভূঞা আৰু পৰিবহণ সহকাৰী বিষয়া প্ৰাঞ্জল হাজৰিকাই যানবাহন চলাওঁতে ল'ব লগা সাৱধানতা সম্পৰ্কে অৱগত কৰে। সভাত বিহপুৰীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সম্পাদক জয় কুমাৰ দে আৰু ছাত্ৰী লিপিকা হাজৰিকাই পৰিবহণ বিভাগে এনেদৰে পথ সুৰক্ষা সজাগতা সভা অনুষ্ঠিত কৰাত সন্তোষ প্ৰকাশ কৰে।

# বাহাৰঘাট আঞ্চলিক ছাত্ৰ সন্থাৰ সংহতি দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ১০ জুন ঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে আজি নলবাৰী জিলাৰ অন্তৰ্গত বাহাৰঘাট আঞ্চলিক ছাত্ৰ সন্থাই ১৯৭৪ৰ ঐতিহাসিক খাদ্য আন্দোলনত মৃত্যুবৰণ কৰা ছাত্ৰ পুতুল শইকীয়া আৰু গজেন ইংতি দুয়োগৰাকী ছহিদৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আয়োজন কৰে। পুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি আকাশ বৰুৱাই মুখ্য ছহিদ বেদীত বন্তি প্ৰজ্বলন কৰে। আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক মইনুল হকে ছহিদ তৰ্পণ কৰা অনুষ্ঠানত উপস্থিত থাকে জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক বিকি শৰ্মা। বৰখালা শাখা সন্থা, সানেকুছি শাখা ছাত্ৰ সন্থাৰ কৰ্মকৰ্তাৰ উপস্থিতিত বাহাৰঘাট আঞ্চলিক ছাত্ৰ সন্থাই ছাত্ৰ সংহতি দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰে।

# মৰিগাঁৱত পিএনবিৰ উদ্যোগত আইকনিক সপ্তাহ পালন

**মৰিগাঁও, ১০ জুন ঃ** আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি সমগ্ৰ দেশতে ছয় জুনৰ পৰা ১১ জুনলৈ বেংকসমূহে আইকনিক সপ্তাহ উদ্‌যাপন কৰি আছে। ইয়াৰ লগত সংগতি ৰাখি মৰিগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত নাবাৰ্ডৰ লগতে জিলাখনৰ লীড বেংক পঞ্জাৱ নেছনেল বেংকৰ উদ্যোগত কালি আইকনিক সপ্তাহ পালন কৰা হয়। বিশেষকৈ জিলাখনৰ ৭০ টাকৈ আত্মসহায়ক গোটৰ মাজত স্বাৱলম্বিতাৰ হেতু তিনিকোটিৰো অধিক টকা ঋণ হিচাপে প্ৰদান কৰিবলৈ প্ৰতিটো বেংকৰ কৰ্তৃপক্ষই নাবাৰ্ডৰ সহযোগত অনুমতি পত্ৰ সমূহ আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। অনুষ্ঠানটিত মৰিগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ক্ষীতিশ চন্দ্ৰ পেগুৱে গোটসমূহৰ মাজত ঋণৰ অনুমতি পত্ৰ আনুষ্ঠানিকভাৱে প্ৰদানৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। উক্ত অনুষ্ঠানত লীড বেংক প্ৰৱন্ধক পুলেন চন্দ্ৰ বৰদলৈ, অসম গ্ৰামীণ বিকাশ বেংকৰ ক্ৰমে- এছ. টুমছা সিংহা, বন্তি শইকীয়া, চৌভিক দেৱৰয়, ইন্ডিয়ান বেংকৰ শ্যামাজিৎ ভৰালী, পঞ্জাৱ নেছনেল বেংকৰ নিধি, বেংক অৱ ইণ্ডিয়াৰ ৰশ্বোঙনুঙ হামাৰ, এপেক্স বেংকৰ গজেন্দ্ৰ ভৰালীৰ উপৰি নাবাৰ্ডৰ ডি ডি এমকে ধৰি বহুকেইটা বেংকৰ বিষয়া-কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে।

# উদাংশ্ৰী এমেচাৰ থিয়েটাৰৰ একেদিনাই দুখন নাটকৰ মহুৰত

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ১০ জুন ঃ** মৰিয়নিৰ সমীপৰ অসম-নগালেণ্ড সীমান্তৱৰ্তী অধলকটীয়া গাঁৱত অঞ্চলটোৰ দুই সংস্কৃতিবান যুৱক বিনয় শইকীয়া আৰু অভিজিৎ অধলকটীয়াৰ প্ৰচেষ্টাত এক ন-চিন্তাৰে অসমৰ নাট্যজগতত ভুমুকি মাৰিছে 'উদাংশ্ৰী এমেচাৰ থিয়েটাৰ' নামেৰে এক নতুন নাট্যদলে। গাঁৰৰ চুকে-কোণে সিঁচৰতি হৈ থকা নাট্য প্ৰতিভাসমূহক উলিয়াই আনি তেওঁলোকক এখন উপযুক্ত মঞ্চ দিয়াৰ প্ৰয়াসেৰে এই উদাংশ্ৰী এমেচাৰ থিয়েটাৰৰ জন্ম দিয়া হৈছে। ইতিমধ্যে অসমৰ এগৰাকী যুৱ নাট্যকাৰ-নাট পৰিচালক বিনয় শইকীয়াৰ ঠেঙাল কছাৰী জনগোষ্ঠীৰ ওপৰত ৰচিত আৰু পৰিচালিত 'খোলাং বুঢ়ী' নামৰ এখন নাট সফলতাৰে মঞ্চস্থ কৰাৰ লগতে ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। এইবাৰ একেলগে দুখন নাটকৰ মহুৰত সম্পন্ন কৰা হয়। প্ৰথমখন বিশিষ্ট নাট্যকাৰ ৰঞ্জিত গোহাঞি বৰুৱাৰ অসম আন্দোলনৰ সত্য ঘটনাৰ আধাৰত ৰচিত নাট 'জয় আই অসম' A real true story of Assam Movement 1980', এইখন নাটক পৰিচালনা কৰিব বিশিষ্ট অভিনেতা- পৰিচালক প্ৰীতম শইকীয়াই। আনহাতে, আনখন নাটক হৈছে অভিজিৎ অধলকটীয়াৰ দ্বাৰা ৰচিত আৰু পৰিচালিত 'পুলিচ বাবু'। এই উপলক্ষ্য উদাংশ্ৰী এমেচাৰ থিয়েটাৰৰ আখৰা গৃহত এক অনুষ্ঠানত নাটক দুখনৰ শুভ মহুৰত সম্পন্ন হয়। নাট্যকাৰ ৰঞ্জিত গোহাঞি বৰুৱা আৰু অভিনেতা দীপক তাঁতীয়ে বন্তি প্ৰজ্বলন কৰি দুয়োখন নাটকৰ উদ্বোধন কৰে। চমু অনুষ্ঠানটিত ৬১ নম্বৰ কুশল কোঁৱৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী, অভিনেত্ৰী নিতুমণি ফুকন, নাট্যকাৰ-পৰিচালক বিনয় শইকীয়া, অভিজিৎ অধলকটীয়া আদিৰ লগতে শিল্পী-কলা-কুশলী আৰু বহুসংখ্যক শুভাকাংক্ষী ৰাইজ উপস্থিত থাকে। উদ্যোক্তাসকলে জানিবলৈ দিয়া মতে, উদাংশ্ৰী এমেচাৰ থিয়েটাৰে অহা জুলাইৰ পৰা নাট প্ৰদৰ্শন কৰিব।



# ডিব্ৰুগড় জিলা সাহিত্য সভাৰ কাৰ্যালয় গৃহৰ আধাৰশিলা স্থাপন

অগ্ৰদূত বাৰ্তা

**নাহৰকটীয়া, ১০ জুন ঃ** অইল ইণ্ডিয়া লিমিটেড, দুলীয়াজানৰ পৰা আবন্টন লাভ কৰা পুঁজিৰে পুনৰ নিৰ্মাণ কৰিবলৈ লোৱা ডিব্ৰুগড় জিলা সাহিত্য সভাৰ কাৰ্যালয় গৃহটোৰ যোৱা আঠ জুনত আধাৰশিলা স্থাপন কৰে। আধাৰশিলা স্থাপন কৰে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ চন্দ্ৰ শৰ্মাই। কাৰ্যালয়ৰ গৃহৰ আধাৰশিলা স্থাপনত ডিব্ৰুগড় জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আৰু অসম সাহিত্য সভাৰ কেইজন বিষয়ববীয়া বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি সহযোগিতা আগবঢ়ায়। অনুষ্ঠানৰ আঁত ধৰে জিলা সম্পাদক পৰমেশ্বৰ নলবৰীয়াই আৰু সভা পৰিচালনা কৰে জিলা সভাপতি ইন্দ্ৰ গগৈয়ে। অনুষ্ঠানত উপস্থিত থকা প্ৰাক্তন সভাপতি আৰু বিশিষ্ট অতিথিসকল আছিল প্ৰহ্লাদ চন্দ্ৰ তাছা, প্ৰাক্তন সভাপতি ডিব্ৰুগড় জিলা সাহিত্য সভা তথা ভাৰপ্ৰাপ্ত সভাপতি অসম সাহিত্য সভা, ভূপেন শইকীয়া, প্ৰাক্তন সভাপতি ডিব্ৰুগড় জিলা সাহিত্য সভা তথা প্ৰাক্তন উপ-সভাপতি অসম সাহিত্য সভা, ডাঃ শান্তনু লহকৰ সম্পাদক আঞ্চলিক কাৰ্যালয় ডিব্ৰুগড়, অসম সাহিত্য সভা, সুৰেন্দ নাথ নেওগ, ধীৰেণ বৰুৱা, প্ৰসেনজিৎ কুমাৰ গোস্বামী, নোমল চন্দ্ৰ গগৈ, প্ৰমোদ দত্ত, কৃষ্ণ কান্ত বৰা, অজয় সিংহ, ইন্দ্ৰ গগৈ সভাপতি, ডিব্ৰুগড় জিলা সাহত্যি সভা, নোমল চন্দ্ৰ গগৈ, উপ-সভাপতি, ডিব্ৰুগড় জিলা সাহিত্য সভা। বিশিষ্ট অতিথি ক্ৰমে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্যৰ লগতে কৰ্ণধাৰ সমিতিৰ সদস্য গিৰিশ সন্দিকৈ, অসম সাহিত্য সভাৰ বিষয়ববীয়া জয়ানন্দ বৰুৱাৰ লগতে বহুকেইজন সাহিত্য সভাৰ বিষয়ববীয়া উপস্থিত থাকি সহযোগিতা আগবঢ়ায়। সকলোৱে ডিব্ৰুগড় জিলা সাহিত্য সভাৰ কাৰ্যালয় গৃহটো সৰ্বাংগসুন্দৰ হোৱাটো কামনা কৰি বক্তব্য আগবঢ়ায়।

# যজ্ঞভূমিত কৃতী ছাত্ৰ দীনেশ মিশ্ৰৰ মৃত্যু দিৱস পালন



অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১০ জুন ঃ** নলবাৰীৰ যজ্ঞভূমিত আজি এসময়ৰ কলকাতা বিশ্ববিদ্যালয়ৰ সোণৰ মেডেল প্ৰাপক দীনেশ মিশ্ৰক স্মৰণ কৰা হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰি বিশিষ্ট বামপন্থী নেতা ৰবীন মিশ্ৰই প্ৰয়াত মেধাৱী ছাত্ৰজনৰ জীৱনৰ ওপৰত আলোকপাত কৰি বৰ্তমান প্ৰতিযোগিতাৰ যুগত তথা নিচাযুক্ত সামগ্ৰীৰ অবাধ প্ৰচলনৰ কূটিল আৰু জটিল সময়ত অধ্যয়ন আৰু চিন্তনৰ মাজেৰে নিজক আৰু সমাজৰ প্ৰগতিৰ বাবে কঠিন সংকল্প আৰু পৰিশ্ৰমৰ বিকল্প নাই বুলি প্ৰকাশ কৰে। সেয়েহে যুৱ সমাজে অধ্যয়ন আৰু চিন্তনেৰে আগবাঢ়িব লাগিব বুলি উল্লেখ কৰে। ১৩ পৃষ্ঠাত চাওক

# মধ্যদেশীয় বৈশ্য সভা যোৰহাট শাখাৰ সাধাৰণ সভা

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ১০ জুন ঃ** অহা দেওবাৰে বিয়লি তিনি বজাত যোৰহাট ৰজা মৈদাম নিউ কল'নীৰ সৰস্বতী বিদ্যাপীঠত যোৰহাট শাখাৰ নিখিল ভাৰতীয় মধ্যদেশীয় বৈশ্য সভাৰ এখন সাধাৰণ সভা অনুষ্ঠিত হ'ব। উক্ত বৈঠকত যোৱা বছৰৰ উপাচাৰ্য বাবা গণিনাথ জীৰ পূজাৰ আয়-ব্যয়ৰ হিচাপ কোষাধ্যক্ষই দাখিল কৰিব। ইয়াৰ সমান্তৰালভাৱে চলিত বৰ্ষত অনুষ্ঠিত হ'বলগীয়া বাৰ্ষিওক উপাসনাৰ বাবেও আলোচনা কৰা হ'ব। একে সময়তে পূজা কামৰ বাবে সদস্যসকলক কামত নিযুক্ত কৰা হ'ব আৰু আন বহুতো বিষয়ৰ ওপৰত আলোচনা কৰা হ'ব। এক বিজ্ঞপ্তিৰ জৰিয়তে যোৰহাট শাখাৰ সভাপতি দ্বাৰকা প্ৰসাদ গুপ্তাই জিলাখনৰ সকলো স্বজাতি ভাই-ভনীক সভাত উপস্থিত থাকি তেওঁলোকৰ বহুমূলীয়া পৰামৰ্শ আগবঢ়াবলৈ অনুৰোধ জনাইছে।

# চাৰিটা বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ বিহপুৰীয়াৰ লুমিনাছৰ দীক্ষান্তৰ

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ১০ জুন ঃ** গণিত, ঐচ্ছিক গণিত, বিজ্ঞান আৰু সমাজবিজ্ঞানত সৰ্বোচ্চ এশ নম্বৰকৈ লাভ কৰাৰ বিপৰীতে অসমীয়াত ৯১ আৰু ইংৰাজীত ৮৫ নম্বৰসহ মুঠ ৫৭৬ নম্বৰ ১৩ পৃষ্ঠাত চাওক

# পুৰণিগুদাম ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ত সপ্তাহজোৰা প্ৰশিক্ষণৰ আৰম্ভ

অগ্ৰদূত বাৰ্তা

**পুৰণিগুদাম, ১০ জুন ঃ** নগাঁও জিলাৰ পুৰণিগুদাম ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ কেৰিয়াৰ গাইডেন্স চেলৰ উদ্যোগত যোৱা সাত জুনৰ বিয়লিৰে পৰা মহাবিদ্যালয় সভাগৃহত ৰাজ্য চৰকাৰৰ তৃতীয়বৰ্গৰ চাকৰিৰ সাক্ষাৎকাৰ দিব পৰাকৈ এক সপ্তাহজোৰা প্ৰশিক্ষণ আৰম্ভ কৰা হয়। অনুষ্ঠানৰ আঁত ধৰি সমন্বয়ক ড° পুণ্যলতা গোহাঁয়ে কয় যে যিসকল উচ্চ শিক্ষিত ছাত্ৰ-ছাত্ৰীৰ লগতে নিবনুৱাই বিভিন্ন বিভাগত ১৩ পৃষ্ঠাত চাওক

# আজিৰে পৰা গোমোঠা গাঁৱত অখণ্ড নাম মহোৎসৱ

অগ্ৰদূত বাৰ্তা

**পুৰণিগুদাম, ১০ জুন ঃ** নগাঁও জিলাৰ গোমোঠা গাঁও আঞ্চলিক অখণ্ড নাম মহোৎসৱ উদ্‌যাপন সমিতিৰ ব্যৱস্থাপনাত কাইলৈৰ পৰা দুদিনীয়াকৈ গোমোঠা গাঁৱৰ বিষ্ণু মন্দিৰ প্ৰাংগণত ৪৪ সংখ্যক আঞ্চলিক অখণ্ড নাম মহোৎসৱ অনুষ্ঠিত হ'ব। ইতিমধ্যে অখণ্ড নাম মহোৎসৱৰ কাম-কাজ পৰিচালনা কৰিবৰ বাবে নৰেন বৰাক সভাপতি, যতিৰঞ্জন বৰা, পদ্ম নেওগক কাৰ্যকৰী সভাপতি, নিপুল বৰাক সাধাৰণ সম্পাদক, বৰুণ জ্যোতি নেওগ, প্ৰশান্ত কুমাৰ শইকীয়া আৰু ৰিতু নেওগক যুটীয়া সম্পাদক, লাতুমণি নেওগক সম্পাদক, নীপাংকৰ শইকীয়াক কোষাধ্যক্ষ হিচাপে লৈ এখন শক্তিশালী উদ্‌যাপন সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি, কাইলৈ পুৱা ধৰ্মধ্বজা উত্তোলন কৰিব শ্ৰীশ্ৰী ডোখোৰামুখ সত্ৰৰ ডেকা সত্ৰাধিকাৰ ৰঞ্জিত কুমাৰ গোস্বামীয়ে। ইয়াৰ পাছতে ভাগৱত ভ্ৰমণ, দুপৰীয়া নাম-প্ৰসংগ আৰু বিয়লি তিনি বজাৰ পৰা নাম আৰম্ভ হ'ব। দ্বিতীয় দিনা বিয়লি অখণ্ড নামৰ সামৰণি পৰিব। নিশা চিনু গায়নৰ সোঁৱৰণত পালা ভাওনা 'হৰিশ্চন্দ্ৰ উপাখ্যান' প্ৰদৰ্শন কৰা হ'ব। অনুষ্ঠানতেই সামাজিক ক্ষেত্ৰকে ধৰি বিভিন্ন দিশত অৱদান আগবঢ়োৱা কে'বাগৰাকী ব্যক্তিক সম্বৰ্ধনা জনোৱা হ'ব।

# এশ শতাংশ উত্তীৰ্ণৰে পুনৰ উজলিল শংকৰদেৱ বিদ্যা নিকেতন

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ১০ জুন ঃ** এশ শতাংশই উত্তীৰ্ণৰে পুনৰ ৰাইজৰ মাজত উজলি উঠিল নলবাৰী জিলাৰ পূৱ প্ৰান্তৰ শংকৰদেৱ বিদ্যা নিকেতন বাহাৰঘাট। এই বছৰকে ধৰি বিগত ১৪ টা বছৰে নিকেতনখনে এশ শতাংশই উত্তীৰ্ণ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। এইবেলিও উক্ত নিকেতনৰ পৰা মুঠ ৫২ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। তাৰে ১৬ গৰাকীয়ে ডিষ্টিংচন, ১৪ গৰাকীয়ে ষ্টাৰ, ১৬ গৰাকীয়ে প্ৰথমসহ মুঠ ৪৬ গৰাকী প্ৰথম বিভাগত উত্তীৰ্ণ হয় আৰু ছগৰাকী পৰীক্ষাৰ্থী দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ পূৰ্বৰ এশ শতাংশ উত্তীৰ্ণৰ ধাৰা অব্যাহত ৰাখে। আনহাতে, কামৰূপ জিলাৰ পশ্চিম বড়িগোগ মৌজাৰ বাৰাংহাটী শংকৰদেৱ শিশু নিকেতনৰ মুঠ ১৯ গৰাকী পৰীক্ষাৰ্থীৰ আটাইকেইগৰাকী উত্তীৰ্ণ হৈ অঞ্চলটোলে সুনাম কঢ়িয়াই আনে। উল্লেখ্য যে নিকেতনখনৰ মুঠ পৰীক্ষাৰ্থীৰ তিনিগৰাকী ডিষ্টিংচন, চাৰিগৰাকী ষ্টাৰ, সাতগৰাকী প্ৰথম, চাৰিগৰাকী দ্বিতীয় আৰু ১৩ পৃষ্ঠাত চাওক

চোলাধৰা প্ৰগতি সমাজৰ প্ৰতিষ্ঠা দিৱস উদযাপন

# আত্মকেন্দ্ৰিকতা পৰিহাৰ কৰি কৰা কিঞ্চিত চিন্তাই সমাজৰ উন্নতি সাধিব

অগ্ৰদূত বাৰ্তা

**চিনামৰা ১০ জুন ঃ** ঐতিহ্যমণ্ডিত চোলাধৰা প্ৰগতি সমাজৰ প্ৰতিষ্ঠা দিৱস অতি উলহ-মালহেৰে যোৱা চাৰি জুনত সম্পন্ন হৈ যায়। দিৱস উপলক্ষে পুৱা পতাকা উত্তোলন কৰে সভাপতি অনন্ত কুমাৰ শৰ্মাই। অনুষ্ঠানটোৰ জন্মলগ্নৰে পৰা জড়িত লোকসকলৰ প্ৰতি শ্ৰদ্ধা জনাই বন্তি প্ৰজ্বলন কৰে ৯৩ বছৰীয়া বৰ্ষীয়ান ব্যক্তি ঋষি বৰুৱাই। উপ-সভাপতি প্ৰবীণ শৰ্মাই আঁত ধৰা অনুষ্ঠানত স্মৃতি ৰোমন্থনেৰে ঋষি বৰুৱাই সজীৱ কৰি তোলে। ইয়াৰ পাছতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বিষয়ববীয়া তথা স্থানীয় ৰাইজে অংশগ্ৰহণ কৰি পুষ্পাৰ্ঘ অৰ্পণ কৰে। বিয়লি চাৰি বজাৰ পৰা অনুষ্ঠিত হোৱা প্ৰেক্ষাগৃহ উদ্বোধনী সভাখন পংকজ বৰুৱাৰ মংগলাচাৰণেৰে আৰম্ভ কৰা হয়। প্ৰগতি মহিলা চ'ৰাৰ সদস্যাবৃন্দাৰ সমবেত সংগীতৰ পাছতে যোৰহাট বিধানসভা সমষ্টিৰ বিধায়ক শ্ৰীযুত হিতেন্দ্ৰ নাথ গোস্বামীৰে নতুন প্ৰেক্ষাগৃহটো এগছি বন্তি প্ৰজ্জ্বলনেৰে উদ্বোধন কৰে। অতি শৃংখলিত আৰু গাম্ভীৰ্যপূৰ্ণ সভাখনত ১৩ পৃষ্ঠাত চাওক

# উত্তৰ নলীগাঁও বালিকা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰীক বিদায় সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

কয়াকুছিৰ, ১০ জুন ঃ ভাষা বুজি নাপালেও শুদ্ধ আত্মাৰ জৰিয়তে মানুহৰ মনত কথা বুজিব পাৰি, প্ৰথম অৱস্থাত উজনিৰ পৰা আহি এই পাছপৰা অঞ্চলৰ মানুহৰ কথা একো বুজিব পৰা নাছিলো, কিন্তু মানুহৰ অন্তৰত কি আছে সেয়া উপলব্ধি কৰি সকলোৰে লগত একাত্মা হৈ পৰিছিলো এনেদৰে উত্তৰ নলীগাঁও বালিকা প্ৰাথমিক বিদ্যালয়ৰ পৰা বিদায় লোৱা শিক্ষয়িত্ৰী বিটপী ভূঞাই চকুলো টুকি এনেদৰে কয়। বৰপেটা প্ৰাথমিক শিক্ষা খণ্ডৰ নলীগাঁও মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত উত্তৰ নলীগাঁও বালিকা প্ৰাথমিক বিদ্যালয়ৰ পৰা অলপতে বিদায় লোৱা সহকাৰী শিক্ষক বিটপী ভূঞাক সম্বৰ্ধনা জনোৱাৰ বাবে এখন সভা কালি বিদ্যালয়ত অনুষ্ঠিত হৈ যায়। নলীগাঁও অঞ্চলৰ বিশিষ্ট শিক্ষাবিদ তথা অৱসৰপ্ৰাপ্ত ১৩ পৃষ্ঠাত চাওক

# হাইস্কুল শিক্ষান্ত পৰীক্ষাত জিলিকিল কৃষকৰ পুত্ৰ ৰূপচান আলী

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ১০ জুন ঃ** মঙলবাৰে ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত চিৰাং জিলাৰ বিজনী মহকুমাৰ আলুখুন্দালৈ গৌৰৱ কঢ়িয়াই আনিলে এগৰাকী অতি দুখীয়া পৰিয়ালৰ ছাত্ৰই। সাফল্যৰ পথত দৰিদ্ৰতা কেতিয়াও হেঙাৰ হ'ব নোৱাৰে তাক প্ৰতিপন্ন কৰি নিজৰ মেধা শক্তিৰে জিলিকি উঠিল চিৰাং জিলাৰ বিজনী আলুখুন্দাৰ ৰূপচান আলী নামৰ ছাত্ৰজনে। চৰকাৰী বিদ্যালয় আলুখুন্দা মিলনজ্যোতি হাইস্কুলত অধ্যয়ন কৰি কালি ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত ৯৫ নম্বৰেৰে আটাইকেইটা বিষয়ত লেটাৰ নম্বৰসহ ডিষ্টিংচন লাভ কৰি জিলাখনৰ লগতে বিদ্যালয় আৰু নিজৰ ঘৰখনলৈ গৌৰৱ আঁজুৰি আনিবলৈ সক্ষম হৈছে ৰূপচান আলী নামৰ এইজন দুখীয়া ছাত্ৰই। আলুখুন্দাৰ গৰাইমাৰী নিবাসী অতি দুখীয়া কৃষক পিতৃ আতোৱাৰ ৰহমান আৰু মাতৃ ৰূপালী বিবিৰ প্ৰথম ১৩ পৃষ্ঠাত চাওক

# হাইস্কুল শিক্ষান্ত পৰীক্ষাত জিলিকিল গাঁৱৰ চৰকাৰী বিদ্যালয়

অগ্ৰদূত বাৰ্তা


**নলবাৰী, ১০ জুন ঃ** চৰকাৰী খণ্ডৰ বিদ্যালয়ে সময়ে সময়ে বিভিন্ন সমালোচনা আৰু একাংশ শিক্ষাৰ্থী ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত অধ্যয়নৰ বাবে ধাৱমান হৈ থকাৰ সময়তে গাঁৱৰ চৰকাৰী বিদ্যালয়ে সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত এশ শতাংশ উত্তীৰ্ণৰে চৰকাৰী বিদ্যালয়ৰ জয়যাত্ৰা অব্যাহত ৰাখিবলৈ সক্ষম হৈছে। নলবাৰী জিলাৰ খাতা বনভাগ দিহজাৰী হাইস্কুলৰ আজি ঘোষিত শিক্ষান্ত পৰীক্ষাৰ ফল ঘোষণাৰ অন্তত এশ শতাংশ পৰীক্ষাৰ্থীয়ে উত্তীৰ্ণ হৈ গাঁওখনলৈ কঢ়িয়াই আনিছে শিক্ষাৰ গৌৰৱ। মুঠ ১২৩ গৰাকী পৰীক্ষাৰ্থী থকা বিদ্যালয়খনত ৮৩ গৰাকীয়ে প্ৰথম বিভাগ, ৩৯ গৰাকীয়ে দ্বিতীয় বিভাগ আৰু এগৰাকীয়ে তৃতীয় বিভাগ লাভ কৰে। বিদ্যালয়খনত ডিষ্টিংচন লাভ কৰিছে ১৫ গৰাকীয়ে ছাত্ৰ-ছাত্ৰীয়ে। ইপিনে, ১০০ নম্বৰেই লাভ কৰিছে ক্ৰমে সাধাৰণ গণিতত সাতগৰাকী, উচ্চচ গণিতত ১১ গৰাকী আৰু সমাজবিদ্যাত এগৰাকী কৃতী শিক্ষাৰ্থীয়ে। উল্লেখ্য যে দিহজাৰী গাঁৱৰ এই চৰকাৰী বিদ্যালয়খনে ২০০৮তো এশ শতাংশ উত্তীৰ্ণৰে সুনাম কঢ়িয়াবলৈ সক্ষম হৈছিল। গাঁৱৰ চৰকাৰী এই বিদ্যালয়খনৰ এশ শতাংশ উত্তীৰ্ণ হাৰৰ সাফল্যই গাঁৱৰ অভিভাৱক, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ মাজত আনন্দ আৰু উছাহৰ বন্যা কঢ়িয়াই আনিছে।

কৰ্মৰাজিয়ে মানুহক অমৰ কৰি ৰাখে ঃ যাদৱ শৰ্মা

# ঠেলামৰাত শিক্ষাবিদ কিৰণ বৰাৰ স্মৃতিচাৰণ অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**ঠেলামৰা, ১০ জুন ঃ** 'মানুহৰ কৰ্মৰাজিয়ে মানুহক অমৰ কৰি ৰাখে। মানুহে জীৱিত কালত কৰা জনহিতৈষী কাম-কাজৰ বাবে সমাজে মৃত্যুৰ পাছতো যথাযথ সন্মান দিয়া ইতিহাসৰ পৃষ্ঠাই পৃষ্ঠাই লুটিয়ালে পোৱা যায়।' এই মন্তব্য অসম সাহিত্য সভাৰ সম্পাদক যাদৱ শৰ্মাৰ। অলপতে শোণিতপুৰ জিলা সাহিত্য সভাৰ উদ্যোগত আৰু ৰূপকোঁৱৰ শাখাৰ সহযোগত বিগত বৰ্ষৰ কৰ'না মহামাৰীত মৃত্যু হোৱা শোণিতপুৰ জিলা সাহিত্য সভাৰ কোষাধ্যক্ষ তথা কৰ্ণধাৰৰ সদস্য প্ৰয়াত কিৰণ চন্দ্ৰ বৰাৰ প্ৰতিমূৰ্তি উন্মোচন কৰি প্ৰধান সম্পাদকজনে আৰু কয় যে শিক্ষাবিদ কিৰণ চন্দ্ৰ বৰাই বিগত ৪৫টা বছৰে অসমীয়া ভাষা জননীৰ সেৱা কৰি থকাৰ লগতে শিক্ষকতাৰ পৰা অৱসৰ লোৱাৰ পাছতো পূৰ্বতকৈ অধিক সময় সমাজৰ বাবে যি সেৱা আগবঢ়াই গ'ল সেয়া যুগ যুগান্তৰলৈ সজীৱ হৈ থাকিব বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে। উল্লেখ্য যে প্ৰতিকূল বতৰক নেওচি অনুষ্ঠিত উন্মোচনীৰ পাছতেই প্ৰয়াত বৰাৰ বাসগৃহত জিলা সাহিত্য সভাৰ সভাপতি বাসুদেৱ শৰ্মাৰ সভাপতিত্বত ১৩ পৃষ্ঠাত চাওক





দ্বিতীয় টি-২০ৰ বাবে কটকত উপস্থিত হোৱা ভাৰতীয় দলক আদৰণি হোটেল কৰ্তৃপক্ষৰ, শুকুৰবাৰে।

# আইটা চেম্পিয়নশ্বিপত ত্ৰিমুকুট তানিয়াৰ

## ল'ৰাৰ বিভাগত দ্বিমুকুট অন্তৰীক্ষৰ ঃ ডাবলছত চেম্পিয়ন ৰিয়ান-ৰৌণক

**গুৱাহাটী, ১০ জুন ঃ** সদৌ অসম টেনিছ সন্থাৰ উদ্যোগত আয়োজিত আইটা চেম্পিয়নশ্বিপ ছিৰিজ টেনিছত উজ্বলি উঠিল অসমৰ দুই প্ৰতিভাৱান খেলুৱৈ। আজি সমাপ্ত হোৱা প্ৰতিযোগিতাখনত অসমৰ তানিয়া কুমাৰীয়ে ত্ৰিমুকুট অৰ্জন কৰাৰ বিপৰীতে দ্বৈত খিতাপ জয় কৰিলে অন্তৰীক্ষ তামুলীয়ে। চচল টেনিছ কমপ্লেক্সত অনুষ্ঠিত প্ৰতিযোগিতাত তানিয়াই ছোৱালীৰ ১৬ আৰু ১৮ বছৰ অনূৰ্ধ্ব শাখাৰ ছিংগল্‌ছ আৰু ১৮ বছৰ অনূৰ্ধ্বৰ ডাবল্‌ছত খিতাপ জয় কৰে। সেইদৰেই অন্তৰীক্ষই ল'ৰাৰ ১৬ বছৰ অনূৰ্ধ্বৰ ছিংগল্‌ছ আৰু ১৮ বছৰ অনূৰ্ধ্ব শাখাৰ ডাবল্‌ছত খিতাপ জয় কৰিবলৈ সক্ষম হয়।

ছোৱালীৰ ১৮ বছৰ অনূৰ্ধ্বৰ ছিংগল্‌ছৰ ফাইনেলত তানিয়াই অসমৰে বিষ্ণুপ্ৰিয়া বৰগোহাঁইক ৬-১, ৬-২ ছেটত পৰাজিত কৰে। সেইদৰে তেওঁ ১৬ বছৰ অনূৰ্ধ্বৰ ছিংগল্‌ছৰ ফাইনেলত অসমৰে আদ্ৰিকা ৰাজকুমাৰীক ৬-২, ৬-০ ছেটত পৰাজিত কৰে। ইয়াৰ পাছত ১৮ বছৰ অনূৰ্ধ্বৰ ছোৱালীৰ ডাবল্‌ছত তানিয়াই অসমৰে তানিষ্কা পাটৰৰ স'তে যুটি বান্ধি অসমৰ যুটি অংশিতা শুক্লা আৰু বিষ্ণুপ্ৰিয়া বৰগোহাঁইক ৬-১, ৬-৩ ছেটত হৰুৱাই ত্ৰিমুকুট সম্পূৰ্ণ কৰিবলৈ সক্ষম হয়। ইফালে, অন্তৰীক্ষই ১৬ বছৰ অনূৰ্ধ্বৰ ফাইনেলত অসমৰে পাৰ্থিৱ কলিতাক ৬-২, ৬-২ ছেটত পৰাজিত কৰে। সেইদৰে অনূৰ্ধ্ব ১৮ বছৰৰ ডাবল্‌ছৰ ফাইনেলত অন্তৰীক্ষ আৰু অসমৰ মানান নাথৰ যুটিয়ে কৰ্ণাটকৰ মানৱ হৰিৰাজ আৰু মহাৰাষ্ট্ৰৰ অখিল মাট্টাপাৰ্থিৰ যুটিক ৭-৫, ৬-৪ ছেটত হৰুৱায়। আনহাতে, অসমৰ আন এক যুটি ৰিয়ান কাশ্যপ আৰু ৰৌণক কাশ্যপে ১৬ বছৰ অনূৰ্ধ্বৰ ডাবল্‌ছ খিতাপ জয় কৰে। আজিৰ ফাইনেলত তেওঁলোকে অসমৰ চাণ্ডোগ্য টি পাঠক আৰু পশ্চিমবংগৰ শ্ৰিয়াংশ কে ছাহানিৰ যুটিক ০-৬, ৬-৩, ১০-৩ ছেটত পৰাজিত কৰে।



# খেলো ইণ্ডিয়াৰ হকীত পঞ্জাৱ-হাৰিয়ানাৰ স্বৰ্ণ

নিউজ ব্যুৰ'

**নতুন দিল্লী, ১০ জুন ঃ** চলিত খেলো ইণ্ডিয়াৰ ল'ৰাৰ হকীত খিতাপ জয় কৰিলে পঞ্জাৱে। আনহাতে, ছোৱালীৰ বিভাগত হাৰিয়ানাই খিতাপ জয় কৰিবলৈ সক্ষম হয়। পঞ্চকুলাত চলি থকা প্ৰতিযোগিতাৰ আজিৰ ল'ৰাৰ ফাইনেলত পঞ্জাৱে উত্তৰপ্ৰদেশক ৩-১ গ'লত পৰাজিত কৰি স্বৰ্ণপদক অৰ্জন কৰে। উত্তৰপ্ৰদেশে পায় ৰূপৰ পদক। আনহাতে, তৃতীয় স্থানৰ যুঁজত ওড়িছাই ঝাৰখণ্ডক ৮-০ গ'লত বিধ্বস্ত কৰি ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ইফালে, ছোৱালীৰ হকীত হাৰিয়ানাই ওড়িছাক ৪-১ গ'লত পৰাজিত কৰি স্বৰ্ণপদক জয় কৰে। সেইদৰে ঝাৰখণ্ডে উত্তৰপ্ৰদেশক ৪-১ গ'লত হৰুৱাই ব্ৰঞ্জৰ পদক পায়।

ইপিনে, ছোৱালীৰ ফাইনেলত উপনীত হৈছে ঝাৰখণ্ড আৰু তামিলনাড়ু। আজি পুৱা ছেমিফাইনেল দুখন অনুষ্ঠিত হয়। প্ৰথম ছেমিফাইনেলত ঝাৰখণ্ডে গুজৰাটক ৩-০ আৰু দ্বিতীয় ছেমিফাইনেনলত তামিলনাড়ুৱে হাৰিয়ানাক ৩-২ গ'লত পৰাজিত কৰে।



# ৰাষ্ট্ৰীয় যোগ অলিম্পিয়াডলৈ ৰঞ্জিত বৰা

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ১০ জুন ঃ** গোলাঘাট জিলাৰ ফৰকাটিং আৰক্ষী চকী অন্তৰ্গত দ-গাঁৱৰ নিবাসী লক্ষেশ্বৰ বৰা আৰু তুলুমণি বৰাৰ সুন্তান তথা গাড়ীগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ ৰঞ্জিত বৰাই নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় অলিম্পিয়াডত অংশগ্ৰহণ কৰিবলৈ যোগ্যতা অৰ্জন কৰিছে। দিল্লীত সৰ্বভাৰতীয় পৰ্যায়ত অহা ১৮,১৯ আৰু ২০ জুনত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাত ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ ৰঞ্জিতে অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰিছে।

# কাইলৈ শিৱসাগৰত যোগাসন প্ৰতিযোগিতা

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১০ জুন ঃ** অষ্টম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ লগত সংগতি ৰাখি অহা ১২ জুনত শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত পুৱা ৯-৩০ বজাৰ পৰা জিলাভিত্তিত এখনি যোগাসন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। চাৰিটা শাখাত অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাত পুৰুষ-মহিলা, ছাত্ৰ-ছাত্ৰী সকলোৱে অংশগ্ৰহণ কৰিব পাৰিব। শাখাসমূহ হৈছে ১০ বছৰ বয়সলৈকে 'ক' শাখা, ১০ বছৰৰ পৰা ১৮ বছৰ বয়সলৈকে 'খ' শাখা, ১৮ৰ পৰা ৩৫ বছৰ বয়সলৈকে 'গ' শাখা আৰু ৩৫ বছৰৰ ওপৰত 'ঘ' শাখা। প্ৰতিযোগী সকলে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ বয়সৰ প্ৰকৃত প্ৰমাণপত্ৰ লগত লৈ আনিব লাগিব আৰু বৃক্ষাসন, উষ্ট্ৰাসন, বক্ৰাসন, উত্তালপদাসন আৰু নিজ ইচ্ছাৰে এটি আসনত অংশগ্ৰহণ কৰিব লাগিব। উল্লেখ্য যে এই প্ৰতিযোগিতাৰ প্ৰতিটো শাখাৰ এজনকৈ বিজয়ী প্ৰতিযোগীক ৰাজ্যিক পৰ্যায়ৰ যোগাসন প্ৰতিযোগিতালৈ নিৰ্বাচিত কৰা হ'ব। এই যোগাসন প্ৰতিযোগিতাৰ বিষয়ে সবিশেষ জানিবৰ বাবে প্ৰতিযোগীসকলে ৭০০২৬-১৬৫২৯ নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি জনাইছে।

# হাজোত ৰাজ্যিক কিক্‌বক্সিংত পদক বিজয়ী খেলুৱৈক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**হাজো, ১০ জুন ঃ** কামৰূপ জিলাৰ হাজো সমষ্টিৰ বুল্লুট বজাৰত অসম ভিত্তিত কিক্‌বক্সিং প্ৰতিযোগিতাত সফলতা অৰ্জন কৰা কৃতী খেলুৱৈসকলক সম্বৰ্ধনা জনোৱা হয়। যোৱা চাৰি-পাঁচ জুনত গোলাঘাটত অনুষ্ঠিত অসম ৰাজ্যিক এমেছাৰ ৱাক' কিক্‌বক্সিং প্ৰতিযোগিতাত পদকপ্ৰাপ্ত বুল্লুটৰ টাইগাৰ ক্লাবৰ পদক জয় কৰিছিল সম্বৰ্ধনাপ্ৰাপ্ত খেলুৱৈসকলে। খোপনি কুছি আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সাগৰ আলী আহমেদৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত মুখ্য অতিথিৰূপে উপস্থিত থাকে অসম কিক্‌বক্সিং এছ'চিয়েছনৰ প্ৰতিষ্ঠাপক সভাপতি হিৰণ্য বৰুৱা।

উল্লেখ্য যে গোলাঘাটত অনুষ্ঠিত কিক্‌বক্সিং প্ৰতিযোগিতাত হাজো বুল্লুটৰ টাইগাৰ ক্লাবৰ ছয়গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। ৰাজ্যিক পৰ্যায়ত অনুষ্ঠিত প্ৰতিযোগিতাখনত বুল্লুট টাইগাৰ ক্লাবৰ ৰেছমিনা বেগম, আনোৱাৰ হুছেইন, ছাইনা পাৰবিনে সোণৰ পদক আৰু ছাহদাদ আলী, মুন ভূঞা আৰু দিলদাৰ আলীয়ে ৰূপৰ পদক আঁজুৰি আনিবলৈ সক্ষম হয়। এই অনুষ্ঠানত এমেছাৰ ৱাক' কিক বক্সিং এছ'চিয়েছনৰ সাংগঠনিক সম্পাদক প্ৰভাত চন্দ্ৰ দাস, হাজো সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যাপক আবুল হুছেইন, বুল্লুট আঞ্চলিক জাতীয় বিদ্যালয়ৰ অধ্যক্ষ তথা কলিতাকুছি গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি মন্নাফ আলী, চিআৰচিচি লুটফৰ ৰহমান, পশ্চিম বৰভাগৰ সমাজসেৱিকা ৰীতা দাস, কুৰবান আলী, প্ৰশিক্ষক জয়ান আলী, ফৰিজুল হক, বুল্লুট আঞ্চলিক ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ সম্পাদক ছুয়েল আলী আহমেদ সমন্বিতে ছাত্ৰ-ছাত্ৰী, অভিভাৱক তথা কে'বা শতাধিক লোক উপস্থিত থাকে।





খেলো ইণ্ডিয়াৰ মহিলাৰ এশ মিটাৰ দৌৰৰ বিজয়ী সুদেষ্ণা।

## ৰাষ্ট্ৰীয় এথলেটিক্‌ছ

# ছেমিত দ্বিতীয় স্থান হিমাৰ

**গুৱাহাটী, ১০ জুন ঃ** চেন্নাইত চলি থকা ৬১সংখ্যক ৰাষ্ট্ৰীয় আন্তঃৰাজ্যিক এথলেটিক্‌ছত আশাব্যঞ্জক প্ৰদৰ্শনত ব্যৰ্থ হ'ল হিমা দাস। আজি প্ৰতিযোগিতাৰ মহিলাৰ ১০০ মিটাৰ দৌৰত হিমাই দ্বিতীয় স্থান পায়। তেওঁ ১১.৫৪ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰে। উক্ত ইভেণ্টত ১১.৪০ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰি প্ৰথম স্থান পায় ওড়িছাৰ শৰ্বাণী নন্দাই। অসমৰ আন এজন এথলীট অম্লান বৰগোহাঁইক পুৰুষৰ ১০০ মিটাৰ দৌৰৰ ছেমিফাইনেলত পৰাজিত কৰে পঞ্জাৱৰ হৰজিৎ সিঙে। অম্লানে প্ৰথম ৰাউণ্ডত দ্ৰুত সময়ত দৌৰ সম্পূৰ্ণ কৰিছিল যদিও ছেমিফাইনেলত সেই ধাৰা অব্যাহত ৰাখিব নোৱাৰিলে। প্ৰথম ৰাউণ্ডত অম্লানে ১০.৫১ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰিছিল। যদিও ছেমিফাইনেলত তেওঁ সেই সময়ৰ কাষ চাপিব নোৱাৰিলে।

# নিউজিলেণ্ডৰ মন্থৰ আৰম্ভণি

নিউজ ব্যুৰ'

**নটিংহাম, ১০ জুন ঃ** ইংলণ্ডৰ বিপক্ষে দ্বিতীয় টেষ্টত মন্থৰ আৰম্ভণি ঘটাইছে নিউজিলেণ্ডে। আজি প্ৰথমে বেটিং কৰি ভ্ৰমণকাৰী দলটোৱে বাতৰি লিখাৰ পৰলৈ চাৰি উইকেটৰ বিনিময়ত ১৭৪ ৰাণ সংগ্ৰহ কৰিছে। উইল ইয়ং (৪৭), ভাৰপ্ৰাপ্ত অধিনায়ক টম লেথাম (২৬), ডেভন কনৱে (৪৬) আৰু হেনৰি নিকল্‌ছে (৩০) সুন্দৰ আৰম্ভণি কৰিও ডাঙৰ স্ক'ৰ সংগ্ৰহ কৰিব নোৱাৰিলে।

# নিউষ্টাৰ-কাজিৰঙাৰ জয়

**গুৱাহাটী, ১০ জুন ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ দ্বাৰা আয়োজিত 'চি' ডিভিজন কোৱালিফায়িং ফুটবল প্ৰতিযোগিতাৰ পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে নিউ ষ্টাৰ ক্লাব আৰু কাজিৰঙা এফচি। আজি নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত খেলত নিউ ষ্টাৰে কেতেকীবাৰী এফচিক ১-০ গ'লত পৰাজিত কৰে। আনখন খেলত কাজিৰঙাই ব্ৰহ্মপুত্ৰ বয়জক ৫-০ গ'লত শোচনীয়ভাৱে পৰাজিত কৰে। কাজিৰঙাৰ অবিনাশ বড়োৱে হেট্ৰিক অৰ্জন কৰে। কাইলৈ লিণ্ডা এফচিয়ে অংকুৰজ্যোতি ক্লাবৰ বিপক্ষে আৰু এক্সেল এফচিয়ে উদয়ন কৃষ্টি সংঘৰ বিপক্ষে খেলিব।

# কটহগুৰিত যোগ কৰ্মশালাৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ১০ জুন ঃ** নগাঁও আৰু মৰিগাঁও জিলাৰ সীমামূৰীয়া টুকটুকীত অৱস্থিত কটহগুৰি মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি (এনএছএছ) গোটৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সহযোগত কটহগুৰি মহাবিদ্যালয়ত যোৱা ৩০ মে'ৰ পৰা চলি থকা ১০দিনীয়া যোগ ক্ৰীড়া কৰ্মশালাৰ কালি সামৰণি পৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষ তথা সমাজ সংগঠক ড° খাইৰুল ইছলামৰ সভাপতিত্বত অনুষ্ঠিত সামৰণি সভাৰ আৰম্ভণিতে আদৰণি অনুষ্ঠানৰ আঁত ধৰে সহকাৰী অধ্যাপিকা নিকুপ্ৰভা দেৱীয়ে। মহাবিদ্যালয়খনৰ সহকাৰী অধ্যাপক-অধ্যাপিকা অংকিতাময়ী বৰা, মনীষা শইকীয়া, অশ্ৰুমণি ডেকা, ফাইজউদ্দিন আহমেদ, গ্ৰন্থাগাৰিক ইছমতাৰা বেগম আদিৰ লগতে মাইনুল হক চৌধুৰীকে ধৰি কৰ্মচাৰীসকলে ভাগ লোৱা কৰ্মশালাৰ সামৰণি সভাত অসম যোগ সংস্থাৰ



সাধাৰণ সম্পাদক তথা বিশিষ্ট ক্ৰীড়া সংগঠক প্ৰভাত চন্দ্ৰ বৰাই মুখ্য অতিথিৰূপে যোগ ক্ৰীড়া ওপৰত বিস্তাৰিতভাৱে ভাষণ ৰাখে। লগতে সভাখনত অসম যোগ সংস্থাৰ যুটীয়া সম্পাদক তথা সমাজ সংগঠক সমীৰ হাজৰিকাই বিশিষ্ট অতিথিৰূপে বক্তব্য ৰাখে। প্ৰশিক্ষাৰ্থীসকলৰ হৈ আছিকা আখটাৰায়ো সভাত অভিমত দাঙি ধৰে। শতাধিক ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণেৰে আয়োজিত এই কৰ্মশালাত ৰাষ্ট্ৰীয় যোগ খেলুৱৈ তথা বিচাৰক জয়াৰাণী ডেকা মুখ্য প্ৰশিক্ষক আৰু ৰাষ্ট্ৰীয় খেলুৱৈ তথা বিচাৰক বিচিত্ৰৰঞ্জন বৰা সহযোগী প্ৰশিক্ষকৰূপে আছিল। মন কৰিবলগীয়া যে মহাবিদ্যালয়খনত পোনপ্ৰথমবাৰৰ বাবে আয়োজন কৰা যোগ কৰ্মশালাত ছাত্ৰ-ছাত্ৰীৰ পৰা আশাব্যঞ্জক সঁহাৰি লাভ কৰাৰ বাবে আয়োজকসকলৰ লগতে অসম যোগ সংস্থাই প্ৰশিক্ষণ আগবঢ়োৱাত স্থানীয় যোগপ্ৰেমীসকলে তেওঁলোকক প্ৰশংসা কৰিছে।

# ৰোহিত-ৰাহুল সম্পৰ্কে বিতৰ্কিত মন্তব্য ঈশানৰ

নিউজ ব্যুৰ'

**নতুন দিল্লী, ১০ জুন ঃ** যোৱা নিশা দক্ষিণ আফ্ৰিকাৰ বিপক্ষে প্ৰথম টি-২০ত ভাৰতীয় দল পৰাজিত হ'লে ফৰ্মলৈ প্ৰত্যাৱৰ্তনৰ ইংগিত দিলে ঈশান কিষাণে। খেলখনত ঈশানে ইনিংছ মুকলি কৰি ৪৮টা বলত ৭৬ ৰাণ কৰে। ইয়াৰ পাছতে জ্যেষ্ঠ সতীৰ্থ ৰোহিত শৰ্মা আৰু লোকেশ ৰাহুল সম্পৰ্কে মন্তব্য কৰি বিতৰ্কৰ সূত্ৰপাত ঘটালে তৰুণ বেটাৰজনে। আচলতে অধিনায়ক ৰোহিত আৰু সহ-অধিনায়ক ৰাহুলৰ উপস্থিতিৰ বাবেই ঈশানে ভাৰতীয় দলৰ হৈ নিয়মিত খেলাৰ সুযোগ পোৱা নাই। ভাৰতে পূৰ্ণ শক্তিৰ দল খেলপথাৰত অৱতীৰ্ণ কৰালে ঈশানৰ প্ৰথম একাদশত স্থান নহয়। যোৱা নিশা খেলৰ অন্তত দলত তেওঁৰ স্থান সন্দৰ্ভত সাংবাদিকৰ এক প্ৰশ্নত বিৰক্ত হৈয়েই ঈশানে বিতৰ্কিত মন্তব্য কৰে। ঈশানে কয়, 'ৰোহিত বা ৰাহুলক গৈ মোৰ বাবে স্থান এৰি দিবলৈ ক'ম নেকি? এয়া হাস্যকৰ নহয় নেকি?' ঈশানে অৱশ্যে দুই জ্যেষ্ঠ সতীৰ্থৰ প্ৰতি সমীহ সহকাৰে মন্তব্য কৰিছিল যদিও তেওঁৰ কোৱাৰ ধৰণত বহুতেই বিৰক্তি প্ৰকাশ কৰিছে। ঈশানে পুনৰ কয়, 'তেওঁলোক বিশ্বমানৰ খেলুৱৈ। তেওঁলোক থাকিলে দলত স্থান পোৱাৰ আশা নাথাকে। মোৰ কাম হৈছে অনুশীলনত শ্ৰেষ্ঠখিনি উজাৰি দিয়া। সুযোগ পালে নিজক প্ৰমাণ কৰিবলৈ আৰু দলৰ বাবে ভাল কিবা কৰিব বিচাৰোঁ। তেওঁলোকে দেশৰ হৈ প্ৰচুৰ ৰাণ কৰিছে। তেওঁলোকক গৈ ক'ব নোৱাৰো যে মোৰ বাবে তোমালোকে ঠাই এৰি দিয়া।'

## জিয়াউৰ ৰহমান মৰাণ আন্তঃবিদ্যালয় ফুটবল

# ছেইণ্ট যোছেফ-ধেমেচী ছেমিত

অগ্ৰদূত বাৰ্তা

**মৰাণ, ১০ জুন ঃ** মৰাণ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত মৰাণ মহাবিদ্যালয় খেলপথাৰত চলি থকা জিয়াউৰ ৰহমান মৰাণ আন্তঃবিদ্যালয় ফুটবলত ছেইণ্ট যোছেফ একাডেমী আৰু ধেমেচী উচ্চ মাধ্যমিক বিদ্যালয়ে ছেমিফাইনেলত প্ৰৱেশ কৰিছে। আজি অনুষ্ঠিত প্ৰথমখন খেলত ধেমেচী উচ্চ মাধ্যমিক বিদ্যালয়ে মৰাণ মৰাণ পাবলিক উচ্চ মাধ্যমিক বিদ্যালয়ক ৩-১ গ'লৰ ব্যৱধানত পৰাজিত কৰে। ধেমেচীৰ হৈ হীৰকজ্যোতি দিহিংগীয়াই দুটা আৰু বিকি দত্তই এটা গ'ল দিয়ে। পাব্লিকৰ হৈ একমাত্ৰ গ'লটো দিয়ে কিৰণ পৰজাই। আনহাতে, দ্বিতীয়খন খেলত ছেইণ্ট যোছেফ হাইস্কুলে চেপন উচ্চ মাধ্যমিক বিদ্যালয়ক ৫-০ গ'লৰ ব্যৱধানত পৰাজিত কৰে। যোছেফৰ হৈ পুশৰাজ শইকীয়াই তিনিটা আৰু প্ৰাচুৰ্য দিহিংগীয়াই দুটা গ'ল দিয়ে। কাইলৈ প্ৰথমখন ছেমিফাইনেলত ধেমেচী উচ্চ মাধ্যমিক বিদ্যালয়ে ছেইণ্ট যোছেফ হাইস্কুলৰ বিৰুদ্ধে আৰু ১২ জুনৰ দ্বিতীয়খন ছেমিত দমন উচ্চতৰ মাধ্যমিক বিদ্যালয়ে ব্ৰনছন এণ্ড ব্ৰাউন ইংলিছ একাডেমীৰ বিপক্ষে খেলিব।

# ইণ্ডোনেছিয়া বেডমিণ্টনৰ পৰা বিদায় ল'লে সেন-সিন্ধুৱে

নিউজ ব্যুৰ'

**জাকাৰ্টা, ১০ জুন ঃ** ইণ্ডোনেছিয়া অপেন ছুপাৰ ছিৰিজ ৫০০ বেডমিণ্টনত সমাপ্ত হ'ল ভাৰতৰ অভিযান। আজিৰ কোৱাৰ্টাৰ ফাইনেলৰ পৰা বিদায় ল'লে দুবাৰৰ অলিম্পিক পদক বিজয়ী পি ভি সিন্ধু আৰু ৱৰ্ল্ড চেম্পিয়নশ্বিপৰ ব্ৰঞ্জ বিজয়ী লক্ষ্য সেনে। আজি সিন্ধুৱে থাইলেণ্ডৰ পুৰণি প্ৰতিদ্বন্দ্বী ৰাটচান'ক ইণ্টাননৰ বিপক্ষে পৰাজিত হোৱাৰ লগে লগে ভাৰতীয় প্ৰত্যাহ্বানৰ ওৰ পৰে। খেলখনত থাইলেণ্ডৰ তাৰকাগৰাকীয়ে সিন্ধুক অতি সহজে ২১-১২, ২১-১০ গেমত পৰাজিত কৰে। খেলখনত ভাৰতীয় তাৰকাগৰাকীয়ে কোনো ধৰণৰ প্ৰতিৰোধ গঢ়ি তুলিব নোৱাৰি আধা ঘণ্টাৰো কম সময়ত পৰাজয় স্বীকাৰ কৰে। ইয়াৰ পূৰ্বে ২০ বছৰীয়া প্ৰতিভাৱান খেলুৱৈ লক্ষ্য চাইনিজ টাইপেইৰ চাউ টিয়েন চেনৰ বিপক্ষে পৰাজিত হৈছিল। দ্বিতীয় গেমত লক্ষ্যই দুৰ্দান্ত প্ৰত্যাৱৰ্তন ঘটাইছিল যদিও চাইনিজ টাইপেইৰ খেলুৱৈজনক ৰোধ কৰিব নোৱাৰিলে। খেলখনত চেনে ২১-১৬, ১২-২১, ২১-১৪ গেমত জয়লাভ কৰি ছেমিফাইনেললৈ অগ্ৰসৰ হয়।





# মেৰী কমৰ নাম প্ৰত্যাহাৰ

নিউজ ব্যুৰ'

**নতুন দিল্লী, ১০ জুন ঃ** কমলৱেল্‌থ গেমছৰ ট্ৰায়েলৰ পৰা নাম প্ৰত্যাহাৰ কৰিবলৈ বাধ্য হ'ল কিংবদন্তি বক্সাৰ এম চি মেৰী কমে। আজি প্ৰাক্তন বিশ্ব চেম্পিয়ন মেৰীয়ে ৪৮ কেজি শাখাৰ প্ৰতিযোগিতাত অংশ লৈ থকাৰ সময়তে ভৰিত আঘাতপ্ৰাপ্ত হয়। ফলত তেওঁ খেলখন আধাতে সামৰিবলগীয়া হয়। এই আঘাতৰ ফলত এতিয়া অলিম্পিকৰ পদক বিজয়ী গৰাকীৰ কমনৱেল্‌থ গেমছৰ সুযোগ বিনষ্ট হ'ল।



দ্বিতীয় টেষ্টৰ প্ৰথম দিনা নিউজিলেণ্ডৰ বিপক্ষে উইকেট দখলৰ পাছত সতীৰ্থৰ অভিনন্দন ইংলণ্ডৰ অধিনায়ক বেন ষ্ট'ক্‌ছক, শুকুৰবাৰে।

# ক'ভিডত আক্ৰান্ত উইলিয়ামছন

নিউজ ব্যুৰ'

**নটিংহাম, ১০ জুন ঃ** ক'ভিডত আক্ৰান্ত হ'ল নিউজিলেণ্ডৰ অধিনায়ক কেন উইলিয়ামছন। কালি কিৰি অধিনায়কজনৰ শৰীৰত ভাইৰাছৰ উপস্থিতিৰ প্ৰমাণ পোৱা যায়। যাৰ বাবে উইলিয়ামছনে আজিৰে পৰা ইংলণ্ডৰ বিপক্ষে আৰম্ভ হোৱা দ্বিতীয় টেষ্টত অংশ ল'ব পৰা নাই। দ্বিতীয় টেষ্টত উইলিয়ামছনৰ পৰিৱৰ্তে নিউজিলেণ্ডক নেতৃত্ব দিছে সহ-অধিনায়ক টম লেথামে।

# পৰ্তুগালক চাপত ৰাখিলে স্পেইনে


## নেছন্‌ছ কাপ ফুটবলৰ গ্ৰুপ মেচত দুয়োটা দলৰ জয়

নিউজ ব্যুৰ'

**জেনেভা, ১০ জুন ঃ** নেছন্‌ছ কাপৰ ছেমিফাইনেলত প্ৰৱেশৰ ক্ষেত্ৰত পৰ্তুগালক চাপত ৰাখিলে স্পেইনে। যোৱা নিশা গ্ৰুপ দুইৰ খেলত দুয়োটা দলেই বিজয় অৰ্জন কৰে। পৰ্তুগালে চেক গণৰাজ্যক ২-০ আৰু স্পেইনে ছুইজাৰলেণ্ডক ১-০ গ'লত পৰাজিত কৰে। পৰ্তুগালৰ হৈ জোৱাও কেনছেল' আৰু গঞ্জাল' গুয়েডেছে গ'ল দিয়ে। অৱশ্যে গ'ল নিদিলেও দলৰ জয়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে ক্ৰিষ্টিয়ানো ৰোণাল্ডোৱে। আনখন খেলত স্পেইন পাবল' ছাৰাবিয়াই গ'ল দিয়ে। তিনিখন মেচৰ দুখনত জয়ী হৈ পৰ্তুগালে সাত পইণ্টেৰে গ্ৰুপৰ শীৰ্ষস্থান অক্ষুণ্ণ ৰাখিছে। অৱশ্যে প্ৰথম দুখন মেচ ড্ৰ খেলা স্পেইনে যোৱা নিশাৰ জয়েৰে ৰোণাল্ডোৰ দলৰ বাবে চাপ সৃষ্টি কৰিলে। পাঁচ পইণ্টেৰে স্পেইন গ্ৰুপত দ্বিতীয় স্থানলৈ অগ্ৰসৰ হৈছে। একমাত্ৰ গ্ৰুপ বিজয়ী দলেহে প্ৰতিযোগিতাৰ ছেমিফাইনেল খেলাৰ সুযোগ পাব। যোৱা নিশাৰ আন কেইখনমান গ্ৰুপ মেচত ইউক্ৰেইনে আয়াৰলেণ্ডক ১-০, নেদাৰলেণ্ডে ৱেল্‌ছক ২-১ আৰু বেলজিয়ামে পোলেণ্ডক ৬-১ গ'লত পৰাজিত কৰে।



## বিলাসনন্দন চৰ্চা



# আমি আটায়ে ৰাজ্যৰ পি এম

**বহুতৰে** বিভাগবোৰ সলনি হ'ল। অমুকে যদি তমুকটো বিভাগৰ মিনিষ্টাৰ বুলি নিজকে ভাবি আছিল, কাইলৈৰ পৰা তেওঁ ভচুকটো বিভাগৰহে মিনিষ্টাৰ। কাষৰজন আকৌ তমুকটো বিভাগত আছিল, কাইলৈৰ পৰা অমুকটো বিভাগলৈ যাব। হঠাতে কেনেকৈ মিনিষ্টাৰ হ'ল, হঠাতে কোনে কোনটো বিভাগ পালে, কিয় পালে, কিয় সলাব লগা হ'ল, তাৰ কাৰণবোৰ সুধি মৰাহে কথা হ'ব। এনেকুৱাওতো হ'ব পাৰে যে যি পৰিৱৰ্তন আনিম বুলি কৈ গাদীত বহিছিল, সেই পৰিৱৰ্তন কিজানি এইটোৱেই। পৰিৱৰ্তন আনিম বুলি কোৱা হৈছিল। গতিকে বিভাগবোৰ সালসলনি কৰি পৰিৱৰ্তন সাধন কৰা হ'ল। ক'ৰবাত কিবা এটা কৰি দেখুৱালেই হ'ল। চাকৰি দিম বুলি কৈছিল। পুলিচৰ চাকৰিসোপা দি থ'লে হ'ল। অপৰাধীক ক্ষমা কৰা নহ'ব বুলি কোৱা হৈছিল। দোভাগ ৰাতি এক্সিডেণ্ট হ'লেই হৈ গ'ল। মুঠতে মুখেদি যি কোৱা হৈছিল, হাতে-কামে সেয়া কৰি দেখুৱালে হ'ল।

বিভাগবোৰ সাল-সলনি হ'লেও আমাৰ মিনিষ্টাৰবোৰ কিন্তু অকণো দুঃখী নহয়। দুঃখী কিয় হ'বনো? কিবাকৈ চাকৰিটো যে বাচিছে! ছাছপেণ্ড কৰি থ'লেওতো একো মাত মাতিব নোৱাৰিলেহেঁতেন! এই মুহূৰ্তত নিজৰ চাকৰিটো বচাই ৰখাটোৱে সকলোৰে জাতীয় কৰ্তব্য, জাতীয় দায়িত্ব হৈ পৰিছে। বিভাগবোৰ যে সাল-সলনি কৰা হ'ল, এজনৰ পৰা কাঢ়ি নি আন এজনক যে দিয়া হ'ল, তাৰ মানে এইটো নেকি যে আগৰ বিভাগবোৰত মিনিষ্টাৰবোৰ বিফল হৈছে? সেই কাৰণে অফিচবোৰ চেঞ্জ কৰি দিয়া হ'ল? এয়া শাস্তিমূলক ট্ৰেন্সফাৰ নেকি বাৰু? খবৰদাৰ! এই ধৰণৰ প্ৰশ্নবোৰ নকৰিব! আপোনাৰ ঘৰত বুলডজাৰ চলি যাব পাৰে. বা আপোনাৰ এগেইনষ্টত থানাই থানাই এফ আই আৰ পৰি যাব পাৰে। গতিকে মনে মনে থকাই ভাল।

আকস্মিক ট্ৰেন্সফাৰৰ সন্মুখীন হোৱাৰ পাছতো আমাৰ মিনিষ্টাৰবোৰেও মুখেদি এটা শব্দও কোৱা নাই। বৰঞ্চ হাতেৰে জোৰকৈ ওঁঠৰ কোৱাৰী দুটা দুয়োফালে বহলাই দি হঁহাৰ প'জ দি ফটো উঠিছে। লগৰবোৰে আহি সুধিছে—

ঃ কিহে, খবৰ এটা পালো।
ঃ কি খবৰ?
ঃ আপোনাৰ বোলে ট্ৰেন্সফাৰ হ'ল ছাৰ।
ঃ চৰকাৰী চাকৰিত ট্ৰেন্সফাৰ হৈয়ে থাকে।
ঃ মিডিয়াবোৰত বেয়াকৈ কৈ আছে।
ঃ কি কৈছে?
ঃ কৈছে বোলে আপোনালোকৰ পাখি কাটি দিয়া হৈছে।
ঃ মিছা কথা।
ঃ তাৰ মানে পাখি কটা নাই নেকি?
ঃ কি কথা কোৱাহে?
ঃ কি হ'ল ছাৰ?
ঃ আমাৰনো কোনদিনা পাখি গজিছিল যে পাখি কাটিব। যি অলপ-অচৰপ পাখি গজিছিল, মিনিষ্টাৰ হোৱাৰ পাছত সেইবোৰ সৰিবহে ধৰিছে।



ঃ হয় নেকি?
ঃ অ'তো! কোনোবাদিনা পাখি মেলি আমাক উৰি ফুৰা দেখিছা নেকি? বেলেগে উৰে, তাৰ লগতহে আমি থাকো।
ঃ আপোনাৰ দুঃখ লাগিছে নেকি ছাৰ?
ঃ কিহৰ কাৰণে?
ঃ ট্ৰেন্সফাৰ যে কৰিলে!
ঃ নাই।
ঃ কিয় ছাৰ?
ঃ য'ত যিমান ট্ৰেন্সফাৰ নহওক কিয়, আমাৰ চাকৰিটো ফিক্সড।
ঃ ফিক্সড মানে?
ঃ ফিক্সড মানে আৰু কি? এইখন ৰাজ্যত চিয়েম এজন আছে।
ঃ হয় ছাৰ।
ঃ কিন্তু পি এম বহুত আছে।
ঃ মানে?
ঃ আমি বৰ্তমান যিমানবোৰ আছে, সেই আটাইবোৰেই হ'ল পি এম।
ঃ পি এম মানে?
ঃ পি এম মানেও নাজানানে?
ঃ প্ৰাইম মিনিষ্টাৰ।
ঃ নহয়।
ঃ তেন্তে?
ঃ পুতলা মিনিষ্টাৰ!

# ক্ৰমাৎ ভয়ংকৰ হৈ পৰিছে চীনা যুদ্ধৰ সময়ত নির্মিত জীয়াভৰলী দলং

■ বিচ্ছিন্ন হ'ব পাৰে উত্তৰ অসমৰে যোগাযোগ ব্যৱস্থা ■ গা নলৰে বিভাগীয় কৰ্তৃপক্ষৰ ■ দলঙৰ ওপৰত শীঘ্ৰে পথ অৱৰোধেৰে প্ৰতিবাদ সাব্যস্ত কৰাৰ পৰিকল্পনা ৰাইজৰ





**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১০ জুন ঃ** ক্ৰমাৎ ভয়ংকৰ হৈ পৰিছে শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ টৌভঙাৰ সমীপৰ ১৫ নম্বৰ ঘাইপথৰ অতিকৈ পুৰণি জীয়াভৰলী নদীৰ দলংখন। শোণিতপুৰ জিলাৰ লগতে লখিমপুৰ তথা অৰুণাচললৈকে যোগাযোগৰ একমাত্ৰ ভৰসাৰ বৃহৎ দলংখনৰ অৱস্থা অতিকৈ শোচনীয় হৈ পৰিছে। দলংখনৰ ভয়ংকৰ অৱস্থাৰ বিষয়ে 'দৈনিক অগ্ৰদীত'ত সবিস্তাৰে প্ৰকাশ হোৱাৰ পাছত বিভাগীয় কৰ্তৃপক্ষই কণা হাঁহক পতান ধান দিয়াদি সামান্য মেৰামতি কৰিয়ে দায়িত্ব সামৰাৰ পাছত বিগত প্ৰায় এটা মাহ ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত দলংখনৰ অৱস্থা পূৰ্বতকৈয়ো শোচনীয় হৈ পৰে। বৰ্তমান দলংখনৰ ওপৰত সৃষ্টি হৈছে বৃহৎ বৃহৎ গাঁত। চীনা যুদ্ধৰ পাছতে অৰ্থাৎ ১৯৬২তে নিৰ্মাণ কৰা জীয়াভৰলী নদীৰ এই দলংখনৰ ওপৰত বৃহৎ গাঁতেই নহয় দলংখনত ব্যৱহৃত ৰদ, লোৰ পাটি আদি এতিয়া দলংখনৰ ওপৰত বিদ্যমান। অতি পুৰণি তথা মুখ্য দলংখনে বহন ক্ষমতা হেৰুৱাৰ আশংকা কৰা ৰাইজে সম্প্ৰতি দলংখনৰ ওপৰেৰে গন্তব্যস্থানলৈ যোৱাৰ ক্ষেত্ৰত এক বুজাব নোৱাৰা শংকাত ভুগিব লগা হৈছে। দৈনিক হেজাৰ হেজাৰ সৰু-বৰ যান-বাহন চলাচল কৰা দলংখনৰ দীৰ্ঘদিনীয়া শোচনীয় অৱস্থাৰ বাবেই দলংখনৰ ওপৰত সঘনে সংঘটিত হৈ আহিছে দুৰ্ঘটনা। দলংখনৰ গাঁতত সোমাই সঘনে যান-বাহন বিকল হৈ যান-বাহন চলাচল কৰাৰ ক্ষেত্ৰত দলংখনৰ ওপৰত একপ্ৰকাৰ যান-জঁটৰ সৃষ্টি হৈ আহিছে। দলংখনৰ ওপৰত খলপা খলপে এৰায়েই আছে পকী অংশ। দলংখনৰ দুৰৱস্থাৰ বিষয়ে শেহতীয়াকৈ দলংখনৰ ওপৰেৰে যাতায়াত কৰা যান-বাহনৰ গৰাকী, বিভিন্ন বাছৰ যাত্ৰীয়েও সামাজিক মাধ্যমৰ যোগেও বিভাগীয় কৰ্তৃপৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ কেতবোৰ পোষ্ট দিয়া পৰিলক্ষিত হোৱাৰ উপৰি স্থানীয় সংবাদ মাধ্যমসমূহও বিভিন্ন সময়ত বা-বাতৰি পৰিৱেশ কৰি কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰাৰ অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিলেও কিন্তু কোনেও কৰ্তৃপক্ষৰ গা লৰাবলৈ সক্ষম নোহোৱা ঘটনা ৰহস্যজনক। ইফালে, উপায়ান্তৰ স্থানীয় ৰাইজে দলংখনৰ দীৰ্ঘদিনীয়া সমস্যাৰ স্থায়ী সমাধানৰ দাবীত শীঘ্ৰে দলংখনৰ ওপৰত পথ অৱৰোধ কাৰ্যসূচী ৰূপায়ণেৰে প্ৰতিবাদ সাব্যস্ত কৰাৰ প্ৰস্তুতি চলোৱাৰ বিষয়েও সদৰী কৰিছে।

# মানাহত পুনৰ মুকলি কৰা হ'ল ১০ টাকৈ বিলুপ্ত প্ৰায় নলগাহৰি

**২০২৫ৰ ভিতৰত মুঠ ৬০ টা নলগাহৰি মানাহত মুকলি কৰি দিয়াৰ পৰিকল্পনা**





**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১০ জুন ঃ** চিৰসেউজ বিশ্ব ঐতিহ্যক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ভূঞাপাৰা ৰেঞ্জৰ ৰূপহী অঞ্চলৰ ঘাঁহনি অঞ্চলত আজি পুনৰ মুকলি কৰি দিয়া হ'ল ১০টাকৈ বিলুপ্তপ্ৰায় নলগাহৰি। বন বিভাগৰ সহযোগত চলিত মাহতে দুটা পৰ্যায়ত মুকলি কৰি দিয়া হয় নলগাহৰিকেইটা। ইয়াৰ ভিতৰত যোৱা আঠ জুনত পাঁচটা মাইকী আৰু দুটা মতা সহিতে সাতটা আৰু আজি অৰ্থাৎ ১০ জুনত এটা মতা আৰু দুটা মাইকী সহিতে তিনিটাকে ধৰি মুঠ ১০ টা নলগাহৰি মুকলি কৰি দিয়া হয়। উল্লেখ্য যে উক্ত আঁচনিখনৰ অধীনতে বিগত ২০২০ত ১৪ টা আৰু ২০২১ত ১২ টা নলগাহৰি সফলভাৱে মানাহত মুকলি কৰি দিয়া হৈছিল। ইয়াকে লৈ আঁচনিখনৰ অধীনত এতিয়ালৈকে ৩৬ টা নলগাহৰি মানাহত মুকলি কৰি দিয়া হয়। আনহাতে, পিএইছপিচিৰ অধীনত ২০২৫ৰ ভিতৰত মানাহত ৬০ টা নলগাহৰি মুকলিৰ লক্ষ্যস্থিৰ কৰা হৈছে। বিশ্বৰ বন্য জীৱকুলৰ ভিতৰত বনগাহৰিৰ দুষ্প্ৰাপ্য, ক্ষুদ্ৰতম তথা বিলুপ্তপ্ৰায় প্ৰজাতি নল গাহৰিৰ পৃথিৱীৰ ভিতৰতে অন্যতম উপযোগী বসতিস্থল হ'ল বিশ্ব ঐতিহ্যক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যান। ৯০ ৰ দশকৰ মাজভাগৰ পূৰ্বে কেৱল মানাহতেই যথেষ্ট সংখ্যক নল গাহৰি পোৱা গৈছিল যদিও বিভিন্ন কাৰকৰ প্ৰভাৱত মানাহতো লাহে লাহে নলগাহৰিৰ সংখ্যা কমি আহিছিল। পৰৱৰ্তী সময়ত পৃথিৱীৰ পৰা ক্ৰমাৎ বিলুপ্তিৰ দিশে গতি কৰা দুষ্প্ৰাপ্য নলগাহৰিৰ সংৰক্ষণৰ উদ্দেশ্যে 'পিগমি হগ কনজাৰভেছন প্ৰগ্ৰেম'ৰ জৰিয়তে ১৯৯৬ৰ পৰা বিজ্ঞানসন্মত বিশেষ ব্যৱস্থাৰ দ্বাৰা নলগাহৰিৰ প্ৰজনন প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। সেইমৰ্মে উক্ত বৰ্ষটোত মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বাঁহবাৰী ৰেঞ্জৰ পৰা দুটা মতা আৰু চাৰিটা মাইকী সহিতে মুঠ ছয়টা নলগাহৰি ধৰি নি প্ৰজননৰ উদ্দেশ্যে বিশেষ সংৰক্ষণত ৰখা হৈছিল। পৰৱৰ্তী সময়তো মানাহৰ পৰা এনেদৰে নলগাহৰি নি উক্ত আঁচনিৰ অধীনত প্ৰজননৰ ব্যৱস্থা কৰা হৈছিল আৰু এইক্ষেত্ৰত বিশেষভাৱে সফল হৈছিল আঁচনিখন। যাৰ ফলস্বৰূপেই বিগত ২০০৮ৰ পৰা উক্ত প্ৰজনন প্ৰক্ৰিয়াৰ দ্বাৰা জন্মলাভ কৰা নলগাহৰিবোৰ সোণাই-ৰূপাই অভয়াৰণ্য, ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু বৰনদী অভয়াৰণ্যত মুকলি কৰি দিয়া হৈছিল। ইয়াৰে ভিতৰত সোণাই-ৰূপাই অভয়াৰণ্যত ১৮ টা মতা আৰু ১৭ টা মাইকী সহিতে ৩৫ টা, ওৰাং ৰাষ্ট্ৰীয় উদ্যানত ২৬ টা মতা আৰু তিনি টা মাইকী সহিতে ৫৯ টা আৰু বৰনদী অভয়াৰণ্যত ১১ মতা আৰু ১১ টা মাইকী সহিতে ২২ টা নলগাহৰি মুকলি কৰি দিয়া হৈছিল। উল্লেখ্য যে ঘাঁহনি অঞ্চল হৈছে নলগাহৰিৰ অন্যতম প্ৰধান বসতিস্থল, যি মানাহ ৰাষ্ট্ৰীয় উদ্যানত বিস্তৃত অঞ্চলজুৰি আছে। ইফালে, উক্ত আঁচনিখনৰ অধীনত বিশেষ সংৰক্ষণত ৰাখি প্ৰজনন ঘটোৱাই এনেদৰে বিভিন্ন সংৰক্ষিত বনাঞ্চলত বৰ্তমানলৈ মুকলি কৰি দিয়া নলগাহৰিৰ সংখ্যা ১৫২ টা (৭০ টা মতা আৰু ৮২ টা মাইকী) হ'লগৈ, যি সংখ্যা নলগাহৰিৰ বিশ্বব্যাপী থকা বনাঞ্চলৰ আবাসিক অঞ্চলতকৈ অধিক বুলি এক বিবৃতিত উল্লেখ কৰা হৈছে। তদুপৰি বিগত সময়ত কৰ'না ভাইৰাছৰ উপৰি আফ্ৰিকান স্ব'ৱাইন ফেভাৰ আদিয়ে আঁচনিখনৰ প্ৰতি তীব্ৰ প্ৰত্যাহ্বানৰ সৃষ্টি কৰাৰ পাছতো বৰ্তমানলৈ নলগাহৰি মুকলিৰ এই সফলতাই এক উল্লেখনীয় কাৰ্য বুলি গণ্য হোৱাৰ উপৰি মানাহত নলগাহৰিৰ বসতি বৃদ্ধিৰ লক্ষ্যৰ ক্ষেত্ৰত এয়া এক মাপকাঠি হিচাবে পৰিগণিত হৈছে বুলি ইতিপূৰ্বেই উল্লেখ কৰিছিল প্ৰকল্প সঞ্চালক ড° পৰাগজ্যোতি ডেকাই। আনহাতে, মানাহ ব্যাঘ্ৰ প্ৰকল্পৰ ক্ষেত্ৰ সঞ্চালক ড° বৈভৱ চি মাথুৰে এক বিবৃতিযোগে কয় যে নলগাহৰি হ'ল বন্যপ্ৰাণীৰ এনে এটা প্ৰজাতি যাক বিলুপ্তিৰ পথৰ পৰা উদ্ধাৰ কৰি পুনৰ বনাঞ্চলত মুকলি কৰা হৈছে। বিশেষ প্ৰক্ৰিয়াৰ দ্বাৰা ইয়াৰ প্ৰজনন ঘটাই ৰাষ্ট্ৰীয় উদ্যানখনত মুকলি কৰি দিয়াৰ পাছত নলগাহৰিৰ বসতিস্থল সংৰক্ষণৰ ক্ষেত্ৰতো ইয়ে এক সূচক হিচাপে কাম কৰিব। তদুপৰি একে সময়তে বৈজ্ঞানিক আৰু পৰিসংখ্যগতভাৱে নলগাহৰিৰ সংৰক্ষণৰ ক্ষেত্ৰত এক শক্তিশালী প্ৰটকল প্ৰস্তুত কৰাতো ই সহায়ক হ'ব বুলি ড° মাথুৰে বিবৃতিটোত উল্লেখ কৰে।

# চৰকাৰী অনুদানৰ পৰা বঞ্চিত দুশ বছৰ পুৰণি লেটুগ্ৰাম সত্ৰ



**বিশেষ সংবাদদাতা**

**নগাঁও, ১০ জুন ঃ** ৰাজ্য চৰকাৰে অসমৰ সত্ৰীয়া সাহিত্য-সংস্কৃতি, ধৰ্মীয় তথা সামাজিক ক্ষেত্ৰত বলিষ্ঠ ভূমিকা পালন কৰা প্ৰাচীন ঐতিহ্যমণ্ডিত সত্ৰসমূহৰ উন্নয়নৰ বাবে বৃহৎ পৰিমাণৰ আৰ্থিক অনুদান আগবঢ়াইছে যদিও একাংশ প্ৰাচীন সত্ৰ এই চৰকাৰী আৰ্থিক অনুদান প্ৰাপ্তিৰ পৰা আজিও বঞ্চিত হৈ আছে। তেনে এখন সত্ৰ হৈছে ১৮২২তে প্ৰতিষ্ঠা লাভ কৰা পুৰণিগুদাম বৰপানীগাঁওস্থিত লেটুগ্ৰাম সত্ৰ। মানৰ আক্ৰমণত মাজুলীৰ পৰা ভটিয়াই আহি ঐতিহ্যমণ্ডিত পুৰণিগুদামত স্থাপন কৰা সত্ৰখনে বৃহত্তৰ অঞ্চলটোত কৃষ্টি-সংস্কৃতি আৰু ধৰ্মীয় দিশত সেৱা আগবঢ়োৱাৰ লগতে এই সত্ৰৰ শিষ্য-প্ৰশিষ্যসকল অসমৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ উন্নয়নমূলক কামত নিয়োজিত হৈ আছে। তাৰ পাছতো অসম চৰকাৰৰ পৰা কোনো ধৰণৰ সঁহাৰি লাভ কৰিবলৈ সক্ষম হোৱা নাই সত্ৰখনে। যি সময়ত অসমৰ সত্ৰ-নামঘৰসমূহলৈ বৰ্তমানৰ চৰকাৰখনে যোগাত্মক সঁহাৰি জনাই অনুদান আগবঢ়াইছে, তেনে সময়ত পুৰণিগুদামৰ লেটুগ্ৰাম সত্ৰৰ দৰে অসমৰ বহু পুৰণি সত্ৰ বঞ্চিত হৈ থাকিবলগীয়া হোৱাত ৰাইজ অসন্তুষ্ট হোৱা পৰিলক্ষিত হৈছে। আজি দুশ বছৰ পুৰণি লেটুগ্ৰাম সত্ৰত ৰাইজৰ দান-বৰঙণিৰে নিৰ্মাণ হোৱা নৱ প্ৰস্থৰ মণিকূট প্ৰতিষ্ঠাৰ মাংগলিক অনুষ্ঠানৰ শুভক্ষণত সত্ৰৰ প্ৰকৃত উন্নয়নত আশাব্যঞ্জক সঁহাৰি জনাবলৈ চৰকাৰলৈ বিনম্ৰ আহ্বান জনালে বিশিষ্ট সাহিত্যিক তথা লেটুগ্ৰাম সত্ৰৰ সত্ৰাধিকাৰ কৃষ্ণ গোস্বামীয়ে। উল্লেখ্য যে চৰকাৰে সত্ৰ উন্নয়নৰ নামত সত্ৰসমূহত ২০ লাখ বা তাতকৈ কম বেছি পৰিমাণৰ ধন আগবঢ়াই অহাৰ পাছতো প্ৰত্যেক দিনাই ভকত, বৈষ্ণৱ তথা শৰণ, ভজন লোৱা লোকেৰে পৰিপূৰ্ণ হৈ থকাৰ পাছতো এই পুৰণিকলীয়া সত্ৰখন প্ৰকৃততে বঞ্চিত হৈছে কিয়? নে চৰকাৰ বা সত্ৰসমূহ পৰিচালনা কৰা সংগঠনসমূহে এই সত্ৰখনৰ আবেদন-নিবেদন আওকাণ কৰিছে। এনে হ'লে চৰকাৰে প্ৰকৃততে সত্ৰসমূহৰ বিকাশৰ ক্ষেত্ৰত লোৱা ভূমিকা ফুটুকাৰ ফেনত পৰিণত হ'ব। এই ক্ষেত্ৰত সত্ৰসমূহ কিয় বঞ্চিত হৈ আছে তাৰ এক তদন্ত কৰি চৰকাৰে এনে ধৰণৰ সত্ৰসমূহক আৰ্থিক অনুদান আগবঢ়োৱাৰ প্ৰয়োজন বুলি সচেতন মহলে মন্তব্য কৰিছে। আজি এই সত্ৰত মণিকূট প্ৰতিষ্ঠা উপলক্ষে পুৱাৰ পৰা ভকত বৈষ্ণৱৰ লানি নিছিগা সোঁত বয়। বহুকেইগৰাকী সত্ৰাধিকাৰৰ উপস্থিতিত আজি সত্ৰত মণিকূট প্ৰতিষ্ঠাৰ কাৰ্যসূচীৰ সামৰণি পৰে।

# অভয়াপুৰীৰ ঐতিহাসিক ৰামৰজাৰ গড় পুনৰুদ্ধাৰৰ আহ্বান-আক্ৰাছু-কোচ ৰাজবংশী

## সংগ্ৰাম সমিতি আৰু নাগৰিক সুৰক্ষা মঞ্চৰ সংবাদমেল

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ১০ জুন ঃ** বিলুপ্ত হোৱাৰ দিশত বঙাইগাঁও জিলাৰ অভয়াপুৰীৰ ঐতিহাসিক ৰামৰজাৰ গড়। আজি অভয়াপুৰীত আক্ৰাছু, কোচ ৰাজবংশী সংগ্ৰাম সমিতি, আৰু নাগৰিক সুৰক্ষা মঞ্চ, অসমে সংবাদমেলৰ জৰিয়তে অভয়াপুৰীত অৱস্থিত ঐতিহাসিক ৰামৰজাৰ গড় খনন কাৰ্য চলোৱাত উদ্বিগ্নতা প্ৰকাশ কৰি অভয়াপুৰীৰ গৌৰৱ ঐতিহাসিক ৰাম ৰজা গড় ধ্বংসৰ গৰাহত বুলি জানিবলৈ দিয়ে। আক্ৰাছুৰ কমল সৰকাৰ, কোচৰাজবংশী সংগ্ৰাম সমিতিৰ সহেন ৰায়, নাগৰিক সুৰক্ষা মঞ্চৰ ভদ্ৰেশ্বৰ বৰ্মনে জানিবলৈ দিয়া মতে, ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ হেমাহিৰ বাবে তদানীন্তন ৰাজ পৰিয়ালে কৌশলগতভাৱে তেওঁলোকে নিজা নামত হস্তগত কৰিছে। সংবাদমেলত ঐতিহাসিক ধ্বংসাৱশেষ, সমলসমূহৰ সুৰক্ষা আইন মতে, ঐতিহাসিক ক্ষেত্ৰসমূহ ব্যক্তিগত সম্পত্তি হ'ব নোৱাৰে বুলিও জানিবলৈ দিয়ে। তেনেক্ষেত্ৰত ৰাম ৰজাৰ গড়টো কেনেকৈ ৰাজ পৰিয়ালৰ নামত ব্যক্তিগত সম্পত্তি হিচাপে নথিভুক্ত হ'ল এয়া এক ডাঙৰ প্ৰশ্ন বুলিও কয়। তদুপৰি উক্ত গড়টো ৰাজ পৰিয়ালে নিজৰ মাজত ভাগ-বটোৱাৰা কৰি ধ্বংস কৰিছে বুলিও অভিযোগ উত্থাপিত হৈছে। ৰজাদিনীয়া ঐতিহাসিক গড়টো ধ্বংস হোৱাৰ পৰা ৰক্ষা কৰিবলৈ কে'বাবাৰো এই সন্দৰ্ভত বিভাগীয় কৰ্তৃপক্ষক অৱগত কৰোৱা হয় যদিও আজি পৰ্যন্ত কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই বুলি অভিযোগ কৰে। ৰাজপৰিয়ালক প্ৰয়োজন সাপেক্ষে চৰকাৰে উপযুক্ত ক্ষতিপূৰণ দি ৰামৰজাৰ গড় সংৰক্ষণৰ দাবী জনায় সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা, কোচ ৰাজবংশী সংগ্ৰাম সমিতি, আৰু নাগৰিক সুৰক্ষা মঞ্চই। উল্লেখ্য যে সৃজনগ্ৰাম ৰাজহ চক্ৰৰ অন্তৰ্গত তথা অভয়াপুৰী চহৰৰ গাতে লাগি থকা দেওহাটী পঞ্চায়তত অৱস্থিত তথা ৬৭ বিঘা চাৰি কঠা ১১ লেচা মাটি কালিৰে আগুৰি আছে ৰামৰজাৰ গড়টো। উল্লেখ্য যে মোগল সেনাপতি ৰামসিংহই আহোম সেনাপতি লাচিতৰ হাতত পৰাজিত হৈ মানাহ নৈকে দুয়ো ৰাজ্যৰ সীমা কৰি উভতি যাওঁতে ৰামসিংহই গড়টো মাৰিছিল বুলি কথিত আছে। স্বাধীনোত্তৰ কালত একাংশ চৰকাৰী বিষয়াৰ সেউজ সংকেতত ৰাজপৰিয়ালৰ মুষ্টিমেয় সদস্যই নিজৰ নামত নামজাৰি কৰে। যিটো প্ৰত্নতত্ব আইনৰ বাহিৰত। ইতিমধ্যে ৰাজ পৰিয়ালৰ লোকে শ বছৰীয়া তিনি শতাধিক শালগছ কাটি বিক্ৰী কৰাৰ লগতে খণ্ড খণ্ড কৰি ভূমিখিনি বিক্ৰী কৰাৰ যোজা চলাইছে বুলি ইতিপূৰ্বে অভিযোগ উত্থাপন কৰিছে।

**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

# ওদালগুৰিত পত্নী হত্যাৰ অপৰাধত স্বামীক যাৱজ্জীৱন কাৰাদণ্ড

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ১০ জুন ঃ** আজি হত্যাৰ অপৰাধত এজনক যাৱজ্জীৱন কাৰাদণ্ডেৰে দণ্ডিত কৰে ওদালগুৰি জিলা আৰু সত্ৰ ন্যায়ধীশৰ আদালতে। ঘটনা সংঘটিত হৈছিল ২০১৯ৰ ২২ জানুৱাৰীত। ঘটনা সন্দৰ্ভত পানেৰী আৰক্ষী থানাত ৰুজু কৰা হৈছিল এক গোচৰ। গোচৰীয়া দমনিক ওৰাঙে দাখিল কৰা এজাহাৰ অনুসৰি উক্ত দিনা পুৱতি নিশা প্ৰায় তিনি বজাত ঔৰাংজুৰি চাহ বাগিচাৰ নিবাসী এটোৱা মুণ্ডাই শুই থকা অৱস্থাতে নিজ পত্নী ৰেজিনা মুণ্ডাক এখন দাৰে শোৱাপাটীতে ঘপিয়াই হত্যা কৰে। কেৱল হত্যা কৰাই নহয়, পত্নীক হত্যাক কৰি নিজৰ বাসভৱনটোত অগ্নিসংযোগ কৰি ঘৰটোৰ সকলে আচবাব জ্বলাই দিয়ে। উক্ত এজাহাৰৰ ভিত্তিত পানেৰী আৰক্ষীয়ে ভাৰতীয় দণ্ডবিধিৰ ৩০২ আৰু ৪৩৬ নম্বৰ ধাৰাৰ অধীনত ৯/১৯ নম্বৰত এক গোচৰ ৰুজু কৰি অভিযুক্ত এটোৱা মুণ্ডাক গ্ৰেপ্তাৰ কৰে। উক্ত গোচৰ সন্দৰ্ভত আদালতত ৭০/১৯ নম্বৰ গোচৰ সন্দৰ্ভত চলা যুক্তি তৰ্কৰ অন্তত হত্যাকাৰী এটোৱা মুণ্ডাক ওদালগুৰি অতিৰিক্ত সত্ৰ ন্যায়ধীশ নিশান্ত গোস্বামীৰ আদালতে যাৱজ্জীৱন কাৰাদণ্ডৰ লগতে পাঁচ হেজাৰ টকাৰ জৰিমনা বিহে। জৰিমনা দিবলৈ অসমৰ্থ হ'লে অতিৰিক্ত তিনি মাহৰ কাৰাদণ্ডৰ নিৰ্দেশ দিয়ে আদালতে।

# অসম কলেজ অধ্যক্ষ পৰিষদৰ ৩৭ সংখ্যক দ্বি-বাৰ্ষিক অধিবেশনৰ অন্ত

# কলেজ শিক্ষকে সমাজৰ লগত মিলি কাম কৰিলেহে নতুন শিক্ষানীতি ফলপ্ৰসূ হ'ব ঃ শিক্ষামন্ত্ৰী পেগু

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ১০ জুন ঃ** 'শিক্ষাৰ গুণগত মান বৃদ্ধি কৰিবৰ বাবে এই সময় স্বৰ্ণিল সময় হিচাপে বিবেচিত হৈছে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে দেশৰ উন্নয়ন ত্বৰান্বিত কৰাৰ সমান্তৰালভাৱে শিক্ষাৰ উন্নতিৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। সময় আৰু নিয়মানুবৰ্তিতা ধাৰাবাহিক হ'লে দেশ আৰু জাতি আগুৱাই যোৱাত সহায় হয়। বিষয়া-কৰ্মচাৰী, বিদ্যালয়-মহাবিদ্যালয়ৰ অধ্যক্ষ বা শিক্ষকসকলে কেৱল দৰমহা আৰু পদমৰ্যাদাক লৈ ব্যস্ত থাকিলে দেশৰ শিক্ষাৰ মান উন্নীত নহয়। ছাত্ৰ-ছাত্ৰীসকলক গুণী আৰু মেধাৱী কৰি গঢ়ি তুলিবলৈ মহাবিদ্যালয়সমূহৰ দায়িত্ব আছে।



কাষৰীয় উচ্চ মাধ্যমিক, মাধ্যমিক আৰু প্ৰাথমিক বিদ্যালয়সমূহত মহাবিদ্যালয়ৰ শিক্ষকে শিক্ষাদান কৰি ছাত্ৰ-ছাত্ৰীসকলক উপযুক্ত কৰি গঢ়ি আনিব লাগিব।' দিখৌমুখ মহাবিদ্যালয়ত কাইলৈৰ পৰা অনুষ্ঠিত অসম কলেজ অধ্যক্ষ পৰিষদৰ ৩৭ সংখ্যক দ্বি-বাৰ্ষিক অধিবেশনৰ মুকলি সভাত মুখ্য বক্তাৰূপে উপস্থিত থাকি অসম চৰকাৰৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এইদৰে কয়। অসম কলেজ অধ্যক্ষ পৰিষদৰ সভাপতি ড° শৰৎ বৰকটকীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত শিক্ষামন্ত্ৰীজনে আৰু কয় যে গতানুগতিক শিক্ষাদান পদ্ধতিৰ বেহু ফালি কলেজ শিক্ষক আৰু অধ্যক্ষসকলে সমাজৰ লগত মিলি কাম কৰিলেহে নতুন শিক্ষানীতি ফলপ্ৰসূ হ'ব। মহাবিদ্যালয়ৰ অধ্যক্ষ পৰিষদৰ সম্পাদক ড° সত্যেন বৰ্মনে আঁতধৰা সভাখন উদ্বোধন কৰি অসম চৰকাৰৰ শিক্ষা উপদেষ্টা ড° ননীগোপাল মহন্তই কয় যে নতুন শিক্ষানীতি এনে নীতি নহয় যে সকলো দফাই আখৰে আখৰে ৰূপায়ণ কৰিব লাগিব। আনহাতে, ২০২২ৰ পৰাই নতুন শিক্ষানীতি আৰম্ভ নহয়। এই ব্যৱস্থা পৰ্যায়ক্ৰমে আৰম্ভ হ'ব। প্ৰত্যেক মহাবিদ্যালয়ৰ অধ্যক্ষই শিক্ষা ব্যৱস্থা গুণগতভাৱে উন্নতি কৰিবলৈ লম্বিত নেতৃত্ব আৰু সমান্তৰাল নেতৃত্ব প্ৰদান কৰিবই লাগিব। সভাত ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি কয় যে ক্ৰমাত বাঢ়ি অহা যুৱ উচ্ছৃংখলতা ৰোধ কৰাৰ ক্ষেত্ৰত কলেজ কৰ্তৃপক্ষ অধিক কঠোৰ হোৱাৰ প্ৰয়োজন অনস্বীকাৰ্য। একাংশ ছাত্ৰ-ছাত্ৰীয়ে গুৰু-গোসাঁই নমনা অৱস্থা এটাৰ সৃষ্টি হোৱাৰ সময় সমাগত। ড° শৰৎ বৰকটকী আৰু উদ্‌যাপন সমিতিৰ সভাপতি বিপুল চন্দ্ৰ বৰকটকীয়ে আদৰণি ভাষণ প্ৰদান কৰা মুকলি সভাত শিক্ষামন্ত্ৰী, অসম চৰকাৰৰ শিক্ষা উপদেষ্টা আৰু সাংসদজনৰ উপৰি শিৱসাগৰ কমাৰ্চ কলেজৰ অধ্যক্ষ ড° সৌমাৰজ্যোতি মহন্ত, অসম মহিলা আয়োগৰ সদস্যা বিনিতা শইকীয়া দে, উদ্‌যাপন সমিতিৰ সভাপতি, শিৱসাগৰ জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক কমলজ্যোতি গগৈ, দিখৌমুখ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ হৰেণ ভূঞা আৰু বহুকেইজন গণ্যমান্য ব্যক্তি উপস্থিত থাকে। এই সভাতে ড° মানজিৎ গগৈৰ সম্পাদনাত যুগুতোৱা অধ্যক্ষ পৰিষদৰ জাৰ্ণেল উন্মোচন কৰে শিক্ষা মন্ত্ৰী ডাঃ পেগুৱে। ইফালে, এই সভাতে দিখৌমুখ মহাবিদ্যালয়ৰ প্ৰতিস্থাপক অধ্যক্ষ মহীৰুহ হৰেণ ভূঞাৰ অভিনন্দন গ্ৰন্থ 'স্বপ্নদ্ৰষ্টা' উন্মোচন কৰে ড° সৌমাৰজ্যোতি মহন্তই। আনহাতে, বিয়লি অনুষ্ঠিত বিষয় বাছনি সভাত আগন্তুক কাৰ্যকালৰ কাৰণে ড° সৌমাৰজ্যোতি মহন্তক সভাপতি আৰু ড° ৰঞ্জন কলিতাক সম্পাদক হিচাপে লৈ ২১ জনীয়া অসম কলেজ অধ্যক্ষ পৰিষদৰ সমিতিখন গঠন কৰা হয়। উল্লেখ্য যে উক্ত সভাতে খগেন্দ্ৰ নাথ দত্ত সোঁৱৰণী ন্যাস বঁটা মহাবিদ্যালয়ৰ সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত ছাত্ৰীক আনুষ্ঠানিকভাৱে প্ৰদান কৰে।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com